# ঈশ্বৰৰ আচৰিত দয়া

উইলিয়াম মেক'ডনাল্ড

Authentic

HYDERABAD

***Eshwaror Aachorit Doya***

(Assamese)

God's Amazing Grace

by William MacDonald

First Assamese edition 2015

ISBN: 978-93-85080-45-6

All rights reserved.

No part of this publication may be reproduced in any form or by any means, electronic, or mechanical, including photocopying, recording, or any information storage and retrieval system, without permission in writing from the publisher.

Published by

Authentic Books

Logos Bhavan, Suchitra Junction, Secunderabad 500 067, Telangana.

www.authenticindia.in

Authentic Books is an imprint of Authentic Media (India), the publishing division of OM Books Foundation.

Printed and bound in India by

Authentic Media, Secunderabad 500 067

# সূচীপত্ৰ


| | | |
|---|---|---|
| | আচৰিত দয়া | 07 |
| ১। | আচৰিত দয়া | 09 |
| ২। | অদ্বিতীয় সমাধান | 13 |
| ৩। | এতিয়া শুভ বাতৰিটো | 21 |
| ৪। | ঈশ্বৰৰ বিস্ময়কৰ দয়া | 25 |
| ৫। | কেনেকৈ দয়াৰ মৰ্ম উপলব্ধি কৰিব | 31 |
| ৬। | বেয়া বাতৰিৰ এটি "শুভবাৰ্ত্তা" | 47 |
| ৭। | প্ৰকৃত বিশ্বাসীক চিনি পাবলৈ সহজ | 57 |
| ৮। | আপোনাৰ কথাই আপোনাৰ চৰিত্ৰ প্ৰকাশ কৰে | 61 |
| ৯। | কৰ্মৰ লগত নো ভুল কি ? | 65 |
| ১০। | মোক এই প্ৰশ্নৰ উত্তৰ দিয়ক | 67 |
| ১১। | দয়াৰ অপব্যৱহাৰ আৰু দুৰ্ব্যৱহাৰ | 73 |
| ১২। | ঈশ্বৰে কেনেকৈ পবিত্ৰতা উৎপন্ন কৰে | 77 |
| ১৩। | আৰম্ভনিৰ পৰা শেষলৈকে দয়া | 83 |
| ১৪। | এতিয়া পৰ্যালোচনা কৰোঁ আহক | 87 |
| সামৰণি টোকা | | 93 |

# আচৰিত দয়া

অশান্তিকৰ শৈশৱ আৰু ডেকাকালৰ পাছত, জ'ন নিউটনে ভূমধ্যসাগৰীয় বাণিজ্যত তেওঁৰ দেউতাকৰ জাহাজত যোগদান কৰিছিল। তেওঁ অনৈতিকতা, উচ্ছৃংখল জীৱন-যাত্ৰা আৰু ব্যভিচাৰৰ গহ্বৰত সোমাই পৰিছিল। কোনোবা এজনে কৈছিল যে তেওঁ দুবাৰ উচ্ছাৰণ নকৰাকৈ দুঘন্টালৈকে শাও আৰু গালি-শপনি দিব পাৰিছিল। দেউতাকে কামৰ পৰা গুচাই দিয়াৰ পাছত তেওঁ দাস জাহাজত চাকৰি কৰিছিল, দৰাচলতে তাত তেওঁ নিজেই তেওঁৰ মালিকৰ আফ্ৰিকান পত্নীৰ দাস হৈ পৰিছিল।

যেতিয়া সাগৰৰ এক প্ৰবল ধুমুহাত তেওঁৰ প্ৰায় মৃত্যু ঘটিবলৈ ওলাইছিল, তেতিয়া তেওঁ প্ৰভুলৈ ঘূৰিল, আৰু পাছত তেওঁ যি শুভবাৰ্ত্তাক ইমান ঘৃণা কৰিছিল সেই শুভবাৰ্ত্তাৰ প্ৰচাৰক হৈ পৰিল।

এই অতিকৈ প্ৰিয় গীতটিত তেওঁৰ পৰিত্ৰাণৰ ব্যক্তিগত অভিজ্ঞতা আলফুলে সোমাই আছে। বিধাতাৰ এক অদ্ভূত লিখনত, এই গীতটি জনপ্ৰিয় সংগীত মহলৰ বিৰাট সাফল্যৰ তালিকাতো মাজে সময়ে সোমাই পৰে, য'ত হয়তো মানুহবিলাক ঈশ্বৰৰ আচৰিত দয়ালৈ সম্পূৰ্ণ অপৰিচিত।

কি আচৰিত দয়া প্ৰভুৰ!  
অধমে পাওঁ মুক্তি।  
হেৰাইছিলোঁ, তেওঁ পালে মোক,  
অন্ধই পালোঁ দৃষ্টি।

দয়াই শিকায় কৰিব ভয়;
দয়াই ভয় কৰে দূৰ;
দয়াৰ মূল্য গম পালোঁ মই,
হ'ল যেতিয়া বিশ্বাস মোৰ।
ঢৌ-ধুমুহা, বহু বিপদ
আহিলোঁ মই পাৰ হৈ।

দয়াই আনিছে নিৰাপদ;
দয়াত যাম ঘৰলৈ।
তাত বাস হলেও হাজাৰ বছৰ,
সূৰ্যৰ দৰেই উজ্বল;
তেও প্ৰভুৰ গুণ গাম নিৰন্তৰ,
চিৰদিন, চিৰকাল।

# ১

# আচৰিত দয়া

ঈশ্বৰৰ এটা সমস্যা হৈছিল। মানে ঠিক সমস্যা নহয়। সমস্যা *হবলৈ* মহান ঈশ্বৰ অতি বেছি শক্তিশালী আৰু জ্ঞানী। তেওঁ কেৱল সেইবোৰৰ *সমাধান* কৰে। কিন্তু আমি দেখোঁ যে মানৱ জাতিৰ বাবে এটি পৰিত্ৰাণৰ পৰিকল্পনা থিৰাং কৰিবলৈ তেওঁৰ সমস্যা হৈছিল। তেওঁৰ সমস্যা হৈছিল বুলি কওঁতে আমি কেৱল *মানৱীয় বাহ্যিক ৰূপৰ ভাষাহে* ব্যৱহাৰ কৰিছোঁ।

আমি যিহেতু এতিয়া কথাটো স্পষ্ট কৰিলোঁ, সমস্যাটো নো পিছে কি? প্ৰকৃততে ঈশ্বৰৰ দুটা মহৎ গুণৰ মাজত আপাত বিৰোধৰ পৰা ইয়াৰ উদ্ভৱ হৈছে–তেওঁৰ প্ৰেম আৰু তেওঁৰ ধাৰ্মিকতা। এহাতে, ঈশ্বৰ প্ৰেমৰ ঈশ্বৰ। তেওঁ মানুহক প্ৰৱলভাৱে প্ৰেম কৰে। তেওঁলোক তেওঁৰ শ্ৰেষ্ঠ কাৰ্য। সৃষ্টিৰ সমস্ত বিস্ময়কৰ বস্তুৰ ভিতৰত, মানৱ জাতিক লৈ তেওঁ বিশেষ ভাৱে পৰিতৃপ্ত। তেওঁ গোটেই অনন্ত কালৰ বাবে প্ৰত্যেক পুৰুষ আৰু নাৰী, ল'ৰা আৰু ছোৱালীৰ সংগ আৰু সহভাগিতা বিচাৰে।

কিন্তু এইটো কথাৰ পৰা সমস্যাৰ উদ্ভৱ হয় যে আমি সকলোৱে পাপী আৰু ঈশ্বৰ নৈতিকতাপূৰ্ণ। তেওঁ অনুমোদনৰ সৈতে পাপলৈ দৃষ্টি কৰিব নোৱাৰে। তেওঁ পাপলৈ চকু টিপিয়াই চাব নোৱাৰে, আওকাণ কৰিব নোৱাৰে বা ক্ষমা কৰিব নোৱাৰে। পাপৰ শাস্তি দিবই লাগিব আৰু পাপৰ বেচ মৃত্যু। পাপীয়ে যদি কেতিয়াবা ঈশ্বৰৰ লগত স্বৰ্গত বাস কৰিব লাগে, কিবা প্ৰকাৰে তেওঁলোকৰ পাপ গুচাব লাগিব। দণ্ড বিহিব লাগিব। ঈশ্বৰৰ লগত বাস কৰিবলৈ মানুহ শুচি আৰু পবিত্ৰ হব লাগিব।

গতিকে এয়াই হৈছে আপোনাৰ প্ৰকাণ্ড সমস্যাটো। এহাতে,

ঈশ্বৰ প্ৰেম, আৰু তেওঁৰ প্ৰেমে নিবিচাৰে যে কোনোজন ধ্বংস হওক। তেওঁ কোনোজনৰ চিৰন্তন ধ্বংস বাঞ্ছা নকৰে। প্ৰত্যেক জনে চিৰকাললৈ স্বৰ্গৰ জেউতি আৰু আনন্দ উপভোগ কৰাটো তেওঁ বিচাৰে।

কিন্তু ঈশ্বৰ পোহৰ। তেওঁৰ নৈতিকতাই দাবী কৰে যে পাপীৰ পাপৰ প্ৰতিকাৰ কৰিব লাগে। প্ৰত্যেক কুচিন্তা, কুকথা আৰু কুকৰ্মৰ বাবে তেওঁ সম্পূৰ্ণ পৰিশোধ দাবী কৰে। কোনো ক্ষমা লাভ নকৰা পাপীয়ে কেতিয়াও স্বৰ্গত প্ৰৱেশ কৰিব নোৱাৰে।

এতিয়া ঈশ্বৰে কেনেকৈ এটি পৰিত্ৰাণৰ আঁচনি উদ্ভাৱন কৰিব যিটোৱে তেওঁৰ প্ৰেমক তৃপ্ত কৰে আৰু তথাপি তেওঁৰ নৈতিকতাৰ লগত আপোচ নকৰে? একে সময়তে তেওঁ কেনেকৈ ন্যায়পূৰ্ণ ঈশ্বৰ আৰু ত্ৰাণকৰ্ত্তা হব পাৰে? তেওঁ কেনেকৈ নৈতিকতাপূৰ্ণ ঈশ্বৰ আৰু অধাৰ্মিক পাপীক ক্ষমা কৰিব পাৰে? সেইটোৱেই সমস্যা।

বিখ্যাত গ্ৰীক দাৰ্শনিক চক্ৰেটিছে এবাৰ তেওঁৰ শিষ্য প্লেটʼক কৈছিল, “হয়তো ঈশ্বৰে পাপ ক্ষমা কৰিব পাৰে, কিন্তু কেনেকৈ কৰে মই বুজি নাপাওঁ।”

## যি কোনো পৰিত্ৰাণৰ পৰিকল্পনাৰ বাবে সাতটা প্ৰয়োজনীয় বস্তু

ঈশ্বৰে যেতিয়া পতিত মানৱ জাতিক উদ্ধাৰ কৰিবলৈ সিদ্ধান্ত ললে, সেয়া এক অবৰ্ণনীয় দয়াৰ কাৰ্য আছিল। কিন্তু এবাৰ সেই সিদ্ধান্ত লোৱাৰ পাছত, তেওঁৰ প্ৰেম আৰু তেওঁৰ পবিত্ৰতাক সম্পূৰ্ণৰূপে সন্তুষ্ট কৰিব পৰা এটি পৰিকল্পনা তেওঁ উদ্ভাৱন কৰিব লগা হল। যিহেতু তেওঁ প্ৰত্যেক জনকে প্ৰেম কৰে, তেওঁৰ পৰিত্ৰাণ:

- সকলোলৈকে যাচিব লাগিব। কোনো বাদ পৰি যোৱা তেওঁ নিবিচাৰে।
- সকলোৰে বাবে পৰ্যাপ্ত হব লাগিব। সেয়ে ব্যতিক্ৰম নোহোৱাকৈ প্ৰত্যেক জন ব্যক্তিৰ প্ৰয়োজন পূৰ্ণ কৰিব লাগিব।

- এনেকুৱা হব লাগিব যিটোৰ বাবে প্ৰত্যেকজন উপযুক্ত। ভাগ লোৱাৰ পৰা কোনো পৰিমাণৰ দুৰাচাৰে যেন কাকো বাধা দিব নোৱাৰে।
- যি কোনোৱে বুজি পাবলৈ যথেষ্ট সহজ হব লাগিব। দুৰ্বোধ্য প্ৰস্তাৱ দি কোনো লাভ নাই।
- এনেকুৱা হব লাগিব যিটো যি কোনোৱে গ্ৰহণ কৰিব পাৰে। প্ৰকৃত ধৰ্মৰ এনে কোনো চৰ্ত থাকিব নালাগে যিটো কিছুমানে পূৰ্ণ কৰিব নোৱাৰে।
- মানৱীয় আত্মগৌৰৱৰ কোনো সম্ভাৱনা থাকিব নালাগে। অহংকাৰেই হৈছে মূল পাপ, আৰু স্বৰ্গত কোনো পাপ নাথাকিব। আত্মগৌৰৱক নিষিদ্ধ কৰিবলৈ, স্বৰ্গৰ বাবে প্ৰত্যেক জনৰ একে যোগ্যতা থাকিব লাগিব।
- তথাপি পৰিকল্পনাটি এনে হব লাগিব যিটো ঈশ্বৰে কোনো ব্যক্তিৰ ওপৰত তেওঁৰ ইচ্ছাৰ অহিতে জাপি নিদিয়ে।

# ২

# অদ্বিতীয় সমাধান

এই ঐশ্বৰিক দোধোৰ-মোধোৰ অৱস্থাৰ একমাত্ৰ এটাই বোধগম্য সমাধান আছে। ই প্ৰতিস্থাপন শব্দটোত নিহিত হৈ আছে। মানুহবিলাকৰ পাপৰ দণ্ড পৰিশোধ কৰিবলৈ কিবা প্ৰকাৰে এক উপযুক্ত প্ৰতিস্থাপক বিচাৰি ওলিয়াব লাগিব। আমি সৰহ ভাগেই প্ৰতিস্থাপন ধাৰণাটোৰ লগত পৰিচিত। কিছুমান ক্ৰীড়া প্ৰতিযোগিতাত প্ৰশিক্ষকজনে এজন খেলুৱৈৰ প্ৰতিস্থাপক হিচাপে অন্য এজন খেলুৱৈক খেল পথাৰলৈ পঠিয়ায়। পুৰণি নিয়মৰ সময়ত সৰ্বসাধাৰণ যিহুদী বিশ্বাসীয়ে প্ৰতিস্থাপন বুজি পাইছিল। তেওঁ যেতিয়া উৎসৰ্গাৰ বেদীলৈ এটি পশু আনিছিল আৰু পশুটিৰ মূৰৰ ওপৰত তেওঁৰ হাত থৈছিল, তেতিয়া তেওঁ মনতে তেওঁৰ পাপ এজন প্ৰতিস্থাপকলৈ স্থানান্তৰিত কৰা কল্পনা কৰিছিল যিয়ে তেওঁৰ ঠাইত মৰিব।

হয়, ঐশ্বৰিক দোধোৰ-মোধোৰ অৱস্থাটোৰ সমাধান হৈছে পাপপূৰ্ণ মানৱ জাতিৰ ঠাইত মৃত্যু বৰণ কৰিবলৈ এজন প্ৰতিস্থাপক পোৱা। কিন্তু ইয়াতো প্ৰতিস্থাপকজনে কিছুমান চৰ্ত পূৰ্ণ কৰিব লাগিব।

## প্ৰতিস্থাপকজনে পাঁচটা পৰীক্ষাত উত্তীৰ্ণ হব লাগিব

- প্ৰতিস্থাপক মানৱ হব লাগিব। অন্যথায় বিনিময় ন্যায় বা সমকক্ষ নহব।

- তেওঁ নিষ্পাপী ব্যক্তি হব লাগিব। অন্যথায় তেওঁ নিজৰ পাপৰ বাবে নিজে মৰিব লাগিব।
- তেওঁ ঈশ্বৰ হব লাগিব। কেৱল এজন *অপৰিসীম* ব্যক্তিহে অসংখ্য মানুহৰ অসংখ্য পাপৰ বাবে প্ৰায়শ্চিত্ত কৰিব পাৰিব। মানৱ জাতিৰ–অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ– সকলো পাপ আৱৰি লব পৰাকৈ প্ৰতিস্থাপকজনৰ মূল্য যথেষ্ট মহান হব লাগিব।
- তেওঁ তেওঁৰ তেজ বোৱাই দিব লাগিব, কাৰণ স্বৰ্গীয় বিধিয়ে নিৰ্দেশ দিছে যে ৰক্তপাত নকৰাকৈ পাপ ক্ষমা নহয়। তেজতে জীৱন থাকে আৰু জীৱনৰ বিনিময়ত জীৱন হব লাগিব।
- তেওঁ সন্মত হব লাগিব। অন্যথায় অধাৰ্মিক পাপীবিলাকৰ স্থানত মৰিবলৈ ঈশ্বৰে অনিচ্ছাকৃত বলিক অন্যায়ভাৱে জোৰ কৰিছে বুলি চয়তানে ঈশ্বৰক অভিযুক্ত কৰিব পাৰে।

## সকলো গণনাত যীচু যোগ্য বিবেচিত হয়

সমস্ত বিশ্বত এই চৰ্তবোৰ পূৰ্ণ কৰা একমাত্ৰ ব্যক্তিজন হৈছে যীচু খ্ৰীষ্ট'।

- তেওঁ বৈৎলেহেমত মনুষ্য হল। কুমাৰী মৰিয়মৰ গৰ্ভত জন্ম হৈ তেওঁ সিদ্ধ মনুষ্য।[১] মহান খ্ৰীষ্টিয়ান গীত ৰচক, চাৰ্লছ' ৱেছ'লিয়ে এইদৰে লিখিছিল, "সেতু বান্ধিবলৈ প্ৰতিশ্ৰুতি দি, আমাৰ ঈশ্বৰে অবোধ্যভাৱে স্ৰজিলে মনুষ্য।"
- তেওঁ ঈশ্বৰ।[২] তেওঁৰ ঈশ্বৰৰ গুণসমূহ, ঈশ্বৰৰ খিতাপবোৰ আছে, আৰু তেওঁ পিতৃ ঈশ্বৰৰ সৈতে সমান।
- তেওঁ পাপহীন। অভিলেখ অস্বীকাৰ কৰিব নোৱাৰি। তেওঁ কোনো পাপ *জনা নাছিল*, তেওঁ কোনো পাপ *কৰা নাছিল*, আৰু তেওঁত কোনো পাপ নাছিল।[৩]
- পাপীবোৰৰ বাবে প্ৰতিস্থাপক হিচাপে কালভেৰীৰ ক্ৰুচত তেওঁ তেওঁৰ তেজ বোৱাইছিল। জাক জাক মানুহে ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্টৰ তেজৰ সুযোগ গ্ৰহণ কৰিছে, যি তেজে সকলো পাপৰ পৰা শুচি কৰে।[৪]

- এই কাম তেওঁ ইচ্ছাৰে কৰিছিল যাতে পাপীবিলাকে পৰিত্ৰাণ পায়। তাত কোনো অনাগ্ৰহ নাছিল, কোনো সংকোচ নাছিল। বৰঞ্চ, তাত ঈশ্বৰৰ ইচ্ছালৈ এক আনন্দপূৰ্ণ সমৰ্পণ আছিল।[৫]

আমাৰ প্ৰতিস্থাপক হিচাপে খ্ৰীষ্টৰ সত্যতা সমস্ত বাইবেলত পোৱা যায়। যিচয়াই স্পষ্টভাৱে ঘোষণা কৰিছিল, "নিশ্চয়ে তেওঁ আমাৰ যাতনাবোৰ ললে, আমাৰ ৰোগৰ ভাৰ বলে…। আমাৰ অধৰ্মবোৰৰ নিমিত্তে তেওঁক খোঁচা হল, আমাৰ অপৰাধবোৰৰ নিমিত্তে গুড়ি কৰা হল, আমাৰ শান্তিজনক শাস্তি তেওঁৰ ওপৰত পৰিল আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হলোঁ…আৰু যিহোৱাই আমাৰ সকলোৰে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে।"[৬] যোহন বাপ্তাইজকে ৰিঙিয়াই কৈছিল, "জগতৰ পাপ নিওঁতা ঈশ্বৰৰ মেৰ পোৱালীক চোৱা!"[৭] বিস্ময়াভিভূত হৈ পাঁচনি পৌলে কৈছিল, "ঈশ্বৰৰ পুত্ৰই…মোক প্ৰেম কৰিলে, আৰু মোৰ কাৰণে নিজকে সমৰ্পণ কৰিলে।"[৮] পিতৰে তেওঁৰ সাক্ষ্যত যোগ দিছিল: "তেওঁ কাঠৰ ওপৰলৈ তেওঁৰ শৰীৰত আমাৰ পাপৰ ভাৰ বৈ নিলে।"[৯] আৰু বাদ নপৰাকৈ, প্ৰেমৰ প্ৰচাৰকে দৃঢ়তাৰে কৈছিল, "তেৱেঁই আমাৰ পাপৰ প্ৰায়শ্চিত্ত, কেৱল আমাৰেই নহয়, গোটেই জগতৰো।"[১০]

## ঈশ্বৰৰ পৰিত্ৰাণৰ পৰিকল্পনা সকলো ফালৰ পৰাই যোগ্য বিবেচিত হয়

যিহেতু প্ৰভু যীচুৱে প্ৰতিস্থাপক বলিৰ বাবে সকলো অৰ্হতা সম্পূৰ্ণৰূপে পূৰ্ণ কৰে, ঈশ্বৰে এতিয়া তেওঁৰ আশ্চৰ্যজনক পৰিত্ৰাণৰ উপায়, তেওঁৰ দয়াৰ শুভ বাতৰি ঘোষণা কৰিব পাৰে। তেওঁলোকৰ পাপৰ বাবে অনুতাপ কৰা আৰু বিশ্বাসৰ এক নিৰ্দিষ্ট কাৰ্যৰ দ্বাৰা তেওঁৰ পুত্ৰক প্ৰভু আৰু ত্ৰাণকৰ্ত্তা হিচাপে গ্ৰহণ কৰা সকলোলৈ তেওঁ পৰিত্ৰাণ বিনামূলীয়া উপহাৰ হিচাপে যাচিব পাৰে।

- মন কৰক যে এই পৰিত্ৰাণ সকলোলৈ উপলব্ধ।

শুভবাৰ্ত্তাই কৈছে, "যি কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায়।"[১১] এয়ে যদি ধনৰ ওপৰত নিৰ্ভৰ কৰিলেহেঁতেন, দৰিদ্ৰবিলাক বাদ পৰি যাব।

• ই সকলোৰে বাবে যথেষ্ট।[১২] সমস্ত জগতৰ সকলো পাপৰ বাবে প্ৰতিকাৰ কৰিবলৈ এই অপৰিসীম ত্ৰাণকৰ্ত্তাৰ মৃত্যুৰ শক্তি আছে। ই সৰ্বোচ্চ পৰিমাণে পৰ্যাপ্ত।

• ইয়াৰ বাবে প্ৰত্যেকজন যোগ্য কাৰণ প্ৰত্যেকজনেই পাপী।[১৩] যি কোনো জনকে তেওঁৰ অক্ষমতাই ঈশ্বৰৰ পৰিত্ৰাণৰ বাবে তেওঁক যোগ্য কৰে। এইটো ভাল কথা যে অনন্ত জীৱন কেৱল বুদ্ধিজীৱি, ধনী, দেখিবলৈ সুন্দৰ বা প্ৰখ্যাত লোকবিলাকৰ বাবে নহয়। আমি কিছুমানে কেতিয়াও যোগ্যতা লাভ নকৰিম। ই যদি কেনেবাকৈ কেৱল পঢ়িব, বগাব, কথা কব বা দেখিব পৰা বিলাকৰ বাবেহে হয়, কিছুমান বাদ পৰি যাব। কেৱল শুভবাৰ্ত্তাহে গোটেই জগতৰ বাবে উপযোগী।

• ই যি কোনো লোকে বুজিব পৰাকৈ সহজ। কোনো ইমান আদিম বা অশিক্ষিত নহয়। শুভবাৰ্ত্তাত প্ৰভু যীচুৱে কৈছে, "আহাঁ।"[১৪] এই বিষয়ে কোনো জটিলতা নাই। উইলিয়াম কাউপাৰে এইদৰে কৈছে, "অহ্! মানুহৰ জটিল কাৰ্যৰ পৰা কিমান বিপৰীত, স্বৰ্গৰ সহজ, সৰল, বোজাহীন পৰিকল্পনা!"

• যি কোনোৱে ইয়াক লাভ কৰিব পাৰে।[১৫] পৰিত্ৰাণ অনুতাপৰ দ্বাৰা হয়; যি কোনো লোকে তাক কৰিব পাৰে। ই বিশ্বাসৰ দ্বাৰা হয়; যি কোনো লোকে প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰিব পাৰে। তেওঁতকৈ অধিক বিশ্বাসযোগ্য কোনো নাই, আৰু প্ৰাণীয়ে তাৰ সৃষ্টিকৰ্ত্তাত ভাৰসা কৰাতকৈ অধিক যুক্তিকৰ একো নাই।

• শিষ্টাচাৰত আত্মগৌৰৱ নাথাকে। ই কয়, "সকলো পাপ ময়েই কৰিছিলোঁ। সকলো উদ্ধাৰ খ্ৰীষ্টে কৰিছিল। মই মোৰ নিজৰ যোগ্যতা নহয়, তেওঁৰ যোগ্যতা প্ৰতিপন্ন কৰোঁ। মই যি হওঁ বা মই যি কৰিলোঁ তাৰ কাৰণে স্বৰ্গত প্ৰৱেশ কৰিবলৈ মোৰ কোনো অধিকাৰ নাই। একমাত্ৰ খ্ৰীষ্টই মোৰ প্ৰৱেশপত্ৰ।" আমি যদি আমাৰ কৃতিত্ব বা আমাৰ অনুমানিত সুচৰিত্ৰৰ দ্বাৰা কেনেবাকৈ স্বৰ্গ লাভ কৰোঁ, তেতিয়া আমি আত্মগৌৰৱত লিপ্ত হব পাৰোঁ।

আৰু প্ৰত্যেক জনে আনতকৈ ভাল কৰিবলৈ চেষ্টা কৰাত, আত্মগৌৰৱৰ বিভিন্ন মাত্ৰা হব। স্বৰ্গ অবিৰাম নিজৰ সুবিধাজনক অৱস্থানৰ কৌশল, কাজিয়া, ঈৰ্ষা, সন্দেহপৰায়ণতা আৰু প্ৰতিদ্বন্দিতাৰ দৃশ্যপট হব। চ্ছাক স্মিথে ইয়াক এইদৰে বৰ্ণনা কৰিছে: "তোমালোকে তোমালোকৰ কাহিনী কোৱা শুনি মই বহি থাকিম, আৰু মনে মনে ভাবিম, 'কি যে আমনিদায়ক! মই বিচাৰোঁ তেওঁলোকে কথা কোৱা বন্ধ কৰক তেতিয়া মই তেওঁলোকক কব পাৰিম মই কিমান ভাল!'"[১৬] সেয়া স্বৰ্গ মুঠেই নহয়।

• ঈশ্বৰৰ পৰিত্ৰাণ গ্ৰহণ কৰিবলৈ মানুহক বাধ্য কৰোৱা নহয়।[১৭] সৃষ্টিকৰ্ত্তাই তেওঁক মুক্ত নৈতিক প্ৰতিনিধি কৰি সৃষ্টি কৰিছিল। আচৰিত যেন লাগিলেও, প্ৰত্যেকজনে পৰিত্ৰাণ পাবলৈ *নিবিচাৰে*। ঈশ্বৰে কাৰো ওপৰত স্বৰ্গ জাপি নিদিয়ে। তেওঁ কাকো তেওঁৰ ইচ্ছাৰ অহিতে স্বৰ্গলৈ নিনিয়ে। আপুনি নিশ্চিত হব পাৰে যে দমন, শক্তিৰ অপপ্ৰয়োগ আৰু নিষ্ঠুৰতাৰ দ্বাৰা বৃদ্ধি পোৱা কোনো ধৰ্ম প্ৰকৃত ধৰ্ম নহয়।

গতিকে আমি দেখিলোঁ যে ঈশ্বৰৰ পৰিত্ৰাণৰ পথ নিখুঁত। ঈশ্বৰৰ প্ৰয়োজনীয়তা সন্তুষ্ট কৰিবলৈ দৰকাৰী সকলো চৰ্ত ই পূৰ্ণ কৰে আৰু একে সময়তে সমস্ত মানৱ জাতিৰ বাবে উপলব্ধ। ক্ৰুচৰ ওপৰত খ্ৰীষ্টৰ কাৰ্যই ঈশ্বৰৰ ন্যায়ৰ লগত আপোচ নকৰাকৈ তেওঁৰ প্ৰেমক সম্পূৰ্ণৰূপে প্ৰয়োগ কৰিবলৈ ঈশ্বৰক সক্ষম কৰিলে। গীতমালা ৰচোঁতাই অনুভূতিপ্ৰৱণতাৰে কৈছে:

"দয়া আৰু সত্যতাই লগ লাগিছে;

ধাৰ্মিকতা আৰু শান্তিয়ে পৰস্পৰে চুমা খোৱাখুই কৰিলে।"[১৮]

ঈশ্বৰৰ চৰিত্ৰ আৰু মানুহৰ অধাৰ্মিকতাৰ পৰিপ্ৰেক্ষিতত, ই স্পষ্ট যে এয়েই পৰিত্ৰাণৰ একমাত্ৰ সম্ভাব্য উপায়। মানুহক অন্য কোনো প্ৰকাৰে উদ্ধাৰ কৰিব নোৱাৰি।

মেক্স' লুকাডোয়ে আঙুলিয়াই দিছে:

অন্য কোনো বিশ্ব ধৰ্মই তেনে বাৰ্ত্তা যচা নাই। আন সকলোৱে কঠোৰ সম্পাদন, শুদ্ধ উৎসৰ্গ, শুদ্ধ আবৃত্তি, শুদ্ধ

ক্রিয়াকর্ম, শুদ্ধ বৈঠক বা অভিজ্ঞতা দাবী কৰে। বুজাবুজি আৰু সলনা-সলনিৰ ৰাজ্য তেওঁলোকৰ। তুমি এইটো কৰা, আৰু ঈশ্বৰে তোমাক সেইটো দিব।

> পৰিণাম? হয় গৰ্ব অথবা ভয়। গৰ্ব যদি
> আপুনি ভাবে যে আপুনি সফল হল,
> ভয় যদি আপুনি ভাবে আপুনি সফল নহল।

খ্রীষ্টৰ ৰাজ্য তাৰ সম্পূৰ্ণ বিপৰীত। ই দৰিদ্রবিলাকৰ বাবে ৰাজ্য। এখন ৰাজ্য য'ত সদস্যপদ প্রদান কৰা হয়, *কিনা* নহয়। আপোনাক ঈশ্বৰৰ ৰাজ্যত স্থাপন কৰা হয়। আপোনাক 'দত্তক' লোৱা হয়। আৰু এনে ঘটে যেতিয়া আপুনি যথেষ্ট কৰে তেতিয়া নহয়, কিন্তু যেতিয়া আপুনি স্বীকাৰ কৰে যে আপুনি যথেষ্ট কৰিব *নোৱাৰে*। আপুনি ইয়াক অৰ্জন নকৰে; আপুনি কেৱল তাক গ্রহণ কৰে। ফল স্বৰূপে, গৰ্ব বা ভয়ৰ পৰা নহয়, কিন্তু কৃতজ্ঞতাৰ পৰা আপুনি সেৱা কৰে।[১৯]

জ'ন মেক'আৰ্থাৰে স্বীকাৰ কৰে যে গোটেই বিশ্বতে প্রকৃততে দুই ধৰণৰহে ধৰ্ম আছে:

মানৱ জাতি বা চয়তানে উদ্ভাৱন কৰা প্রত্যেকটো অসত্য ধৰ্ম *মানৱীয় অৰ্হতাৰ ধৰ্ম*। দেও পূজকৰ ধৰ্ম, মানৱতাবাদ, গছ-গছনি পূজা, আৰু আন কি ভুৱা খ্রীষ্ট' ধৰ্ম সকলো এই শ্রেণীত পৰে। ধাৰ্মিকতা লাভ কৰিবলৈ বা দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ মানুহে কি কৰিব লাগে সেইবোৰে তাৰ ওপৰত মনোযোগ দিয়ে।

একমাত্র বাইবেল-সম্বন্ধীয় খ্রীষ্ট ধৰ্মহে *ঐশ্বৰিক সাধনৰ ধৰ্ম*। অন্য ধৰ্মবোৰে কয়, "এইটো কৰা।" খ্রীষ্ট ধৰ্মই কয়, "সিদ্ধ হল" (যোহন ১৯:৩০)। অন্য ধৰ্মসমূহক লাগে যে ভক্তিপৰায়ণ ব্যক্তিজনে পাপৰ প্রায়শ্চিত্ত কৰিবলৈ, দেৱতাক পৰিতৃপ্ত কৰিবলৈ, বা নহলে গ্রহণযোগ্যতাৰ লক্ষ্যত উপণীত হবলৈ কোনো ধৰণৰ অৰ্হতা যোগাওক। শাস্ত্রই কয় বিশ্বাস কৰ পাপীজনৰ হৈ খ্রীষ্টৰ যোগ্যতা যোগোৱা হৈছে।[২০]

স্পাৰ্জ্জনে সুধিছে:

*ন্যায়পূৰ্ণ শাসনকৰ্ত্তাই অসংগত বিদ্ৰোহীৰ বাবে মৃত্যু বৰণ* কৰাৰ কথা কোনে ভাবিলেহেতেন বা ভাবিব পাৰিলেহেতেন? এয়া কোনো মানৱ উপাখ্যান, বা অনুভূতিপ্ৰৱণ কল্পনাৰ স্বপ্নৰ শিক্ষা নহয়। প্ৰায়শ্চিত্তৰ এই পদ্ধতি মানুহৰ মাজত জনাৰ একমাত্ৰ কাৰণ হৈছে যে ই সত্য কথা। কল্পিত কাহিনীয়ে ইয়াৰ উদ্ভাৱন কৰিব নোৱাৰিলেহেতেন। স্বয়ং ঈশ্বৰে ইয়াক নিৰ্ধাৰণ কৰিছিল। ই কল্পনা কৰি ওলিয়াব পৰা বিষয় নহয়।[২১]

# ৩

# এতিয়া শুভ বাতৰিটো

কার্যৰ উপৰি দয়াৰ দ্বাৰা পৰিত্ৰাণৰ বিষয়টোৰ ওপৰত বোধকৰো বাইবেলত আটাইতকৈ স্পষ্ট পদকেইটা হৈছে ৰোমীয়া ৪:৪-৫:

কর্মকাৰীৰ বেচ, অনুগ্ৰহ বুলি গণিত নহয়, পাওনা বুলিহে গণিত হয়।
কিন্তু যি জনে কর্মকাৰী নহৈ, ঈশ্বৰ-ভক্তহীনক ধার্মিক বুলি গণিত কৰা জনাত বিশ্বাস কৰে, তেওঁৰ সেই বিশ্বাস ধার্মিকতাৰ অর্থে গণিত হয়।

এই পদকেইটাত তলত উল্লেখিত সত্যবোৰ মন কৰক:

যেতিয়া এজন মানুহে কাম কৰে আৰু তেওঁৰ বেতন পায়, তেওঁ মাত্ৰ নিয়োগকৰ্ত্তাৰ পৰা পাওনাখিনিহে লাভ কৰে। ই ঋণ, দয়া নহয়। ঈশ্বৰৰ পৰিত্ৰাণৰ লগত এনেকুৱা নহয়। আচৰিত যেন লাগিলেও, ঈশ্বৰে কর্ম নকৰা বিলাকক উদ্ধাৰ কৰে, অর্থাৎ, যিবিলাকে পৰিত্ৰাণ অর্জন কৰিবলৈ চেষ্টা নকৰে বা পৰিত্ৰাণ পাবৰ যোগ্য নহয় কিন্তু তাক বিনামূলীয়া উপহাৰ হিচাপে লাভ কৰে। কর্ম কৰিবলৈ এৰাৰ দ্বাৰাইহে এজন ব্যক্তিয়ে ঈশ্বৰৰ বিশ্ৰামত প্ৰৱেশ কৰিব পাৰে।[২২]

আন এটি আশ্চর্যজনক কথা হল যে কেৱল অধার্মিক মানুহকহে তেওঁ উদ্ধাৰ কৰে। ভাল মানুহক নহয়, যিসকলে

তেওঁলোকৰ সৰ্বোত্তম কাৰ্য কৰে তেওঁলোকক নহয়, কিন্তু সেই মানুহবিলাকক যিবিলাকে স্বীকাৰ কৰিবলৈ আগ্ৰহী যে তেওঁলোক অধাৰ্মিক। আন কথাত, যিবিলাকে অনুতাপ কৰে সেই মানুহবিলাকক।

আৰু "বিশ্বাস" শব্দটোলৈ মনোযোগ দিয়ক। সেইটোৱেই নিৰ্ণায়ক শব্দ। বিশ্বাস কৰাৰ অৰ্থ হৈছে যীচু খ্ৰীষ্টক প্ৰভু আৰু ত্ৰাণকৰ্ত্তা হিচাপে গ্ৰহণ কৰা। ইয়াৰ অৰ্থ হৈছে তেওঁৰ পাপৰ শাস্তি বহন কৰা জনা বুলি তেওঁক গ্ৰহণ কৰা। ইয়াৰ অৰ্থ হৈছে স্বৰ্গৰ নিমিত্তে একমাত্ৰ আশা বুলি তেওঁৰ ওপৰত নিৰ্ভৰ কৰা। শাস্ত্ৰৰ সংগতিপূৰ্ণ সাক্ষ্য হৈছে যে খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰা পৰিত্ৰাণ প্ৰাপ্ত হয়।[২৩]

এজন মানুহে যেতিয়া তেওঁত বিশ্বাস কৰে, তেওঁ পৰিত্ৰাণ পায়। আৰু নিজৰ অনুভৱৰ দ্বাৰা নহয়, কিন্তু ঈশ্বৰৰ অব্যৰ্থ বাক্যৰ দ্বাৰা তেওঁ এই কথা জানিব পাৰে।

## শুদা হাতেৰে আহক

পৰিত্ৰাণ পাবলৈ, এজন ব্যক্তিয়ে কেৱল নিজক ৰক্ষা কৰাৰে নহয়, কিন্তু আন কি তেওঁৰ নিজৰ পৰিত্ৰাণলৈও কিবা বৰঙণি যোগোৱাৰ যি কোনো আশা ত্যাগ কৰিব লাগিব। এই বিষয়টো কেইবা জনো গীত ৰচকে ভালদৰে ব্যক্ত কৰিছে। উদাহৰণ স্বৰূপে টপলেডীৰ প্ৰখ্যাত "সৰ্ব যুগৰ শিলা" গীতটিকে লওক:

কৰ্ম মোৰ অসমৰ্থ  
কৰিবৰ বিধান সিদ্ধ।  
অশেষ চেষ্টা কৰিলেও,  
চকুলোৰ নদী বলেও,  
একোতেই পাপ নখণ্ডে।  
ৰক্ষা কৰা, তুমিহে।  
হাতত নাই একো সম্বল,  
আশ্ৰয় মোৰ ক্ৰুচেই কেৱল।

উলঙ্গ – বস্ত্র পাবলৈ,
দীনহীন – সহায় পাবলৈ,
অশুচি – যাওঁ তোমালৈ,
ধোৱা মোক যেন নমৰোঁ।

জে· প্ৰক্টৰে আমাক সোঁৱৰাই দিয়ে যে খ্ৰীষ্টে আমাৰ মুক্তিৰ বাবে কাৰ্য শেষ কৰিলে:

ভাগৰুৱা, কৰ্মত লিপ্ত, বোজাত হাওলি যোৱা জন,
কিহৰ বাবে ইমান শ্ৰম কৰা তুমি ?
ওৰ পেলোৱা তোমাৰ কৰ্মৰ; বহু দিনৰ আগতেই
কৰা হৈছিল সকলো।
সাধাৰণ বিশ্বাসৰ দ্বাৰা যীচুৰ কৰ্মত তুমি লাগি
নথকালৈকে,
"কৰ্ম কৰা" মাৰাত্মক বস্তু – মৃত্যুত অন্ত হয় "কৰ্ম"।
যীচুৰ চৰণত ৰাখা তোমাৰ মাৰাত্মক "কৰ্ম";
কেৱল তেওঁত, তেওঁতেই হোৱা থিয়, মহিমামণ্ডিত
সম্পূৰ্ণ।
"সিদ্ধ হল!" হয়, সঁচাই, প্ৰতিটো ক্ষুদ্ৰ কণিকা সমাপ্ত;
হে পাপীজন, কেৱল এয়ে তোমাৰ প্ৰয়োজন, নহয় নে,
মোক কোৱাচোন ?

# ৪

# ঈশ্বৰৰ বিস্ময়কৰ দয়া

আচৰিত দয়া! আমি এই বিষয়ে গীত গাওঁ, কিন্তু ইয়াৰ অৰ্থ কি আমি জানোঁ নে?

প্ৰথমতে, দয়া কি? আমি এই বুলি কৈ আৰম্ভ কৰিব পাৰোঁ যে ই আমাৰ প্ৰতি ঈশ্বৰৰ কৃপা। কিন্তু ই তাতোকৈ অধিক। ই তেওঁৰ *যোগ্যবিহীন* কৃপা। এতিয়া আমি আৰু এখোজ আগুৱাই যাওঁ। একেবাৰে বিপৰীতৰ যোগ্য হোৱা বিলাকৰ প্ৰতি এয়া তেওঁৰ যোগ্যবিহীন কৃপা! এয়া তেওঁৰ জুখিব নোৱাৰাকৈ গভীৰ দয়া আৰু উদাৰতাৰ সমুদ্ৰ।

*দয়া* আৰু *উপহাৰ* শব্দ দুটা ঘনিষ্ঠ সম্বন্ধৰ। দয়া এক উপহাৰ আৰু সেই কাৰণত তাক অৰ্জন কৰিব বা তাৰ যোগ্য হব নোৱাৰি। যি মুহূৰ্ত্ততে আপুনি কোনো পাওনা বা যোগ্যতাৰ ধাৰণা সুমাই দিয়ে, আপুনি দয়া আঁতৰ কৰে। ঈশ্বৰৰ দয়াৰ উপহাৰ ইমান বিশাল অনুপাতৰ যে তাক কেতিয়াবা পৰিশোধ কৰাৰ যি কোনো ভাব সম্পূৰ্ণৰূপে বহিস্কাৰ কৰা হয়। ই অনিৰ্বচনীয় আৰু দুৰ্বোধ্য।

এতিয়া সত্য শুভবাৰ্ত্তা হৈছে কেৱল বিশ্বাসৰ যোগেদি দয়াৰ দ্বাৰা পৰিত্ৰাণ।[২৪] দয়াৰ অৰ্থ হৈছে আপুনি তাৰ যোগ্য নহয়। বিশ্বাসৰ অৰ্থ হৈছে আপোনাৰ ইচ্ছাৰ এক নিশ্চিত কাৰ্যৰ দ্বাৰাই আপুনি তাক লাভ কৰিব লাগিব। দয়া বুজি

নাপালে কোনেও কেতিয়াও শুভবাৰ্ত্তাক প্ৰকৃততে বুজি নাপায়।

ঈশ্বৰৰ দয়া অপূৰ্ব। ই এজনী অনুতপ্ত বেশ্যাক লৈ তাইক ক্ষমা আৰু শুচি কৰিব পাৰে, তাইক এজনী নতুন নাৰী কৰিব পাৰে আৰু অনন্ত মহিমাত যীচুৰ সংগী হবলৈ তাইৰ ভাগ্য নিৰ্ণয় কৰিব পাৰে। ই এজন মৃত্যুমুখী চোৰক লৈ, তাৰ জীৱনৰ শেষ মুহূৰ্ত্তত তাক ৰক্ষা কৰিব পাৰে, আৰু সেই দিনাই তাক স্বৰ্গলৈ লগত লৈ যাব পাৰে।

দয়াই সলনি হোৱা হত্যাকাৰী, যৌন পিশাঁচ, সুৰাসক্ত লোক, চোৰ আৰু মিছলীয়াৰে স্বৰ্গ ভৰাই পেলায়। কোনো পাপীয়েই ইয়াৰ উদ্ধাৰ কৰিব পৰা শক্তিৰ বাহিৰত নহয়।

দয়াই লাখ লাখ লোকক ভয়ংকৰ গাঁত আৰু পিটনিৰ বোকাৰ পৰা তুলিছে; তেওঁলোকৰ ভৰি শিলৰ ওপৰত ৰাখি তেওঁলোকৰ পথ স্থাপন কৰিছে; তেওঁলোকে ঈশ্বৰৰ গৌৰৱ প্ৰশংসা কৰিবলৈ তেওঁলোকৰ হৃদয়ত গান ৰাখিছে; আৰু অৱশেষত পিতৃৰ গৃহৰ অনেক প্ৰাসাদলৈ তেওঁলোকক লৈ গৈছে।[২৫]

অক্সফ'ৰ্ড (আৰু কেম'বিং জৰ) অধ্যাপক চি·এচ'· লুইচে কৈছে যে সমস্ত ইংলেণ্ডৰ আটাইতকৈ অনিইচ্ছুক ধৰ্মান্তৰিত লোক যি তেওঁ, তেওঁ যেতিয়া ভৰি মাৰি আৰু চিঞৰি আছিল, তেতিয়া প্ৰভুৱে কেনেকৈ তেওঁক অতিক্ৰম কৰিছিল। তাৰ পাছত তেওঁ লগতে কৈছে, "কোনে সেই [দয়াক] যথোচিতৰূপে ভক্তি কৰিব পাৰে যি ভক্তিয়ে ভৰি মাৰি, যুঁজি থকা, আক্ৰোহী, আৰু পলাবলৈ সুযোগ বিচাৰি প্ৰত্যেক দিশে দৃষ্টি ঘূৰাই ফুৰা এজন অপৰাধীলৈ উচ্চ প্ৰৱেশদ্বাৰ খুলি দিব ?"[২৬]

গীত ৰচোঁতা হেল্ড'ৰ লিল্লেনাছে ঠিক কথাই কৈছিল যেতিয়া তেওঁ লিখিছিল যে যীচুৰ আচৰিত দয়া "আমাৰ পাপৰ

অৱধিতকৈ বহল, আমাৰ সকলো পাপ আৰু অপৰাধবোধতকৈ বহু গুণে বিশাল।"

প্ৰত্যেক সত্য বিশ্বাসীয়ে প্ৰায়ে কবলৈ বাধ্য হয়, "মই নাজানোঁ প্ৰভুৱে কিয় মোলৈ দয়া দেখুৱালে। তেনে কৃপাৰ মই নিশ্চয়ে যোগ্য নহওঁ। তেওঁ মোৰ বাবে দিয়া মূল্য নিশ্চিতভাৱে অতিশয় বেছি।"

দয়াই ন্যায্যতা আৰু যুক্তি অতিক্ৰম কৰে, কিন্তু সেইবোৰ লংঘন নকৰে। ন্যায্যতাই মেৰ ৰখীয়াক কেতিয়াও মেৰৰ কাৰণে, বিচাৰকক দোষীৰ বাবে মৰিবলৈ নিদিব, অথবা – আটাইতকৈ অবিশ্বাস্য, সৃষ্টিকৰ্ত্তাক জীৱৰ কাৰণে মৰিবলৈ নিদিব। যুক্তিয়ে দৃঢ়তা প্ৰকাশ কৰিব যে পাপীয়ে তাৰ পাপৰ কাৰণে মৰক, বিধি ভংগ কৰাৰ শাস্তি সম্পন্ন হওক। দয়াই অভাৱনীয় কাৰ্য কৰে।

কোনোবাই দয়াৰ অসাধাৰণতাক এইদৰে বৰ্ণনা কৰিছে: "দয়াই ভাল লোকক বিচাৰি নুফুৰে যাক ই সমৰ্থন কৰিব পাৰে, কাৰণ সজ গুণক সমৰ্থন কৰিবলৈ দয়া নহয় কিন্তু ন্যায়ৰহে প্ৰয়োজন; কিন্তু ই জগৰীয়া, দোষী, বাকৰুদ্ধ আৰু অসহায় লোকক বিচাৰি ফুৰে যাক ই ৰক্ষা কৰিব, শুচি কৰিব আৰু গৌৰৱান্বিত কৰিব পাৰে।"

## কৃপাতকৈ দয়া উত্তম

যেতিয়া এজন জগৰীয়া অপৰাধীয়ে হ্ৰাস কৰা দণ্ডাজ্ঞা পায়, আমি কওঁ যে বিচাৰকে তেওঁক কৃপা দেখুৱালে। মৃত্যুদণ্ডৰ সলনি কাৰাদণ্ড কৃপাৰ কাৰ্য হব। দোষীয়ে পাবৰ যোগ্য প্ৰতিফল নাপায়।

দয়া তাতোকৈ উত্তম। ই দোষী পাপীক খালাচ কৰে। শেষ সিদ্ধান্ত হিচাপে ই তেওঁলৈ ধাৰ্মিকতা প্ৰদান কৰে। ই আইনৰ জগৰীয়া কৰা মাতক নিস্তব্ধ কৰে...

## ন্যায়তকৈ দয়া উত্তম

দয়া আৰু ন্যায় সম্পূৰ্ণ বিপৰীত। এজন মানুহে ন্যায় বিচাৰে যেতিয়া তেওঁ কয়, "মই ভাল মানুহ আৰু মই যিহৰ যোগ্য তাকেই মই বিচাৰোঁ।" তেওঁ নৰকৰ যোগ্য। ঈশ্বৰক কেতিয়াও ন্যায় নুখুজিব!

দয়াই কয়, "মই দোষী, কিন্তু মই বিশ্বাস কৰোঁ মোৰ পাপৰ দণ্ড লবলৈ খ্ৰীষ্ট্ মৰিল, আৰু মই তেওঁক প্ৰভু আৰু ত্ৰাণকৰ্ত্তা হিচাপে গ্ৰহণ কৰোঁ। মই অনন্ত জীৱনৰ যোগ্য নহওঁ কিন্তু ঈশ্বৰৰ পৰা বিনামূলীয়া উপহাৰ হিচাপে মই তাক গ্ৰহণ কৰোঁ।"

ন্যায় আৰু দয়াৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰিবলৈ যীচুৱে এটা দৃষ্টান্ত দিছিল।[২৭] এজন খেতিয়কক তেওঁৰ দ্ৰাক্ষাবাৰীৰ বাবে বনুৱাৰ প্ৰয়োজন হৈছিল। ৰাতিপুৱাতে কিছুমান মানুহে এক আধলিৰ বাবদ গোটেই দিন কাম কৰিবলৈ যাচিলে। সেই পৰিমাণৰ নিমিত্তে সিহঁতে তেওঁৰ লগত এটি নিৰ্দিষ্ট চুক্তি কৰিলে।

দিনটোৰ ভিতৰত তেওঁ অন্য কিছুমানক কামত লগাইছিল, সিহঁতে তেওঁৰ যি মন যায় সিহঁতক দিব এই চুক্তিত কাম কৰিবলৈ সন্মত হৈছিল।

দিনটোৰ অন্তত, প্ৰথম বনুৱাবোৰে সিহঁতৰ এক আধলি পালে। অন্য সকলোৱে একে পৰিমাণ পালে—কিন্তু সেয়া *প্ৰতি ঘন্টা* হিচাপত বেছি আছিল। প্ৰথম মানুহ কেইজনে ন্যায় পালে। আনবিলাকে দয়া পালে। দয়া ন্যায়তকৈ উত্তম।

## দয়া বিধিতকৈ উত্তম নীতি

বিধিয়ে এজন ব্যক্তিক কয় নৈতিকতাপূৰ্ণ স্থিতি লাভ কৰিবলৈ তেওঁ কি কৰিব লাগিব। দয়াই ঈশ্বৰৰ আগত

তেওঁক নৈতিকতাপূৰ্ণ স্থিতি দিয়ে, তাৰপাছত তাৰ যোগ্য হৈ চলিবলৈ তেওঁক কয়।

বিধিয়ে কয়, "ইয়াকে কৰা আৰু তুমি জীয়াই থাকিবা।" দয়াই কয়, "জীয়াই থাকা আৰু তুমি ইয়াকে কৰিবা।"

বিধিয়ে কয়, "চেষ্টা কৰা আৰু মানি চলা।" দয়াৰ ভাষা হৈছে, "বিশ্বাস কৰা আৰু মানি চলা।"

বিধিয়ে কি কৰিব লাগে আপোনাক কয় কিন্তু তাক কৰিবলৈ আপোনাক শক্তি নিদিয়ে, আৰু নকৰিলে আপোনাক অভিশাপ দিয়ে। দয়াই কি কৰিব লাগে আপোনাক শিকায়, তাক কৰিবলৈ আপোনাক শক্তি দিয়ে, আৰু আপুনি কৰিলে আপোনাক পুৰস্কৃত কৰে। গতিকে বিধিয়ে শাস্তিৰ ভাবুকি বহন কৰে, আনহাতে দয়াই পুৰস্কাৰৰ প্ৰতিশ্ৰুতি বহন কৰে।

বিধিয়ে সৰ্বশ্ৰেষ্ঠক শাস্তি বিধান কৰে, কাৰণ আন কি সৰ্বশ্ৰেষ্ঠয়ো দহ আজ্ঞা পূৰণ কৰিব নোৱাৰে। দয়াই নিকৃষ্টতমজনকো দোষমুক্ত কৰে।

বিধিয়ে পাপ প্ৰকাশ কৰে। দয়াই পাপ গুচায়।

বিধিয়ে অহংকাৰক উদগায়। দয়াই অহংকাৰক নিলগাই ৰাখে।

বিধিয়ে কয়, "তুমি কৰিবই লাগিব…তুমি কৰিবা…তুমি নকৰিবা।" দয়াই কয়, "তুমি কৰা উচিত…তুমি কৰাটো সমীচীন হব।"[২৮] এটাই মই কি কৰিব লাগে কয়; আনটোৱে মোৰ নতুন প্ৰকৃতিয়ে কি কৰিব বিচাৰে তাক কয়।

বিধিৰ অধীনত কৰ্ম কেতিয়াও শেষ নহয়। দয়াই সেই জনাৰ কথা কয় যি জনাই সেই কাম শেষ কৰিলে।

বিধিয়ে দাবী কৰে, "তুমি প্ৰেম কৰিবা…।" দয়াই ঘোষণা কৰে, "ঈশ্বৰে ইমান প্ৰেম কৰিছিল…।"

বিধিয়ে মানুহৰ ওপৰত গধুৰ বোজা জাপি দিয়ে। দয়াৰ বোজা পাতল। বিধি হৈছে দাসত্বৰ পদ্ধতি, দয়া স্বাধীনতাৰ পদ্ধতি। ই হৈছে হেঁচা আৰু বিশেষাধিকাৰৰ মাজৰ পাৰ্থক্য।

বিধিত কোনো দয়া নাই। ই শীতল, কঠোৰ আৰু অনমনীয়। দয়াই কৃপাত সমৃদ্ধ এজনা ঈশ্বৰৰ কথা কয়।

৫

# কেনেকৈ দয়াৰ মৰ্ম উপলব্ধি কৰিব

চাৰিটা মহৎ তথ্য বুজি নোপোৱালৈকে কোনেও কেতিয়াও দয়াৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰিব: যীচু কোন; তেওঁ কি কৰিছিল; কাৰ বাবে তাক কৰিছিল; আৰু লাভ কৰোঁতাজনৰ বাবে ইয়াৰ অৰ্থ কি।

## যীচু কোন

তেওঁ আমাৰ নিচিনা সামান্য মানৱ নহয়, বৰঞ্চ…

শক্তিমান ঈশ্বৰ যি জনাই বৰ্ণনাতীত বিস্ময়কৰ বস্তুৰে আকাশ মণ্ডল ভৰাই পেলাইছিল।

আমাৰ শৰীৰৰ হাজাৰ হাজাৰ অংশ ৰূপাংকন কৰা আৰু আমাৰ মনত জ্ঞান ভৰোৱা সৃষ্টিকৰ্ত্তা। তেওঁৰ দ্বাৰা সকলো বস্তু বৰ্তি থাকে আৰু গঠিত হয়।

সাৰ্বভৌম ৰজা যি জনাৰ সকলো ক্ষমতা, সকলো জ্ঞান আছে, আৰু যি জনা একে সময়তে সকলোতে উপস্থিত আছে।

পবিত্ৰ জনা যাৰ্লৈ পাপ সম্পূৰ্ণৰূপে আচহুৱা।

সমস্ত অনাদি কালৰ পৰা যি জনা গৌৰৱ, মহত্ত্ব, সন্মান, সকলো বাঞ্ছিত বিষয়ত চহকী আছিল। তেওঁৰ উপস্থিতিত দূতবিলাকে মুখ ঢাকে। তেওঁ নিজ হাতৰ তলুৱাত জলৰাশি ধৰি ৰাখে, তেওঁ হাতৰ বেগেতৰ দ্বাৰা আকাশ মণ্ডল জুখে, আৰু

দোনেৰে পৃথিৱীৰ ধূলি জুখে। তেওঁ তৰ্জুৰে পৰ্বতবোৰ আৰু তুলাচনীৰে পাহাৰবোৰ জুখে।[২৯]

তেনে এজনাই আমাত আগ্ৰহী হোৱাৰ আমি যোগ্য নহওঁ।

## তেওঁ কি কৰিছিল

কাৰণ অবিহনে আৰু আমি কোনো সময়ত কি কৰিম বা হম সেই সকলোৰ সম্পূৰ্ণ জ্ঞানেৰে তেওঁ আমাক প্ৰেম কৰিলে।

য'ত তেওঁ বৃহৎ সংখ্যক পবিত্ৰ দূতৰ আৰাধনাৰ পাত্ৰ আছিল, সেই স্বৰ্গৰ মহিমা তেওঁ এৰি থৈ আহিল, গোহালি-ঘৰৰ দুৰ্গন্ধৰ মাজত জন্ম লভিবলৈ। "চোৱা দানাপাত্ৰত শুই আছে যি জনাই সৃষ্টি কৰিছিল তাৰকামণ্ডিত আকাশ।"

মানৱ জাতিৰ জাবৰ আৰু বোকাৰ মাজলৈ নামি আহি, তেৱেঁই সৃষ্টি কৰা প্ৰাণীবোৰৰ পৰা তেওঁ সকলো ধৰণৰ দুৰ্ব্যৱহাৰ সহ্য কৰিলে। ঈশ্বৰৰ পুত্ৰই তেওঁৰ মুখ মানুহৰ লেতেৰা থুইৰে ভৰাই পেলাবলৈ দিয়া কল্পনা কৰক। তেওঁ মাতালবিলাকৰ গান হৈ পৰাৰ কথা ভাবক। কোনেও কেতিয়াও ভোগ নকৰা পীড়া তেওঁ সহন কৰিলে। তেওঁক আঘাতিত, থেতেলা আৰু খোঁচা হল। তেওঁৰ পিঠি হাল বোৱা পথাৰৰ নিচিনা, আৰু তেওঁৰ মুখমণ্ডল চিনিব নোৱাৰা নোহোৱালৈকে তেওঁক মৰা হল। তেওঁৰ নিৰ্যাতনকাৰীবোৰে তেওঁৰ গালৰ পৰা দাড়ি উঘালিলে। তেওঁৰ সকলো হাড় জোৰাৰ পৰা সজোৰে টানি পেলোৱা হল। গ্ৰাহাম কেন্দ্ৰিকে লিখাৰ দৰে, "যি হাতে মহাকাশলৈ তৰাবোৰ দলিয়াই পঠাইছিল সেই হাতে সমৰ্পণ কৰিলে নিষ্ঠুৰ গজাললৈ।"

কিন্তু ঈশ্বৰৰ পুত্ৰক তেওঁৰ পিতৃয়ে পৰিত্যাগ কৰাৰ লগত তুলনা কৰিলে এই আটাইবোৰ *একোৱেই* নাছিল। তেওঁ যেতিয়া প্ৰাৰ্থনা কৰিছিল, স্বৰ্গ যেন মৃত আছিল। আমি হয়তো কেতিয়াও বুজি নোপোৱাৰ ধৰণে, ঈশ্বৰে আমাৰ পাপৰ ঋণ তেওঁৰ সুন্দৰ পুত্ৰৰ ওপৰত ৰাখিছিল, আৰু তাৰপাছত প্ৰভু যীচুৱে সেই ঋণ সম্পূৰ্ণৰূপে পৰিশোধ নকৰালৈকে তেওঁৰ ক্ৰোধৰ প্ৰবল ধাৰা বোৱাই দিছিল।

আনে কৰা পাপৰ শাস্তি ভুগি আৰু তাৰ বিনিময়ত একো

আশা নকৰাকৈ, তেওঁ প্ৰতিকল্প হিচাপে মৃত্যু বৰণ কৰিছিল। সেই পুৰণি নিষ্ঠুৰ ক্ৰুচত "য'ত মৰিল প্ৰভু মোৰ, পাপীৰ বাবে হ'ল তেওঁ বলিদান।"

বিস্ময়তকৈও বিস্ময়কৰ! বিপুল আশ্চৰ্য!
ইয়াতকৈ কি হব পাৰে বৃহৎ বিস্ময়
যে যি জনাই সৃষ্টি কৰিছিল তাৰকামণ্ডিত আকাশ
মোৰ বাবে এবাৰ মৰিছিল তেজ বোৱাই।
আমাৰ সকলো ভাবনা বিভ্ৰান্ত কৰা,
আশ্চৰ্য, সচকিত কৰি তোলা বলিদান!
অদ্ভুত, বিস্ময়কৰ কিনি লোৱা মূল্যৰে
কিনিলে আমাৰ মুক্তি!

\- অজানিত লিখক

জে· অ'· ছেণ্ডাৰ'ছে লিখিছিল যে "সৰ্ব কালৰ সৰ্বশ্ৰেষ্ঠ জ্ঞানী বুদ্ধিজীৱিসকলে ক্ৰুচত খ্ৰীষ্টৰ মৃত্যুৰ অভ্যন্তৰীণ অৰ্থ অন্বেষণ কৰিছে, কিন্তু সকলোৱে তাৰ অপৰিসীম গভীৰতা নিৰ্ণয় কৰিবলৈ অপাৰগ হৈছে। পৌলৰ দৰে, হতবুদ্ধিৰ আৰ্তনাদেৰে তেওঁলোকে কৰি আহিছে: 'ঈশ্বৰৰ জ্ঞান আৰু বুদ্ধিৰূপ ধন কেনে দ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য! আৰু তেওঁৰ পথ অনুসন্ধান কৰা কেনে অসাধ্য!' (ৰোমীয়া ১১:৩৩)।"

হেৰ'ল্ড ছেইন্ট জ'নে কৈছিল যে খ্ৰীষ্টৰ ক্ৰুচত দেখা যোৱা ঈশ্বৰৰ দয়াই আমালৈ একো অৰ্থ নকৰে যেতিয়ালৈকে সেয়ে আমাৰ শ্বাস ৰুদ্ধ কৰি নেপেলায় আৰু আমাৰ জীৱনত সৰ্বোত্তম বস্তু হৈ নপৰে। "যীচুৱে আমাৰ হৈ মৃত্যুদণ্ড ভুগিলে··· । সৌৱা ক্ৰুচৰ ওপৰত তেওঁ ওলমি আছে! এয়া আপুনি দেখাৰ ভিতৰত আটাইতকৈ মহান দৃশ্য: ঈশ্বৰৰ পুত্ৰ আৰু মানুহৰ পুত্ৰ! তাতেই তেওঁ ওলমি আছে, অবৰ্ণনীয় কষ্ট সহ্য কৰি—ন্যায্যহীনৰ বাবে ন্যায়পূৰ্ণজনে—যাতে তেওঁ আমাক ঈশ্বৰলৈ আনিব পাৰে।"

"অহ্, সেই দৃশ্যৰ মহিমা! নিৰ্দোষীয়ে কষ্ট ভোগ কৰিছে! পবিত্ৰ জনাক দণ্ড বিহা হৈছে! সদায় আশীৰ্বাদ কৰা জনাই অভিশাপ দিলে! অপৰিসীমভাৱে গৌৰৱময় জনাক লজ্জাজনক মৃত্যু দিয়া হল!"৩০

ত্ৰাণকৰ্ত্তাই যি জঘন্য আচৰণ পাইছিল তাক পোৱাৰ তেওঁ

যোগ্য নাছিল। তেওঁ যি বৃহৎ মূল্য দিলে তাৰ আমি যোগ্য নাছিলোঁ। সেয়া অতিশয় বেছি আছিল। আমি যদি গোটেই বিষয়টো সম্পূৰ্ণৰূপে উপলব্ধি কৰিব পাৰোঁ, "কৃতজ্ঞতাত আমাৰ হৃদয় জাহ যাব আৰু চকুলোৱে আমাৰ চকু গলি যাব।"

দয়াৰ মহান গভীৰতাত বুৰি,
ইয়াত পৰিপূৰ্ণ হৃদয়ে মাথো পাৰে চকুলো টুকিব।

অৱশ্যে, তেওঁৰ মৃত্যুৰেই কাহিনীৰ অন্ত নহয়। তিনি দিনৰ পাছত তেওঁ মৃতবিলাকৰ মাজৰ পৰা উঠিল। তেওঁ নুঠা হলে, তেওঁৰ মৃত্যু অন্য কোনো লোকৰ মৃত্যুৰ পৰা বেলেগ নহলহেতেন। কিন্তু ই বেলেগ আছিল। পুনৰ আৰু নমৰিবলৈ মৃত্যুৰ পৰা উঠা তেৱেঁই প্ৰথম আছিল। গৌৰৱময় শৰীৰত পুনৰুত্থিত হোৱা তেৱেঁই প্ৰথম আছিল। তেওঁৰ পুনৰুত্থানে তেওঁক শক্তি থকা ঈশ্বৰৰ পুত্ৰ বুলি প্ৰদৰ্শন কৰিলে। এয়ে প্ৰমাণ কৰিলে যে ক্ৰুচত তেওঁৰ কাৰ্যৰ লগত ঈশ্বৰ সম্পূৰ্ণ সন্তুষ্ট হৈছিল। আৰু এয়ে অংগীকাৰ আছিল যে তেওঁত বিশ্বাস কৰা সকলোৱে, ঠিক তেওঁৰ পুনৰুত্থিত শৰীৰৰ দৰে, মৃতবিলাকৰ মাজৰ পৰা গৌৰৱময় শৰীৰত পুনৰায় উঠিব।

## কাৰ বাবে তেওঁ এই কাৰ্য কৰিছিল

আমি অধাৰ্মিক পাপী, অকৃতজ্ঞ দুৰ্ভগীয়া, আৰু অযোগ্য মেৰুদণ্ডহীন মানুহ আছিলোঁ।

আমি বিনষ্ট, অসহায় আৰু আশাহীন আছিলোঁ।

আমি নৰকৰ অতিকৈ যোগ্য আছিলোঁ।

আমাৰ বিষয়ে একো মৰম-লগা নাছিল।

আমি প্ৰভুৰ লগত কোনো সম্পৰ্ক বিচৰা নাছিলোঁ। কোনো স্বৰ্গীয় বৰ ভাতৃয়ে আমাৰ জীৱন চলোৱাটো আমি বিচৰা নাছিলোঁ।

আমাৰ সৰ্বোত্তম অৱস্থাত, আমাৰ ধাৰ্মিকতা লেতেৰা ফটাকানিৰ নিচিনা আছিল। আমাৰ নিকৃষ্টতম অৱস্থাত, আমি আমাৰ ঈশ্বৰক হত্যা কৰিবলৈ সক্ষম আছিলোঁ। ভাববাদীজনে ঠিকেই কৈছিল যে মানুহৰ মন কপটময় আৰু সৰ্বোপৰি

চৰমভাৱে দুষ্ট।[৩১] তাৰ বিকৃতিৰ গভীৰতা কোনেও জানিব নোৱাৰে।

আমি ইয়াতে খন্তেক ৰৈ, আমি নিজকে যিদৰে দেখোঁ আৰু ঈশ্বৰে আমাক যিদৰে দেখে তাৰ মাজত প্ৰভেদ কৰা উচিত হব। বহুতো মানুহৰ মৰমিয়াল, মধুৰ স্বভাৱ আছে। তেওঁলোক উত্তম প্ৰতিবেশী আৰু নিয়মিতভাৱে গীৰ্জালৈ যায়। তেওঁলোকে দৰিদ্ৰ, ৰোগী আৰু অক্ষম বিলাকলৈ হাত মেলে। আপুনি তেনে ধৰণৰ মানুহক জানে আৰু তাৰে মাজত আপুনিও এজন হব পাৰে – এজন ভদ্ৰ, আইন মানি চলা নাগৰিক, বন্ধুসুলভ আৰু বাহ্যিকৰূপে সন্মানীয়।

কিন্তু আমি কেতিয়াও পাহৰা উচিত নহয় যে ঈশ্বৰৰ মান অত্যুত্তম, আৰু আমি সকলোৱে সেই মানৰ কম পৰোঁ।[৩২] আমাৰ মাজত পাপ নকৰা এজনো নাই। আমি কোনেও আমাৰ ভাবনাৰ জীৱন ৰাজহুৱা হোৱাটো নিবিচাৰিম। আমি যদি আটাই দহটা আজ্ঞা ভংগও কৰা নাই, তথাপি আমি তাক ভংগ কৰিবলৈ সক্ষম। জীৱনত আমি কৰা যি কোনো কামতকৈ আমি বহুগুণে হীন। কোনো কোনো জন আনতকৈ ভাল হব পাৰে, কিন্তু ঈশ্বৰে আমাক সকলোকে পৰিত্ৰাণৰ সংকটাপন্ন আৰু জৰুৰী প্ৰয়োজনত থকা আশাশূন্য পাপী হিচাপেহে দেখা পায়।

আমি অপৰাধ আৰু পাপত মৃত আছিলোঁ। আমি এই জগতৰ গতিপথ অনুসৰি চলি, চয়তানৰ দ্বাৰা পৰিচালিত হৈছিলোঁ। আমি মাংস আৰু মনৰ কামনা পূৰ্ণ কৰিবলৈ জীয়াই থাকি, অবাধ্যতাৰ সন্তান আছিলোঁ। খ্ৰীষ্টৰ অবিহনে, ঈশ্বৰৰ অবিহনে আৰু আশাৰ অবিহনে স্বভাৱ অনুযায়ী ক্ৰোধৰ সন্তান আছিলোঁ।[৩৩]

আমাৰ নিচিনা মানুহৰ বাবেই খ্ৰীষ্ট' মৰিছিল। এই কথা অধিক অগতানুগতিক হোৱাৰ কাৰণ হৈছে যে আমি কিমান নগণ্য। ১০,০০০ ফুট উচ্চতাৰ পৰা দৃষ্টি কৰিলে আমি প্ৰায় দৃশ্যমানেই নহওঁ। কোটি কোটি আলোকবৰ্ষ আঁতৰৰ পৰা চালে আমাক আৰু কিমান ক্ষুদ্ৰ দেখা যাব। তথাপি তেওঁ আমাক প্ৰেম কৰিলে! ভাৰ্নন' চি· গ্ৰাউণ্ড'ছে একমত হৈছে: "আমাৰ পৃথিৱীৰ

সম্পূৰ্ণ নগণ্যতাক বিবেচনা কৰিলে, বিশ্বাস কৰিবলৈ টান যে বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তাই মানৱ পৰিয়াললৈ কি ঘটে সেই বিষয়ে চিন্তা কৰে যাক দ্বিতীয় শ্ৰেণীৰ সৌৰজগতৰ উপ-আণুবীক্ষণিক গ্ৰহৰ ছালত অৰ্ধ দৃশ্যমান চৰ্মৰোগ হিচাপে হেয় দৃষ্টিভংগীৰে বৰ্ণনা কৰা হৈছে।" আৰু তাৰপাছত গ্ৰাউণ্ড'ছে যোগ দিছে, "আশ্চৰ্যকৰ সত্যটো হৈছে যে ঈশ্বৰে সঁচাই চিন্তা কৰে।"[৩৪]

কোনেও খ্ৰীষ্টৰ দয়াৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰে যেতিয়ালৈকে তেওঁ ক্ৰুচৰ ওচৰলৈ আহি ডি·টি· নাইল'ছৰ ভাষাত নকয়, "মই তেওঁলৈ তেনে কৰিছিলোঁ আৰু তেওঁ মোৰ বাবে এনে কৰিলে।"[৩৫]

## বিশ্বাসীজনৰ বাবে ইয়াৰ অৰ্থ কি

বিশ্বাসীবিলাকৰ বাবে দয়াই প্ৰকৃততে যি কৰিলে তাতকৈ কম কৰিব পাৰিলেহেতেন। উদাহৰণ স্বৰূপে, বৃদ্ধকালৰ ব্যাধিবোৰ নিদিয়াকৈ পৃথিৱীত অন্তহীন জীৱন দিব পাৰিলেহেতেন। সেয়া নিজতে নিজে অত্যুত্তম হলহেতেন। সেয়ে অনন্ত দহনৰ পৰা পুৰুষ আৰু নাৰীক ৰক্ষা কৰিব পাৰিলেহেতেন। সেয়া আৰু অধিক উত্তম হলহেতেন।

কিন্তু ঈশ্বৰে কোনো অসম্পূৰ্ণ ব্যৱস্থা লৈ সন্তুষ্ট হোৱা নাছিল। তেওঁৰ পুত্ৰৰ বলিদানত তেওঁৰ সৰ্বোত্তম দিয়াৰ পাছত, তেওঁৰ মনে কল্পনা কৰিব পৰা আটাইতকৈ ঐশ্বৰ্যশালী উত্তৰাধিকাৰ ৰাখি নথবলৈ তেওঁ সিদ্ধান্ত ললে।

ইয়াতে দয়াৰ শুভবাৰ্ত্তাৰ কিছুমান সহজাত লাভ দিয়া হৈছে।

আনন্দ:- ই পৰিস্থিতিৰ পৰা সম্পূৰ্ণ স্বাধীন হৰ্ষৰ অতিপ্ৰাকৃত আৱেগ। ইয়াৰ বিপৰীত পাপ নহয়, কিন্তু দুঃখ। ই ঈশ্বৰ আৰু প্ৰভু যীচুৰ লগত সম্বন্ধৰ পৰা উৎপত্তি হয়। গতিকে ই সেই সম্বন্ধৰ দৰেই দৃঢ়।

শান্তি:- যি সকল বিশ্বাসৰ দ্বাৰা দোষমুক্ত তেওঁলোকে ঈশ্বৰৰ সৈতে শান্তি উপভোগ কৰে। তেওঁলোকে আত্মসমৰ্পণৰ নিচান উৰুৱাৰ লগে লগে সৰ্বশক্তিমান জনাৰ লগত তেওঁলোকৰ

সংঘৰ্ষৰ অন্ত পৰিল। তাৰপাছত প্ৰভু নিয়ন্ত্ৰণত আছে বুলি জনাৰ পৰা অপাৰ্থিৱ শান্তি, স্থিৰতা আৰু সন্তুলন আহে।

আশা:- নতুন নিয়মত, আশাই সাধাৰণতে স্বৰ্গত বিশ্বাসীজনৰ ভবিষ্যতক বুজায়। সাধাৰণতে ব্যৱহৃত এই শব্দটোৰ অৰ্থৰ বিপৰীতে, এই আশাত ক্ষুদ্ৰতম সন্দেহৰ কণাও নাথাকে কাৰণ ই ঈশ্বৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত আধাৰিত। বিশ্বাসীজন স্বৰ্গৰ বিষয়ে ইমান নিশ্চিত যেন তেওঁ ইতিমধ্যে তাতেই আছে।

বিশ্ৰাম:- যীচুৱে যেতিয়া কৈছিল, "মোৰ ওচৰলৈ আহাঁ…আৰু মই তোমাক বিশ্ৰাম দিম," তেওঁ পৰিত্ৰাণৰ বিশ্ৰামক বুজাইছিল। ই হৈছে সেই বিশ্ৰাম যি আহে যেতিয়া এজন ব্যক্তিয়ে অনন্ত জীৱনৰ বাবে কৰ্ম কৰিবলৈ চেষ্টা কৰিবলৈ এৰে, আৰু খ্ৰীষ্টৰ সমাপ্ত হোৱা কৰ্মৰ ওপৰত তেওঁ বিশ্ৰাম লয়। কিন্তু যীচুৱে আন এক প্ৰকাৰৰ বিশ্ৰামৰ কথাও কৈছিল: "তোমালোকৰ ওপৰত মোৰ যুৱলি লোৱা, আৰু মোৰ পৰা শিক্ষা লোৱা…তাতে তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা।" এই বিশ্ৰাম প্ৰভুৰ পৰিচৰ্যা কৰাত আৰু তেওঁৰ কোমল স্বভাৱ আৰু অন্তৰৰ নম্ৰতাৰ আৰ্হি অনুসৰণ কৰাত পোৱা যায়।

স্বাধীনতা:- সত্যই মানুহক মুক্ত কৰে – মাংসৰ বাসনা চৰিতাৰ্থ কৰিবলৈ মুক্ত নহয়, কিন্তু ধাৰ্মিকতাৰে জীয়াই থাকিবলৈ, ঈশ্বৰক সন্তুষ্ট কৰিবলৈ আৰু তেওঁৰ সেৱা কৰিবলৈ মুক্ত। পাপৰ শাসন আৰু বিধিৰ বন্দীত্বৰ পৰা খ্ৰীষ্টিয়ানজন মুক্ত হয়, কিন্তু তেওঁ বিধি ভংগকাৰী নহয়। বৰঞ্চ খ্ৰীষ্টৰ প্ৰতি প্ৰেমৰ দ্বাৰা তেওঁ বান্ধোনত।

জীৱনৰ উদ্দেশ্য:- এজন ব্যক্তিৰ পুৰ্নজন্ম নোহোৱালৈকে তেওঁ তেওঁৰ অস্তিত্বৰ প্ৰকৃত কাৰণ বিচাৰি নাপায়। কেৱল তেতিয়াহে জীৱন অৰ্থপূৰ্ণ হয়। অৱশেষত তেওঁ কিবা এটাৰ বা, তাতোকৈ উত্তম কোনোবা এজনৰ) বাবে জীয়াই থাকিবলৈ বা কোনোবা এজনৰ বাবে মৰিবলৈ বিচাৰি পায়। অৱশেষত ঈশ্বৰৰ পুত্ৰলৈ সম্পূৰ্ণ অংগীকাৰবদ্ধতাত তেওঁ পৰিপূৰ্ণ সন্তুষ্টি বিচাৰি পায়। তেওঁৰ এতিয়া সৃষ্টিৰ বিষয়ে, পাপৰ উপস্থিতিৰ বিষয়ে

আৰু মৃত্যুৰ যথাৰ্থতাৰ বিষয়ে আওপুৰণি প্ৰশ্নবোৰৰ উত্তৰ দিয়া জীৱন দৰ্শন আছে।

সন্তুষ্টি:- বিশ্বাসীজন নিজকে লৈ বা তেওঁৰ সাফল্যক লৈ কেতিয়াও সন্তুষ্ট নহয়, কিন্তু খ্ৰীষ্টক লৈ তেওঁ সন্তুষ্ট। ডি· মাৰ্টিন লয়'ড'-জ'ন'ছে কৈছিল, "মোৰ অন্তৰে হাবিলাস কৰিব পৰা এনে কোনো বস্তু নাই যিটো তেওঁ ততোধিক সন্তুষ্ট কৰিব নোৱাৰে।"[৩৬]

অনুগ্ৰহে এই সকলোবোৰ যোগায়, কিন্তু তাতোকৈ অনেক, অনেক অধিক যোগায়।

পাপীবিলাকে প্ৰভু যীচুক বিশ্বাসৰ দ্বাৰা গ্ৰহণ কৰাৰ লগে লগে, তেওঁলোক:

অনন্ত জীৱন লাভ কৰোঁতা হয়:-[৩৭] এই অমূল্য উপহাৰ স্বয়ং খ্ৰীষ্টৰ জীৱন, ত্ৰাণকৰ্ত্তাই প্ৰতিজ্ঞা কৰা অধিক প্ৰচুৰ জীৱন।[৩৮] পৰিত্ৰাণ নোপোৱাবিলাকৰো অন্তহীন অস্তিত্ব আছে, কিন্তু কেৱল বিশ্বাসীবিলাকৰ ভিতৰতহে প্ৰতাপৰ আশা, খ্ৰীষ্ট' থাকে।[৩৯] জন্মৰ দ্বাৰা প্ৰাকৃতিক জীৱন প্ৰাপ্ত হয় আৰু ই মৃত্যুৰ অধীন। অনন্ত জীৱন নতুন জন্মৰ দ্বাৰা আহে আৰু চিৰঞ্জীৱ। অনন্ত জীৱন ঈশ্বৰৰ লগত মিলনৰ বাহিৰে একো নহয়। বিস্ময়কৰ!

ক্ষমা কৰা হল:-[৪০] অনুগ্ৰহৰ অলৌকিক কাৰ্যত, ঈশ্বৰে ক্ষমা কৰে আৰু পাপবোৰ কেতিয়াও সোঁৱৰণ নকৰিবলৈ, পূবৰ পৰা পশ্চিম যিমান দূৰ সেইবোৰ সিমান দূৰলৈ আঁতৰাই পঠায়। অনুতপ্তজনৰ অহিতে সকলো অভিযোগ গঁজাল মাৰি ক্ৰুচত লগাই দিয়া হয়।[৪১] সেইবোৰ আৰু নাই। সেই কাৰণেই চেম্বুৱেল ডব্লিউ· গেণ্ডিয়ে লিখিব পাৰিছিল:

অভিযোগকাৰীক মই গৰজি উঠা শুনিছোঁ
যিবোৰ পাপ মই কৰিছিলোঁ;
সেইবোৰ, আৰু তাতোকৈ হাজাৰটা ভালদৰে জানোঁ মই,
যিহোৱাই বিচাৰি নাপায় এটাও।

*মুক্ত কৰিলে।*[৪২] ইয়াৰ অৰ্থ হৈছে যে খ্ৰীষ্টৰ অমূল্য তেজৰ অতিপাত দামত, পাপৰ দাস বজাৰৰ পৰা মানুহবিলাকক পুনৰায় কিনি লোৱা হল। কোনো কিনা বস্তু ইমান দামী, কোনো লেনদেন

ইয়াতকৈ অধিক বিস্ময়কৰ নহয়। কি অপূৰ্ব বিনিময়! এজনা ব্যক্তিলৈ কোনেও কেতিয়াও ইমান ধৰুৱা হোৱা নাছিল!

*ৰক্ষা পালে।*[৪৩] বিশ্বাসীবিলাকে নৰকৰ অনন্তকলীয়া শাস্তিৰ পৰা কেৱল উদ্ধাৰেই নাপায়; তেওঁলোকক বৰ্ত্তমানৰ পাপময় জাগতিক ব্যৱস্থাৰ পৰাও ৰক্ষা কৰা হয় আৰু ঈশ্বৰৰ স্বৰ্গীয় ৰাজ্যৰ বাবে সংৰক্ষিত কৰা হয়। তেওঁলোকে প্ৰথমে বিশ্বাস কৰোঁতে তেওঁলোকক পাপৰ *শাস্তিৰ* পৰা ৰক্ষা কৰা হৈছিল। তাৰ *শক্তিৰ* পৰা স্বৰ্গত খ্ৰীষ্টৰ বৰ্ত্তমানৰ পৰিচৰ্যাৰ দ্বাৰা তেওঁলোকক ৰক্ষা কৰা হৈছে। তেওঁলোকে তেওঁলোকৰ অনন্ত ঘৰ গৈ পালে তাৰ *উপস্থিতিৰ* পৰাই তেওঁলোকক ৰক্ষা কৰা হব।

*প্ৰিয় জনাত গ্ৰহণ।*[৪৪] ঈশ্বৰে এতিয়া খ্ৰীষ্টত তেওঁৰ বিশ্বাসী সন্তানক দেখা পায়, আৰু সেই ভিত্তিত তেওঁ তেওঁক গ্ৰহণ কৰে। খ্ৰীষ্টত থকা যি কোনোজনে ঈশ্বৰৰ প্ৰিয় পুত্ৰৰ সমস্ত গ্ৰহণযোগ্যতাত তেওঁৰ আগত থিয় দিয়ে। প্ৰভু যীচুৰ ব্যক্তিত, যীচু পিতৃৰ যিমান ওচৰ তেৰোঁ পিতৃৰ সিমান ওচৰ। তেওঁ যে গণ্য হৈছে তেনে নহয়, কিন্তু খ্ৰীষ্টৰ লগত তেওঁৰ মিলনহে গণ্য হয়। এজন ব্যক্তিৰ কৃতিত্ব নহয়, কিন্তু খ্ৰীষ্টৰ ব্যক্তিত্ব আৰু কৰ্ম।

*খ্ৰীষ্টত সম্পূৰ্ণ।*[৪৫] যদিও বিশ্বাস কৰিবলৈ অত্যন্ত কঠিন, তথাপি ই সম্পূৰ্ণ সত্য; যি জনে ত্ৰাণকৰ্ত্তাত বিশ্বাস কৰে তেওঁ স্বৰ্গৰ বাবে সম্পূৰ্ণৰূপে উপযুক্ত। ইয়াৰ কাৰণ হল *খ্ৰীষ্ট*' তেওঁৰ যোগ্যতা। এজন ব্যক্তিৰ যদি খ্ৰীষ্ট' আছে, পিতৃৰ গৃহৰ বাবে যোগ্যতাৰ বিষয়ত তেওঁক আৰু একো নালাগে। বিশ্বাসীজনে নিজৰ যোগ্যতাত নহয়, যীচুৰ যোগ্যতাত থিয় হয়। ১ৰ পৰা ১০ৰ মাপকাঠীত তেওঁ ১০।

*খ্ৰীষ্টক যেনেকৈ প্ৰেম কৰে তেনেকৈয়ে প্ৰেম পায়।*[৪৬] খ্ৰীষ্ট' যেনেকৈ ঈশ্বৰৰ ওচৰ, তেনেকৈ সত্য খ্ৰীষ্টিয়ানজন কেৱল তেওঁৰ ওচৰেই নহয়, ঈশ্বৰলৈ তেওঁ *সিমানেই মৰমৰ*। পিতৃয়ে তেওঁৰ পুত্ৰক যি প্ৰেমেৰে প্ৰেম কৰে, সেই একে প্ৰেমেৰে তেওঁকো প্ৰেম কৰে। গতিকে, ঈশ্বৰে তেওঁৰ নিজৰ লোকক ইতিপূৰ্বে যিমান প্ৰেম কৰে তাতকৈ আৰু বেছি প্ৰেম কৰিব নোৱাৰে বুলি কলে

আমি বঢ়াই কোৱা নাই। এই বিস্ময়কৰ সত্য অধিক ভালদৰে জনাৰ, বিশ্বাস কৰাৰ আৰু উপভোগ কৰাৰ যোগ্য!

*দোষমুক্ত।* [৪৭] যেতিয়া এজন অনুতপ্ত নোহোৱা পাপীয়ে তেওঁৰ বিচাৰক হিচাপে ঈশ্বৰৰ আগত থিয় হয়, তেতিয়া কেৱল এটাই ৰায় হব পাৰে – দোষী! কিন্তু যেতিয়া এজন অনুতপ্ত বিশ্বাসীয়ে কাঠগৰাত থিয় হয়, ছবিখন সলনি হয়। ঈশ্বৰ তেতিয়াও বিচাৰক, কিন্তু প্ৰভু যীচু প্ৰতিৰক্ষক উকীল। যেতিয়া অভিযোগবোৰ পঢ়ি দিয়া হয়, খ্ৰীষ্ট' আগবাঢ়ি যায় আৰু কাৰ্যতঃ এইদৰে কয়, "হে মাননীয় বিচাৰক, মোৰ মক্কেল দোষী।" তাৰপাছত তেওঁৰ নিজৰ হাত, ভৰি আৰু কোষৰ ঘাঁবোৰলৈ আঙুলিয়াই তেওঁ কৈ যায়: "কিন্তু কালভেৰীৰ ক্ৰুচত মই তেওঁৰ অপৰাধবোৰৰ বেচ দিলোঁ। মই তেওঁৰ হৈ মোৰ প্ৰতিস্থাপক কৰ্মৰ যোগ্যতা ভিক্ষা কৰোঁ।" বিচাৰকে সন্তোষত মূৰ দুপিয়ায়। "অভিযুক্তজনক নিৰ্দোষী ঘোষণা কৰা হল," তেওঁ কয়। "মই তেওঁক ধাৰ্মিক বুলি বিবেচনা কৰোঁ। নৰকৰ দণ্ড দিবলৈ মই এটাও পাপ বিচাৰি পোৱা নাই। আইনী কাৰ্য বৰ্খাস্ত কৰা হল!" এই অভিভূত কৰি তোলা সত্যই ডব্লিউ· নৰেল টম'কিনছক এই প্ৰত্যাহ্বান নিক্ষেপ কৰিবলৈ সাহস দিছিল:

মোৰ পবিত্ৰ ত্ৰাণকৰ্ত্তাক প্ৰথমে ছোৱা;
ঈশ্বৰৰ সন্মানৰ পৰা তেওঁক আঁতৰাই আনা;
প্ৰমাণ কৰা যীচুৰ একণিকাও পাপ আছে;
তাৰপাছত মোক কোৱা মই মলিন!

ৰয় হেছিয়নে ছুটীৰ দিনত নিজৰ ৰ'লছ' ৰয়ছ' গাড়ী চলাই ফ্ৰাঞ্চদেশলৈ ফুৰিব যোৱা এজন ইংৰাজৰ কথা কৈছিল। দুৰ্ভাগ্যক্ৰমে এদিন হয়তো তেওঁ এটা ওখোৰা-মোখোৰা বাটেদি গৈছিল, আৰু তেওঁৰ গাড়ীৰ পাছফালৰ এক্সৰ'ল'ডাল ভাঙিল। স্থানীয় গেৰেজ'বোৰে এক্স'ল'ডাল বদলাব নোৱাৰিলে, কিন্তু ইংলেণ্ডৰ উৎপাদনকৰোঁতালৈ এটা ফোন কৰাত এডাল নতুন এক্স'ল' আহিল, লগতে তাক লগাবলৈ দুজন মেকানিকো। কেইবা মাহৰো পাছত যেতিয়া কোনো বিল নাহিল, ইংৰাজজনে ৰ'লছ' ৰয়ছ' কোম্পানীলৈ ঘটনাটো বৰ্ণনা কৰি চিঠি লিখিলে, আৰু এখন

বিল বিচাৰিলে। কোম্পানীয়ে উত্তৰ দিলে, "আমি আমাৰ ৰেকৰ্ড সযত্নেৰে বিচাৰি চালোঁ আৰু কোনো ৰ'লছ' ৰয়'ছৰ কেতিয়াবা এক্স'ল' ভঙাৰ ৰেকৰ্ড নাপালোঁ।" খ্ৰীষ্টত বিশ্বাসীজনৰ লগতো এনেকুৱাই হয়। ঈশ্বৰে তেওঁৰ ৰেকৰ্ডত সযত্নেৰে বিচাৰিব পাৰে আৰু যিমান দূৰ দোষ আৰু শাস্তিৰ কথা, সেই বিশ্বাসীজনৰ ওপৰত পাপৰ কোনো ৰেকৰ্ড নাপাব পাৰে।

*পবিত্ৰীকৃত।* [৪৮] পবিত্ৰীকৃতকৰণ হৈছে ধৰ্মতত্ত্বমূলক অসাধাৰণ কথা আৰু ই বৰ্ণনা কৰে যে ঈশ্বৰে তেওঁৰ নিজৰ কৰি ৰাখিবলৈ বিশ্বাসীবিলাকক পাপ আৰু জগতৰ পৰা পৃথক কৰে। তেওঁলোকক উদ্ধাৰ কৰাৰ লগে লগে স্থিতি অনুযায়ী তেওঁলোকক পবিত্ৰ কৰা হয়। তাৰপাছত তেওঁলোকৰ স্থিতিৰ লগত সংগতি ৰাখি তেওঁলোকক পবিত্ৰতাত জীয়াই থাকিবলৈ শিকোৱা হয়। সি যি কি নহওক, এই কাৰ্য কেৱল স্বৰ্গতহে সমাপ্ত হ'ব।

*খ্ৰীষ্টৰ দ্বাৰা পৰিচৰ্যিত।* [৪৯] মহৎ মহাপুৰোহিত, মধ্যস্থতাকাৰী, সমৰ্থক আৰু সহায়কৰ্ত্তা হিচাপে তেওঁ কৃপা, সান্ত্বনা আৰু উৎসাহ দিয়ে। নিজৰ লোকৰ বাবে তেওঁ মধ্যস্থতা কৰে। তেওঁলোকে যেতিয়া পাপ কৰে, মিলনলৈ তেওঁলোকক পুনৰ্প্ৰতিষ্ঠা কৰিবলৈ তেওঁ কামত লাগি যায়। চয়তানৰ অভিযোগৰ অহিতে তেওঁ দিনে ৰাতিয়ে তেওঁৰ লোকবিলাকৰ উদ্দেশ্যৰ উত্তৰ দিয়ে।

*স্থায়ীৰূপে বাস।* [৫০] ঈশ্বৰৰ সন্তানৰ নতুন জন্ম হোৱাৰ মুহূৰ্ত্তত পবিত্ৰ ত্ৰয়ৰ তৃতীয়জনা ব্যক্তি তেওঁৰ শৰীৰত প্ৰৱেশ কৰে। অতি আশ্চৰ্যজনক কিন্তু সত্য যে দুৰ্বল মানৱ শৰীৰ এতিয়াৰে পৰা পবিত্ৰ আত্মাৰ মন্দিৰ। আত্মা হৈছে পবিত্ৰতা, আৰাধনা আৰু সেৱাৰ বাবে শক্তি। এজন সাধু লোকৰ জীৱনক বৈশিষ্ট্য প্ৰদান কৰা চমকপ্ৰদ পৰিবৰ্ত্তনৰ বাবে তেওঁ দায়িত্বশীল।

*আত্মাৰ দ্বাৰা বাপ্তাইজিত।* [৫১] আত্মাৰ এই পৰিচৰ্যাই অনুতাপ কৰা আৰু খ্ৰীষ্টত বিশ্বাসকৰাবিলাকক তেওঁৰ শৰীৰৰ অংগ কৰে। পৰিত্ৰাণৰ মুহূৰ্ত্তত, বিশ্বাসীজনে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ সহভাগিতা, মণ্ডলীৰ সদস্য হোৱাৰ অসাধাৰণ বিশেষাধিকাৰ লাভ

কৰে। এই নতুন সমাজখনৰ খ্ৰীষ্ট' মূৰ হিচাপে আৰু সকলো প্ৰকৃত খ্ৰীষ্টিয়ান অংগ হিচাপে আছে। খ্ৰীষ্টৰ অনুগামীবিলাকক তেওঁলৈ আৰু ইজনক সিজনলৈ ঐক্যবদ্ধ কৰা এই নিবিড় বন্ধনক কোনো ভাষাই বৰ্ণনা কৰিব নোৱাৰে।

*মোহৰ মৰা হল।*[৫২] আত্মাৰ ওপৰত উল্লেখিত পৰিচৰ্যাৰ ওপৰিও, স্বামিত্ব আৰু অনন্ত সুৰক্ষাৰ নিশ্চয়তা সূচাই, তেওঁক এটা মোহৰ দিয়া হয়। তেজেৰে কিনা প্ৰত্যেক পাপীৰ এই মোহৰ আছে।

*আমানত দিয়া হল।*[৫৩] বিশ্বাসীজনৰ পবিত্ৰ আত্মা থকাটো যিদৰে নিশ্চিত, ঠিক সেইদৰে স্বৰ্গত মহিমান্বিত শৰীৰৰ লগতে, তেওঁ সমস্ত উত্তৰাধিকাৰ পোৱাটোও নিশ্চিত। এইদৰে আমানত হৈছে আগধন বা প্ৰতিশ্ৰুতি। আত্মাৰ আমানতক বুজাবলৈ কেতিয়াবা বাগ'দানৰ আঙঠি ব্যৱহাৰ কৰা হয়।

*অভিষিক্ত।*[৫৪] যেতিয়া এজন ব্যক্তি উদ্ধাৰ হয়, তেওঁ অভিষেক হিচাপে পবিত্ৰ আত্মা লাভ কৰে। ইয়াত দুটা গুৰুত্বপূৰ্ণ পৰিচৰ্যা অন্তৰ্গত থাকে। প্ৰথমতে, আত্মাৰ শিক্ষাদানৰ পৰিচৰ্যাই ধৰ্মান্তৰিত জনক সত্য আৰু ভুলৰ মাজত প্ৰভেদ কৰিবলৈ সক্ষম কৰে। দ্বিতীয়তে, তেওঁক সেৱাৰ বাবে বাছি লোৱা হয়, ঠিক যেনেকৈ পুৰণি নিয়মত ভাববাদী, পুৰোহিত আৰু ৰজাবিলাকক অভিষেক কৰা হৈছিল।

*প্ৰাৰ্থনাত ঈশ্বৰলৈ প্ৰৱেশাধিকাৰ।*[৫৫] কি শ্বাসৰুদ্ধকাৰী বিস্ময় – যে ঈশ্বৰৰ ৰাজ্যত আটাইতকৈ ক্ষুদ্ৰ জনৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ সাৰ্বভৌম ৰজালৈ তৎক্ষণাৎ আৰু অবিৰত প্ৰৱেশাধিকাৰ আছে! বিশ্বাসৰ দ্বাৰা তেওঁ পৃথিৱীৰ পৰা সৰ্বোচ্চ পবিত্ৰ স্থান, স্বৰ্গৰ সিংহাসন কক্ষলৈ যায়, আৰু ৰজাৰো ৰজা, প্ৰভুৰো প্ৰভুৰ লগত সাক্ষাত কৰে। এই বিশেষাধিকাৰ কম দামতে অহা নাছিল; যীচুৰ তেজৰ দ্বাৰা ইয়াক কিনা হৈছিল।[৫৬]

খ্ৰীষ্টিয়ানৰ প্ৰাৰ্থনা-জীৱন অধিক উজ্জ্বল কৰাত সহায় কৰিবলৈ শ শ বছৰৰ আগতে ক্লেয়াৰভ' মঠৰ সাধু বাৰ্নাৰ্ডে এইদৰে কৈছিল:

এইদৰে প্ৰাৰ্থনা কৰিবা যেন হাজাৰ হাজাৰ জনে তেওঁৰ

সেৱা কৰি থকা সেই সৰ্বোচ্চ সিংহাসনত তেওঁৰ মুখমণ্ডলৰ আগলৈ তোমাক নিয়া হৈছে আৰু উপস্থিত কৰোৱা হৈছে।

*নতুন নাগৰিকত্ব।* [৫৭] ধৰ্মান্তৰত নাগৰিকত্বৰ পৰিবৰ্ত্তন জড়িত থাকে – পাৰ্থিৱৰ পৰা স্বৰ্গীয়লৈ। যিবিলাক মানুহ এসমত পৃথিৱীবাসী আছিল, তেওঁলোক ইয়াত বিদেশী, তীৰ্থযাত্ৰী আৰু অচিনাকী হৈ পৰে। তেওঁলোকে এজন নতুন শাসকক জানে আৰু উচ্চতৰ আইন মানি চলে, কিন্তু একে সময়তে মানৱ কৰ্তৃত্বক সন্মান কৰে আৰু যেতিয়ালৈকে উচ্চতৰ আইনৰ লগত সংঘাত নহয়, তেতিয়ালৈকে স্থানীয় আইনো মানি চলে। তেওঁলোকৰ "পুৰণি দেশ" বিনাশলৈ অভিশাপগ্ৰস্ত; তেওঁলোকৰ নতুন দেশ চিৰস্থায়ী।

*ঈশ্বৰৰ সন্তান।* [৫৮] পৰিত্ৰাণত পিতৃত্বৰো পৰিবৰ্ত্তন জড়িত থাকে। উদ্ধাৰপ্ৰাপ্তজনৰ জন্মৰ প্ৰমাণপত্ৰত পিতৃ হিচাপে ঈশ্বৰৰ নাম থাকে। ভাবি চাওকচোন - ৰাষ্ট্ৰপতি বা ৰজাৰ সন্তান নহয়, কিন্তু সৃষ্টিকৰ্ত্তা আৰু বিশ্ব-ব্ৰহ্মাণ্ডক ধৰি ৰাখোঁতাজনৰ সন্তান। অন্য কোনো সন্মানেই ইয়াতকৈ উচ্চ হব নোৱাৰে!

*ঈশ্বৰৰ পুত্ৰ।* [৫৯] পুৰুষেই হওক বা নাৰীয়েই হওক, বিশ্বাসীসকলক প্ৰাপ্তবয়স্কৰ সকলো বিশেষাধিকাৰ আৰু দায়িত্বৰ সৈতে, প্ৰাপ্তবয়স্ক হিচাপে ঐশ্বৰিক পৰিয়ালটিলৈ অনা হয়। তেওঁলোকক আইনসৰ্বস্ব দাসত্বৰে শিশু হিচাপে গণ্য কৰা নহয়, কিন্তু মুক্ত হিচাপে ওপজা পুত্ৰ আৰু কন্যাৰ স্বাধীনতাৰে গণ্য কৰা হয়।

*ঈশ্বৰৰ উত্তৰাধিকাৰী।* [৬০] আৰু যীচু খ্ৰীষ্টৰ লগত সহ-উত্তৰাধিকাৰী। উপাধিকেইটা স্বব্যাখ্যাত, তথাপি সেইবোৰৰ গভীৰতা আমাৰ পৰা সাৰি যায়। কোনে বাৰু পিতৃ ঈশ্বৰ আৰু তেওঁৰ পুত্ৰৰ প্ৰাচুৰ্য কেতিয়াবা জুখিব পাৰিছে? তাৰ মুঠ পৰিমাণ অতি বৃহৎ হব। তথাপি সেয়ে প্ৰভুক প্ৰেম কৰা প্ৰত্যেকজনলৈ লভ্য উত্তৰাধিকাৰৰ জোখ।

*পবিত্ৰ আৰু ৰাজকীয় পুৰোহিত।* [৬১] পুৰণি নিয়মৰ পুৰোহিত পদ এটা বংশ আৰু এটা পৰিয়ালতে সীমিত আছিল। কিন্তু নতুন নিয়মত সকলো বিশ্বাসীয়েই পুৰোহিত। তেওঁলোকৰ

স্বাভাৱিক কাৰ্য দুগুণ। প্ৰথমতে, ঈশ্বৰলৈ তেওঁলোকৰ প্ৰেম, তেওঁলোকৰ জীৱন, তেওঁলোকৰ প্ৰশংসা, তেওঁলোকৰ সম্পত্তি আৰু তেওঁলোকৰ সেৱা যাঁচিবলৈ। তাৰপাছত, যি জনাই তেওঁলোকক আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ আমন্ত্ৰণ কৰিছিল, সেই জনাৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰিবলৈ তেওঁলোকক নিযুক্ত কৰা হয়।

*জয়তকৈও জয়যুক্ত।* [৬২] কোনোজন বিজেতাজনতকৈ কেনেকৈ বেছি হব পাৰে? তেওঁ হয় জয়ী হয় বা জয়ী নহয়। জয়ী হোৱাতকৈ তেওঁ আৰু বেছি কি কৰিব পাৰে? ইয়াত ধাৰণাটো এনেকুৱা যে বিশ্বাসীবিলাক তয়াময়া যুদ্ধৰ মাজত থাকোঁতেও তেওঁলোক ইতিমধ্যে জয়ী হৈছে। ফলাফল নিশ্চিত। তেওঁলোক জিকাৰ পক্ষত আছে। যি কোনো বিশেষ সময়ত, ঢৌবোৰ তেওঁলোকৰ বিপক্ষে থকা যেন লাগিব পাৰে, কিন্তু জোৱাৰ নিশ্চয়ে জিকিব।

*তেওঁৰ প্ৰতিকৃতিৰ লগত খাপ খাবলৈ মনোনীত।* [৬৩] - সমস্ত অনন্তকালৰ বাবে তেওঁৰ নিষ্কলংক কইনা, তেওঁৰ লগত থাকিবলৈ। দাবীয়ে ইয়াক "সকলো ধাৰণাৰ সিমূৰৰ ধাৰণা" বুলি আখ্যা দিছিল - প্ৰভুৰ সৎ আৰু আত্মিক প্ৰতিকৃতিলৈ ৰূপান্তৰিত হোৱা। বিস্ময়ত অভিভূত হৈ তেওঁ সুধিছিল:

আৰু সত্য নে - মই তোমাৰ পুত্ৰৰ নিচিনা হম?
এয়ে নে কি সেই অনুগ্ৰহ যি তেওঁ জিকিছিল মোৰ বাবে?
হে মহিমাৰ পিতৃ, (সকলো ধাৰণাৰ সিমূৰৰ ধাৰণা!)
মহিমাত আনিলে তেওঁৰ নিজৰ পুণ্য সাদৃশ্যলৈ!

চমুকৈ, *সকলো আত্মিক আশীৰ্বাদেৰে খ্ৰীষ্টত আশীৰ্বাদপ্ৰাপ্ত।* [৬৪] ঈশ্বৰৰ এজন বন্ধুৱে কোৱাৰ দৰে, "ইয়াতে আমি খন্তেক ৰওঁ আৰু আৰাধনা কৰোঁ। অন্ততঃ মই কৰিব লাগিব; কাৰণ মোৰ প্ৰাণৰ চকু বিষাইছে, যেন মই সূৰ্যলৈ থৰ লাগি চাই আছিলোঁ।"[৬৫] আৰু জেইন্ অ'ষ্টেনৰ এটি চৰিত্ৰৰ ভাষা ধাৰ কৰিলে, বিশ্বাসীবিলাকে যিমান সুখী হোৱাৰ যোগ্য তাতকৈ অধিক সুখী হোৱা সহ্য কৰিবলৈ তেওঁলোকে শিকিব লাগিব।[৬৬]

## সৰ্বাধিক দয়া

প্ৰকৃততে পাপে কেতিয়াও প্ৰৱেশ নকৰা হলে খ্ৰীষ্টত বিশ্বাসীজন যিমান লাভৱান হলহেতেন, তাতকৈ তেওঁ এতিয়া বহু গুণে লাভৱান। আন এটা প্ৰকাৰে কবলৈ গলে, অপতিত আদমত তেওঁ যিমান লাভৱান হলহেতেন, তাতকৈ তেওঁ খ্ৰীষ্টত অধিক লাভৱান। দ্বিপদী কবিতাটো সত্য:

খ্ৰীষ্টত আদমৰ পুত্ৰসকলে কৰে গৌৰৱ
তেওঁলোকৰ পিতৃয়ে হেৰোৱাতকৈ অধিক আশীৰ্বাদ।

আদমক তেওঁৰ মূল নিৰপৰাধিতাত প্ৰিয় জনাত কেতিয়াও গ্ৰহণ কৰা নহলহেতেন বা খ্ৰীষ্টত সম্পূৰ্ণ নহলহেতেন। তেওঁ কেতিয়াও ঈশ্বৰৰ পুত্ৰ নহলহেতেন। তেওঁৰ স্বৰ্গত এটি গৃহৰ, বা খ্ৰীষ্টৰ প্ৰতিকৃতিৰ লগত খাপ খোৱাৰ আশা কেতিয়াও নহলহেতেন। ওপৰত উল্লেখ কৰা আশীৰ্বাদবোৰ তেওঁ কেতিয়াও উপভোগ নকৰিলেহেতেন।

তেওঁ যেতিয়ালৈকে পাপ কৰা নাছিল, তেওঁৰ পৃথিৱীত অব্যাহত জীৱনৰ নিশ্চয়তা আছিল। কিন্তু তেওঁ খ্ৰীষ্টৰ জীৱন নাপালেহেতেন। পবিত্ৰ আত্মাই স্থায়ীভাৱে তেওঁৰ ভিতৰত বসতি নকৰিলেহেতেন। দয়াৰ দ্বাৰা পৰিত্ৰাণ পোৱা এজন পাপীয়ে লাভ কৰা বিশেষাধিকাৰবোৰ তেওঁ কেতিয়াও উপভোগ নকৰিলেহেতেন।

আৰু এই ভয়ানক সম্ভাৱনা সদায় আছিল যে তেওঁ পাপত পৰিব আৰু সেইদৰে দণ্ড পাব। আদম আৰু হাৱাৰ ওপৰত দেম'ক্লিজৰ তৰোৱালৰ দৰে মৃত্যুৰ ভাবুকি ওলমি আছিল। আমি জানোঁ যে আদমে সঁচাকৈ পাপ কৰিছিল, আৰু তেওঁৰ পাপে দুঃখ, কষ্ট আৰু মৃত্যুৰ বন্যা আনিছিল। কিন্তু ঈশ্বৰে পৰিত্ৰাণৰ পথ যোগাবলৈ, আৰু বিশ্বাসীবিলাকক মানৱ গণনা অতিক্ৰম কৰি সমৃদ্ধ কৰিবলৈ তেওঁৰ পুত্ৰক পঠালে। গতিকে কেতিয়াও পাপ নকৰাতকৈ ক্ষমা লাভ কৰা পাপীসকল অধিক লাভৱান। "...পাপ অধিক হল, [কিন্তু] সেই ঠাইত অনুগ্ৰহ একেবাৰে উপচি পৰিল।"[৬৭]

ঈশ্বৰৰ উপকাৰ আৰম্ভণিৰ পৰা শেষলৈকে দয়া, অতি বিস্ময়কৰ, শ্বাসৰুদ্ধকাৰী, অতল, উপচি পৰা, আমাৰ আটাই পাপতকৈ অধিক।

# ৬

# বেয়া বাতৰিৰ এটি "শুভবাৰ্ত্তা"

আন এক প্ৰকাৰৰ শুভবাৰ্ত্তা আছে, অসত্য শুভবাৰ্ত্তা। ই একেবাৰেই শুভ বাতৰি নহয়, তথাপি জগতৰ অধিকাংশ মানুহেই এই বাতৰিত বিশ্বাস কৰে। ই কয় যে সুকৰ্মৰ দ্বাৰা আপুনি আপোনাৰ পৰিত্ৰাণ অৰ্জন কৰে বা সুচৰিত্ৰৰ দ্বাৰা তাৰ যোগ্য হয়। পৃথিৱীৰ সৰহ ভাগ ধৰ্মই এটা নহয় এটা আকাৰত এই ধৰ্মতত্ত্ব শিকায়। মানুহৰ ইয়াকে সঠিক যেন লাগে, কিন্তু বাইবেলে কয় যে মৃত্যুত ইয়াৰ সমাপ্তি হয়, অৰ্থাৎ ঈশ্বৰৰ পৰা চিৰকালৰ বিচ্ছেদ।[৬৮]

ই নতুন কথা নহয়। প্ৰকৃততে এদেন বাৰীতেই ইয়াৰ আৰম্ভনি হৈছিল। আদম আৰু হাৱাই ডিমৰু পাতৰ কপিঙৰে তেওঁলোকৰ পাপপূৰ্ণ উলংগতা ঢাকিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে কৰিব পৰা কিবা এটা কাৰ্যৰ যোগেদি তেওঁলোকে নিজকে ঈশ্বৰৰ উপস্থিতিৰ বাবে যোগ্য কৰিবলৈ বিচাৰিছিল। কিন্তু ঈশ্বৰে তেওঁলোকক দেখুৱাই দিব লগা হৈছিল যে ই এটা সম্পূৰ্ণ ডাঙৰ ভুল। গতিকে তেওঁ তেওঁলোকক পশুৰ ছালেৰে সাজ পিন্ধালে। এই কাম কৰিবলৈ, পশুবোৰ মৰিব লগা হল। সিহঁতৰ তেজ বব লগা হল। আদম আৰু হাৱাই কেৱল বিশ্বাসৰ দ্বাৰা ঈশ্বৰৰ যোগান গ্ৰহণ কৰিলেই হলহেতেন। ঈশ্বৰে তেওঁলোকক শিকাইছিল যে পাপে তেওঁলোকক ঈশ্বৰৰ পৰা বিচ্ছিন্ন কৰে, যে মানুহে সেই ব্যৱধান জোৰা লগাব নোৱাৰে, আৰু একমাত্ৰ ৰক্তপাত হোৱা প্ৰতিস্থাপক বলিদানৰ ভিত্তিতহে পাপীয়ে ঈশ্বৰৰ কাষ চাপিব পাৰে।

কয়িনে তেওঁৰ পিতৃমাতৃৰ ভুলৰ পৰা শিকিব লাগিছিল। তাৰ পৰিবৰ্ত্তে, তেওঁ ঈশ্বৰলৈ তেওঁৰ নিজৰ শ্ৰমৰ ফল, ৰক্তহীন উৎসৰ্গ আনিলে। এইয়া ঈশ্বৰৰ পন্থাৰ চৰম প্ৰত্যাখান, আৰু ঈশ্বৰৰ বাক্যৰ ইচ্ছাকৃত প্ৰত্যাখান আছিল। ইয়াৰ পৰিণতি অনন্তকলীয়া নৰক-গমন হল। অসত্য শুভবাৰ্ত্তা শুদ্ধ যেন লাগে, কিন্তু ই মৰণলৈ লৈ যায়।

তথাপি ইমান শতাব্দীৰ পাছতো, ই এতিয়াও নিৰ্বাচনীৰ ধৰ্ম। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন ৰাষ্ট্ৰপতিৰ ২ নং আইনী সহায়ক বিষয়াৰ মৃত্যু হওঁতে তেওঁ কৈছিল, "মোৰ গভীৰতম আশা এই…[তেওঁৰ] আত্মাই তেওঁৰ উত্তম জীৱন আৰু উত্তম কৰ্মই অৰ্জন কৰা দয়া আৰু পৰিত্ৰাণ লাভ কৰিব।"

ইতিবাচক চিন্তাধাৰাৰ শক্তিৰ ওপৰত তেওঁৰ গুৰুত্বৰ বাবে বিখ্যাত এজন প্ৰসিদ্ধ পালকে কৈছিল, "আমি যিদৰে ভাল চিন্তা কৰোঁ আৰু আমি যিদৰে ভাল কৰ্ম কৰোঁ, আমি বিশ্বাস কৰোঁ সকলোৱে স্বৰ্গলৈ যাব।"

এজন বিশ্বাসী প্ৰচাৰকে এই বিষয়টোৰ ওপৰত চল্লিশ মিনিট ভাষণ দিব পাৰে যে পৰিত্ৰাণ কাৰ্যৰ দ্বাৰা নহয়, কিন্তু বিশ্বাসৰ যোগেদি দয়াৰ দ্বাৰা হয়। শেষত তেওঁ দুৱাৰমুখত থিয় হয় আৰু এজন অতিথিক সোধে, "আপুনি পৰিত্ৰাণ পাইছে নে?" অতিথিজনে উত্তৰ দিয়ে, "মই যিমান সাধ্য কৰিছোঁ।"

এজন খ্ৰীষ্টিয়ানে এজন নতুনকৈ পৰিচিত লোকক সুধিছিল, "আপুনি পৰিত্ৰাণ পাইছে নে?" মানুহজনে উত্তৰ দিলে, "কোনোবাই কেনেকৈ জানিব?" তেওঁ উপলব্ধি কৰিছিল যে যদি পৰিত্ৰাণ চৰিত্ৰ বা কৰ্মৰ দ্বাৰা হয়, তেওঁ যোগ্যতা অৰ্জন কৰিছে বুলি কোনেও নিশ্চিত হব নোৱাৰে। লক্ষ্য অতিকৈ অনিশ্চিত আৰু আয়ত্ত কৰিবলৈ কঠিন।

মানৱ মনত কৰ্মৰ দ্বাৰা পৰিত্ৰাণ ইমান গভীৰভাৱে বদ্ধমূল হৈ আছে যে তাক নিৰ্মূল কৰিবলৈ ঈশ্বৰৰ আত্মাই অতিপ্ৰাকৃত কাৰ্য কৰিব লগীয়া হয়। মানুহে বিশ্বাস কৰিবলৈ বিচাৰে যে তেওঁলোকে নিজকে নিজে ৰক্ষা কৰিব পাৰে বা অন্ততঃ তেওঁলোকৰ পৰিত্ৰাণলৈ বৰঙণি যোগাব পাৰে। এয়ে তেওঁলোকৰ

অহংকাৰলৈ অৰিহণা যোগায়। তেওঁলোকে নিজকে দয়াৰ পাত্ৰ, বা তেওঁলোকে কোৱাৰ দৰে, “দানশীলতা”ৰ পাত্ৰ বুলি ভাবিবলৈ ভাল নাপায়। তেওঁলোকে স্বৰ্গ আৰ্জিব নোৱাৰে বুলি ভাবিবলৈ তেওঁলোকৰ বাবে অসন্তোষজনক।

গতিকে তেওঁলোকে সুকৰ্ম বা সুচৰিত্ৰৰ দ্বাৰা পৰিত্ৰাণলৈ খামোচ মাৰি ধৰি থাকে। বহুতো মানুহ দয়াৰ দ্বাৰা প্ৰকৃততে উদ্ধাৰ হোৱাৰ পাছতো, তেওঁলোকে পুনৰ সেই ধাৰণালৈ উভতি যায় যে নিজকে উদ্ধাৰ কৰি থাকিবলৈ তেওঁলোকে কাৰ্য কৰি থাকিব লাগিব। আজিৰ মণ্ডলী এই বিৰোধী বিশ্বাসেৰে ভৰা।

এই মিছা শুভবাৰ্ত্তাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা শব্দবোৰ হৈছে বিধি ৰক্ষা, কৰ্ম আৰু ঋণ। আন কথাত, পৰিত্ৰাণ হৈছে পাপীজনৰ বিধি ৰক্ষা বা প্ৰশংসনীয় কাৰ্যৰ বাবে ঈশ্বৰে তেওঁলৈ সোধাব লগা ঋণ। ধাৰণাটো হল যে বিচাৰক, ঈশ্বৰে এযোৰ তুলাচনী ধৰি থাকে। তেওঁ মানুহজনৰ ভাল কৰ্ম এফালে, আৰু বেয়া কৰ্মবোৰ আনফালে ৰাখে। যিটো ফাল বেছি গধুৰ সেয়ে তেওঁৰ ভাগ্য নিৰ্ণয় কৰে – স্বৰ্গ অথবা নৰক। অৱশ্যে, কোনফালে তুলাচনী হেলনীয়া হব তাক তেওঁ নমৰালৈকে জানিব নোৱাৰে।

সেয়া দয়া নহয়। দয়া আৰু কৰ্ম সম্পূৰ্ণ বিপৰীত। এই দুটাক মিহলি কৰিবলৈ চেষ্টা কৰাৰ লগে লগে, সেয়া আৰু দয়া হৈ নাথাকে।[৬৯] উদাহৰণ স্বৰূপে, আমি খ্ৰীষ্টিয়ান জীৱন যাপন কৰি পৰিত্ৰাণ পাওঁ বুলি কোৱাটো দয়া নহয়। আমি কোনো ধৰণৰ কৰ্মৰ দ্বাৰা পৰিত্ৰাণ পাওঁ বুলি কোৱাটো দয়া নহয়। আমি বিশ্বাস *আৰু লগতে* কৰ্মৰ দ্বাৰা পৰিত্ৰাণ পাওঁ বুলি কোৱাটোও দয়া নহয়। দয়াই ঘোষণা কৰে যে আমি বিশ্বাস আৰু তাৰ লগত একো নথকাৰ দ্বাৰা পৰিত্ৰাণ পাওঁ।

## ধনী কিন্তু দুঃখী যুৱ শাসনকৰ্ত্তাজন

এসময়ত কৰ্মৰ দ্বাৰা পৰিত্ৰাণত বিশ্বাস কৰা এজন ধনী যুৱ শাসনকৰ্ত্তা আছিল।[৭০] তেওঁ যীচুৰ ওচৰলৈ আহি সুধিলে, “অনন্ত জীৱনৰ অধিকাৰী হবলৈ মই কি ভাল কৰ্ম কৰিব লাগে ? ” তেওঁ তেওঁৰ পৰিত্ৰাণ অৰ্জ্জন কৰিবলৈ বিচাৰিছিল।

যেতিয়া যীচুৱে কৰ্মৰ দ্বাৰা পৰিত্ৰাণ লাভ কৰাৰ অসাধ্যতাক দৰ্শাবলৈ দহ আজ্ঞাৰ ছটা আজ্ঞা উল্লেখ কৰিলে, তেতিয়া যুৱকজনে গৰ্বেৰে বৰাই কৰিলে যে তেওঁ সেই সকলো আজ্ঞাই পালন কৰিছে। কিন্তু আচলতে তেওঁ কৰা নাছিল। তেওঁ তেওঁৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা নাছিল। কৰা হলে, তেওঁ তেওঁৰ সা-সম্পত্তি দৰিদ্ৰৰ লগত ভগালেহেতেন। ধনলোভ তেওঁৰ আগুৰি ধৰা পাপ আছিল। দহটা আজ্ঞাৰ এটা ভংগ কৰি, তেওঁ আটাই দহটা ভংগ কৰিছিল, কাৰণ সেই কেইটা দহটা আঙঠিৰ এডাল শিকলি আছিল। কৰ্মৰ দ্বাৰা নহয়, দয়াৰ দ্বাৰা তেওঁ উদ্ধাৰ পোৱাৰ আৱশ্যক আছিল।

## স্বৰ্গলৈ জাল টিকেট

মানৱ মনত আটাইতকৈ গভীৰভাৱে শিপাই থকা বিৰোধী বিশ্বাস হৈছে যে কৰ্মৰ দ্বাৰা পৰিত্ৰাণ লাভ হয়, যে ভাল মানুহ স্বৰ্গলৈ যায়। মানুহে স্বৰ্গলৈ টিকেট হিচাপে ব্যৱহাৰ কৰা কৰ্মৰ চানেকী ইয়াতে দিয়া হল:

ধৰ্মীয় উদ'যাপন

*বাপ্তিস্ম।* এই কথা বুজি পোৱা উচিত যে এই ধৰ্মীয় ক্ৰিয়া ইতিপূৰ্বে পৰিত্ৰাণ পোৱাবিলাকৰ বাবে। ই খ্ৰীষ্টৰ ৰাজহুৱা স্বীকাৰোক্তি, আৰু তেওঁৰ মৃত্যু, সমাধি আৰু পুনৰুত্থানত তেওঁৰ লগত এক চিনাক্তকৰণ।

*সাব্যস্তকৰণ।* মণ্ডলীৰ এটি ৰীতি, ইয়াক বাইবেলৰ ক'তো পোৱা নাযায় আৰু সেই কাৰণে ই কোনোমতে পৰিত্ৰাণৰ উপায় হব নোৱাৰে।

*স্বীকাৰোক্তি।* স্বীকাৰোক্তি কৰাৰ দ্বাৰা এজন মানুহলৈ পাপ ক্ষমা নহয়। ঈশ্বৰে যি শুনিবলৈ বাট চাই আছে সেয়া হৈছে প্ৰভু আৰু ত্ৰাণকৰ্ত্তা হিচাপে যীচু খ্ৰীষ্টক স্বীকাৰ।

*প্ৰভুৰ ভোজ।* বাপ্তিস্মৰ নিচিনাকৈ, ই নিশ্চিত খ্ৰীষ্টিয়ানবিলাকৰ বাবে। ই প্ৰভুৰ মৃত্যুত তেওঁৰ সোঁৱৰণ।

*প্ৰায়শ্চিত্ত।* এয়ে কোনো ব্যক্তিয়ে নিজৰ পাপৰ নিমিত্তে প্ৰতিকাৰ কৰাৰ প্ৰচেষ্টাত লিপ্ত হোৱা যি কোনো কাৰ্যকলাপক

বুজায়। এই শব্দটো নতুন নিয়মত পোৱা নাযায়। পাপীয়ে অনুতাপ কৰা, অৰ্থাৎ তেওঁলোকৰ পাপ স্বীকাৰ কৰি ক্ষমাৰ বাবে তেওঁলৈ ঘূৰি অহাটো ঈশ্বৰে বিচাৰে।

*মণ্ডলীৰ সদস্যপদ।* প্ৰভুৱে লেখত লোৱা একমাত্ৰ সদস্যপদ হৈছে সকলো সত্য বিশ্বাসীৰে গঠিত প্ৰকৃত মণ্ডলী, খ্ৰীষ্টৰ শৰীৰৰ সদস্যপদ। ই পৰিত্ৰাণৰ উপায় নহয়, কিন্তু খ্ৰীষ্টত বিশ্বাসৰ ফল।

*মণ্ডলীৰ উপাসনাত নিয়মীয়া যোগদান।* যদিও প্ৰশংসনীয়, ইয়াৰ কোনো পৰিত্ৰাণ মূল্য নাই।

*দশম ভাগ দান।* যিমান দূৰ ঈশ্বৰৰ লগত যোগ্যতা লাভ কৰাৰ সম্পৰ্ক, বিশ্বাসহীন এজনৰ বাবে তেওঁৰ উপাৰ্জনৰ কোনো নিৰ্দিষ্ট পৰিমাণ মণ্ডলীলৈ দিয়াটো অনৰ্থক। স্পষ্টকৈ কবলৈ হলে, ঈশ্বৰে তেওঁৰ ধন নিবিচাৰে। তেওঁ তেওঁৰ অনুতাপ আৰু বিশ্বাস দেখিবলৈ বিচাৰে।

*উপবাস।* কোনো ব্যক্তিৰ স্বাস্থ্যৰ বাবে আত্মত্যাগ ভাল হব পাৰে, আৰু খ্ৰীষ্টিয়ানৰ বাবে এয়ে আধ্যাত্মিক মনোযোগত সহায় কৰিব পাৰে। কিন্তু বিশ্বাসহীনৰ বাবে ঈশ্বৰক সন্তুষ্ট কৰাৰ উপায় হিচাপে ই অকাৰ্যকৰী।

*প্ৰাৰ্থনা।* পৰিত্ৰাণ নোপোৱা এজন ব্যক্তিৰ পৰা ঈশ্বৰে শুনিবলৈ বাট চাই থকা প্ৰাৰ্থনাটো হৈছে, "হে ঈশ্বৰ, পাপী মোলৈ দয়ালু হওক, আৰু যীচুৰ হকে মোক উদ্ধাৰ কৰক।"

*চৰম কৰ্মহীনতা।* এই আচাৰ-অনুষ্ঠানত, এজন পুৰোহিতে সংকটজনক অৱস্থাত থকা এজন ব্যক্তিৰ আৰোগ্য আৰু পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰে। দুখৰ কথা, ইয়াৰ কোনো শাস্ত্ৰীয় কৰ্তৃত্ব নাই আৰু পৃথিৱীত জীৱন অথবা অনন্ত জীৱনৰো কোনো নিশ্চয়তা নিদিয়ে।

## বিধি-ৰক্ষা

*দহ আজ্ঞা।* আমি পাছত দেখিম যে এই বিধিবোৰৰ উদ্দেশ্য হৈছে পাপ *প্ৰকাশ* কৰা, তাক ধুই পেলোৱা নহয়।

*সোণালী নিয়ম।* আনে আপোনাক যেনে ব্যৱহাৰ কৰা আপুনি বিচাৰে, আপুনিও তেওঁলোকলৈ তেনে ব্যৱহাৰ কৰাটো

আদৰ্শ নীতি। কিন্তু তাক নিখুঁতভাৱে পালন কৰাটো মানৱ ক্ষমতাৰ বাহিৰত।

*অন্য যি কোনো নীতি-নিয়ম।* নতুন নিয়ম এই শিক্ষা দিয়াত দৃঢ় যে মানুহে নিজক ৰক্ষা কৰিবলৈ একো যোগ্যবান কৰ্ম কৰিব নোৱাৰে।

## সুচৰিত্ৰ

*উত্তম জীৱন যাপন কৰা।* আমাৰ জীৱন যিমানেই ভাল নহওক, সি ঈশ্বৰৰ মানত কম পৰে, সেয়া হৈছে তেওঁৰ পুত্ৰ খ্ৰীষ্ট। এটা পাপেই মানুহক পাপী কৰে, আৰু পাপৰ বেচ মৃত্যু।

*আনতকৈ উত্তম হোৱা।* প্ৰায় যি কোনো লোকেই কব পাৰে যে তেওঁ অন্য কোনোবা এজনতকৈ উত্তম। বংশপ্ৰতীক স্তম্ভত সদায় কোনোবা এজন আটাইতকৈ তলত থাকে। দুঃখিত, এই অহংকাৰে কাম নিদিয়ে। যদি এয়ে যথেষ্ট হলহেতেন, তেন্তে সৰ্বকালৰ নিকৃষ্টতম পাপীজনৰ বাহিৰে অন্য সকলোৱে পৰিত্ৰাণ পালেহেতেন।

## সুকৰ্ম

*দান-দক্ষিণালৈ উপহাৰ।* সমব্যথাত আৱশ্যক যে আমি অভাৱত থকাবিলাকৰ লগত ভগাই লওঁ। দান-দক্ষিণাৰ অহিতে কথা কোৱা মাতৃত্বৰ অহিতে কথা কোৱাৰ নিচিনা হব। কিন্তু মূল কথাটো হৈছে যে এইবোৰে পাপৰ প্ৰতিকাৰ কৰিব নোৱাৰে।

*সাধ্য অনুসাৰে সৰ্বোত্তম কৰা।* প্ৰত্যেকে তাকে কৰা উচিত, কিন্তু সুকৰ্ম ত্ৰাণকৰ্ত্তা নহয়। যীচুহে হয়।

## উত্তৰাধিকাৰ

*ধাৰ্মিক পিতৃমাতৃৰ পৰা জন্মগ্ৰহণ।* পৰিত্ৰাণ উত্তৰাধিকাৰৰ কথা নহয়। ই তেজত প্ৰবাহ নকৰে। বৰঞ্চ, পৰিত্ৰাণত আৱশ্যক যে প্ৰত্যেক ব্যক্তিয়ে শুভবাৰ্ত্তালৈ ব্যক্তিগত সঁহাৰি দিয়ক।

*পৰিয়ালত পালক, পুৰোহিত বা ৰব্বি থকা।* বেলেগ এজনৰ জীৱিকাৰ যোগেদি কোনো বিশ্বাসী নহয়। আমাৰ মানৱীয় সংযোগৰ দ্বাৰা আমি উদ্ধাৰ নহওঁ।

## অন্যান্য

*ভাল পিতৃ বা মাতৃ হোৱা, অথবা উত্তম পৰিয়াল গঢ় দিয়া।* এই কাম প্ৰশংসনীয়, কিন্তু এয়ে যথেষ্ট নহয়। আমি কৰিব পৰা কোনো ভাল কাৰ্যৰ দ্বাৰা আমি পৰিত্ৰাণ নাপাওঁ।

ইয়াৰে এটাও – বা সেইবোৰৰ যি কোনো সংযোজনে – এজন ব্যক্তিক উদ্ধাৰ কৰিব নোৱাৰে। কৰিব পৰা হলে, খ্ৰীষ্টৰ মৃত্যু হোৱাৰ প্ৰয়োজন নাছিল। তেওঁৰ মৃত্যু হোৱাৰ, কবৰস্থ হোৱাৰ, আৰু পুনৰায় উঠাৰ কাৰণ আছিল যে তেওঁত বিশ্বাস কৰাৰ বাহিৰে পৰিত্ৰাণ পোৱাৰ অন্য কোনো উপায় নাই।

আপুনি যদি তালিকাখন ভালদৰে চায়, আপুনি দেখিব যে তাৰ এটা বস্তুও পৃথিৱীৰ প্ৰত্যেকজনে ঢুকি পোৱাৰ ভিতৰত নাই। প্ৰকৃততে, আপুনি এনে কোনো তথাকথিত সুকৰ্মৰ কথা ভাবিব নোৱাৰে যিটো ব্যতিক্ৰম নোহোৱাকৈ প্ৰত্যেকে কৰিব পাৰে। আপুনি যদি ভৰি বা হাত নথকা লোক, বা যিসকল অন্ধ বা নিঃসম্বল বা মৃত্যুৰ পৰা এক মিনিট আঁতৰত থকা মানুহৰ কথা ভাবে, আপুনি বুজিব যে কৰ্মৰ দ্বাৰা পৰিত্ৰাণ এটি হেয় শুভবাৰ্ত্তা। তাত কোনো সুখবৰ নাই।

শ শ বছৰ ধৰি মানুহে মানৱ মনে উদ্ভাৱন কৰিব পৰা প্ৰত্যেকটো কৌশলৰ দ্বাৰা স্বৰ্গ জয় কৰিবলৈ চেষ্টা কৰি আহিছে: তপস্যা, আত্মত্যাগ, সুখ ত্যাগ, দৈহিক যাতনা (যেনে আঁঠু কাঢ়ি চিৰি বগোৱা), তীৰ্থযাত্ৰা, সন্ন্যাস, বা ধন পৰিশোধ। এই সকলো অসাৰ প্ৰচেষ্টা। খ্ৰীষ্টৰ তেজৰ বাহিৰে একোৱেই পাপৰ দাগ ধুই পেলাব নোৱাৰে।

## 'যীচু আৰু লগতে' অযুক্তি

অনেক লোক আছে যিসকলে স্বীকাৰ কৰে যে খ্ৰীষ্টত

বিশ্বাস আৱশ্যক, কিন্তু তেওঁলোকে লগে লগে অন্য কিছুমান প্ৰয়োজনীয়তা যোগ দিয়ে। মণ্ডলীৰ আৰম্ভনিৰ দিনত কোনোবাই শিকাইছিল যে চুন্নত হোৱাও আৱশ্যক। আজিকালি মানুহে বাপ্তিস্ম, পৰভাষাত কথা কোৱা, বিশ্ৰামবাৰ পালন কৰা, বিধি-ৰক্ষা আৰু তেনে ধৰণৰ কাৰ্যক যোগ দিয়ে। এইবোৰ সম্পূৰ্ণৰূপে মিছা। প্ৰভু যীচু খ্ৰীষ্টই একমাত্ৰ আৰু পৰ্যাপ্ত ত্ৰাণকৰ্ত্তা। তেওঁ ত্ৰাণকৰ্ত্তা হোৱাৰ সন্মান অন্য কাৰো লগত বা কোনো বস্তুৰ লগত ভগাই নলয়। পৰিত্ৰাণ বিশ্বাস লগতে 'একো নাই'ৰ যোগেদি স্বীকাৰোক্তি কৰাৰ দয়াৰ দ্বাৰা প্ৰাপ্ত হয়।

## অসত্য শুভবাৰ্ত্তা অনাবৃত হল

অসত্য শুভবাৰ্ত্তা মাৰাত্মকৰূপে ত্ৰুটিপূৰ্ণ। বাইবেলে বাৰে বাৰে কৈছে যে বিধি-ৰক্ষা বা সুকৰ্মৰ দ্বাৰা কোনেও কেতিয়াও পৰিত্ৰাণ লাভ নকৰে।[৭১] এইবোৰে পাপৰ প্ৰতিকাৰ কৰিব নোৱাৰে। আনহাতে, বাইবেলত এনে বহুত পদ আছে যিবিলাকে কয় যে পৰিত্ৰাণ খ্ৰীষ্টত বিশ্বাসৰ দ্বাৰা হয়, আৰু ই কৰ্মৰ পৰা সম্পূৰ্ণৰূপে সুকীয়া।[৭২]

নিজৰ কৰ্মৰ দ্বাৰা পৰিত্ৰাণ বিচৰা এজন মানুহে তেওঁ পৰিত্ৰাণ পাইছে নে নাই তাক কেতিয়াও জানিব নোৱাৰে। তেওঁ কেতিয়াও জানিব নোৱাৰে তেওঁ যথেষ্ট সুকৰ্ম বা শুদ্ধ ৰকমৰ কৰ্ম কৰিছে নে নাই। কিন্তু আপুনি যেতিয়া বিশ্বাসৰ যোগেদি দয়াৰ দ্বাৰা পৰিত্ৰাণ পায়, ঈশ্বৰৰ বাক্যৰ ক্ষমতাত আপুনি পৰিত্ৰাণ পাইছে বুলি আপুনি জানিব পাৰে। আপুনি যেতিয়া এটি উপহাৰ লাভ কৰে আপুনি গম পায়। বাইবেলে সেয়ে বুজাইছে যেতিয়া বাইবেলে কৈছে, "এই কাৰণে, ...অনুগ্ৰহৰ দৰে তেওঁবিলাক উত্তৰাধিকাৰী হবলৈ তেওঁবিলাকৰ উত্তৰাধিকাৰ বিশ্বাসৰ দ্বাৰাইহে হয়।"[৭৩]

বিধানৰ অধীনত থকা এজন লোকে কেতিয়াও চিৰস্থায়ীভাৱে নিৰাপদ হব নোৱাৰে কাৰণ ভৱিষ্যতে তেওঁ কি কৰিব পাৰে তাক তেওঁ নাজানে। কৰ্ম শুভবাৰ্ত্তাৰ মাৰাত্মক ত্ৰুটি হৈছে যে সকলো ব্যক্তিগত চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰে।

অনুগ্ৰহৰ শুভবাৰ্ত্তাই নিশ্চয়তা দিয়ে যে খ্ৰীষ্টৰ কোনো মেৰ কেতিয়াও নষ্ট নহব। জ'ন কেন্টৰ ধৰ্মগীতে এই দৃঢ়বিশ্বাস প্ৰতিফলিত কৰে:

চিৰস্থায়ী বান্ধোনৰে বন্ধা
প্ৰাণক কিহে খ্ৰীষ্টৰ পৰা বিচ্ছিন্ন কৰিব পাৰে?
এবাৰ তেওঁত হলে, চিৰকাললৈ তেওঁৰ,
অনন্ত অংগীকাৰৰ স্থিতি এয়ে:
কোনেও নোৱাৰে তোমাক আঁজুৰি ছিঙিব
ত্ৰাণকৰ্ত্তাৰ সবল হাতৰ পৰা।

তেওঁলোকৰ পৰিত্ৰাণৰ নিমিত্তে কাম কৰিবলৈ বা অৰ্জন কৰিবলৈ চেষ্টা কৰা মানুহবোৰ দাস, তেওঁলোকে অন্তহীনভাৱে কঠোৰ চেষ্টা কৰে কিন্তু কেতিয়াও কৃতকাৰ্য নহয়। যীচুৱে বিশ্বাসীবিলাকক প্ৰতিশ্ৰুতি দিছিল যে তেওঁ যেতিয়া তেওঁলোকক মুক্ত কৰিলে, তেতিয়া তেওঁলোক প্ৰকৃততে মুক্ত হব।

অসত্য শুভবাৰ্ত্তাৰ মূল শব্দটো হৈছে *কৰা*। দয়াৰ মূল শব্দটো হৈছে *কৰা হল*। খ্ৰীষ্টে ইতিপূৰ্বে মুক্তিৰ কাৰ্য সমাপ্ত কৰিলে। গতিকে আপুনি কৰাৰ প্ৰয়োজন নাই।

স্বভাৱ অনুযায়ী, মানুহে দয়া ভাল নাপায়। তেওঁলোকে নিজৰ বাবে তাক নিবিচাৰে আৰু ঈশ্বৰে আনলৈ দয়া দেখুওৱাটো তেওঁলোকে নিবিচাৰে। এই ক্ষেত্ৰত, তেওঁলোক কিছু পৰিমাণে দানা দিয়া পাত্ৰত বহি থকা কুকুৰৰ নিচিনা। কুকুৰে শুকান ঘাঁহ নাখায়, কিন্তু অন্য সকলো পশুক খেদি পঠিয়ায়। যীচুৰ দিনৰ ধৰ্মীয় নেতাবিলাকে মানুহৰ অহিতে ঈশ্বৰৰ ৰাজ্য বন্ধ কৰি পেলাইছিল। তেওঁলোকে নিজে প্ৰৱেশ কৰা নাছিল, আৰু প্ৰৱেশ কৰাৰ পৰা আনকো বাধা দিবলৈ চেষ্টা কৰিছিল। আইনী বিশেষজ্ঞবিলাকৰ লগতো একে কথাই আছিল। তেওঁলোকে মানুহবিলাকৰ পৰা ঈশ্বৰৰ বাক্য ৰাখি থৈছিল, নিজে প্ৰৱেশ কৰা নাছিল, আৰু প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাবিলাকক বাধা প্ৰদান কৰিছিল।

বিধিয়ে দয়াক উৎপীড়ন কৰে। পুৰণি নিয়মৰ সময়ত, ইস্মায়েলে যেতিয়া ইচ'হাকক ঠাট্টা কৰিছিল, সেই ঘটনাটোত

পৌলে এই সত্যৰ উদাহৰণ দেখিছিল।[৭৪] আৰু খ্ৰীষ্টৰ ক্ৰুচীয় মৃত্যুত এই কথা আৰু সম্পূৰ্ণৰূপে দেখা যায়। বিধিৰ বিশেষজ্ঞবোৰেই দয়া আৰু সত্যক অনা জনাৰ মৃত্যুক উদ্ভাৱন কৰিছিল।

# ৭

# প্ৰকৃত বিশ্বাসীক চিনি পাবলৈ সহজ

এজন মানুহক যেতিয়া আপুনি এই সহজ প্ৰশ্নকেইটা সোধে, "আপুনি পৰিত্ৰাণ পাইছে নে?" বা "আপুনি খ্ৰীষ্টিয়ান নে?" সেই মানুহজনে – বিধি বা দয়া – এই দুটা প্লেটফৰ্মৰ ভিতৰত কোনটোৰ ওপৰত থিয় হৈ আছে আপুনি কব পাৰিব। এজন প্ৰকৃত বিশ্বাসীয়ে এনে ধৰণে কব: "হয়, মই পৰিত্ৰাণ পাইছোঁ, কিন্তু সেয়া কেৱল ঈশ্বৰৰ দয়াৰ দ্বাৰা আৰু মই কৰা কোনো কৰ্মৰ দ্বাৰা নহয়।"

বাইবেলত দয়াৰ সুউপলব্ধি থকা মানুহৰ কিছুমান উল্লেখযোগ্য উদাহৰণ আছে।

ৰূথ এক ঘৃণিত আৰু অভিশপ্ত সংখ্যালঘু সম্প্ৰদায়ৰ সদস্যা আছিল। বোৱজ নামৰ এজন মানুহে তেওঁলৈ অসাধাৰণ আৰু অপ্ৰত্যাশিত দয়া দেখুওৱাত, তেওঁ কৈছিল, "বিদেশিনী যি মই মোলৈ যে আপুনি কৃপাদৃষ্টি কৰিছে, আপোনাৰ আগত এই অনুগ্ৰহ মই কিয় পালোঁ?"[৭৫] তেওঁ দয়া বুজি পাইছিল।

দায়ূদৰ লগত যিহোৱাই এক চৰ্তবিহীন নিয়ম স্থাপন কৰাৰ পাছত, দায়ূদে কৈছিল, "হে প্ৰভু যিহোৱা, মই নো কোন, আৰু মোৰ বংশই বা কি, যে তুমি মোক ইমান ওখ খাপলৈ আনিছা?"[৭৬] দায়ূদে জানিছিল তেওঁ তাৰ যোগ্য নাছিল।

দায়ূদে যেতিয়া যোনাথনৰ পংগু পুত্ৰক বাস্তৱিকতে পোষ্য

পুত্ৰৰূপে গ্ৰহণ কৰি লৈছিল, তেতিয়া যুৱকজনে কৈছিল, “আপোনাৰ দাস মই নো কোন, যে মৰা কুকুৰৰ সদৃশ যি মই, মোলৈ আপুনি সুদৃষ্টি কৰিছে?”[৭৭] মফীবোচতে বুজি পাইছিল যে ৰজাই তেওঁক বধ কৰিব পাৰিলেহেতেন, কাৰণ তেওঁ, মফীবোচৎ, চৌলৰ নাতি আছিল, যি জন দায়ূদৰ প্ৰাণনাশক পুৰুষাৰ্থত নিৰ্মম আছিল।

পৌলে এই কথা কেতিয়াও পাহৰিব পৰা নাছিল যে, মণ্ডলীৰ পূৰ্বৰ এজন উৎপীড়ক, তেওঁক পাঁচনি হবলৈ আহ্বান কৰা হৈছিল: “…আদি কালৰ পৰা লুকুৱা নিগূঢ়তত্ত্বৰ কাৰ্য-নিৰ্বাহ কি, তাক সকলোকে দেখুৱাবলৈ, আৰু খ্ৰীষ্টৰ অনুসন্ধান কৰিব নোৱাৰা ধনৰ শুভবাৰ্ত্তা পৰজাতিবিলাকৰ আগত প্ৰচাৰ কৰিবলৈ সকলো পবিত্ৰবিলাকৰ মাজত সৰুতকৈয়ো সৰু যি মই, মোক সেই অনুগ্ৰহ দিয়া হল।”[৭৮] তেওঁ আনন্দমনে স্বীকাৰ কৰিছিল যে তেনে আমন্ত্ৰণ পোৱাৰ তেওঁ অযোগ্য।

## এই কথা ভালদৰে ব্যক্ত কৰা গীতসমূহ

আৰু বহুতো খ্ৰীষ্টিয়ান গীতে বিশ্বাস কৰাবিলাকলৈ ঈশ্বৰে প্ৰদৰ্শন কৰা দয়াৰ কৃতজ্ঞতাপূৰ্ণ স্বীকৃতি সুন্দৰৰূপে ব্যক্ত কৰিছে।

তাৰ ভিতৰত হয়তো আটাইতকৈ বিখ্যাত জ’ন নিউটনৰ অমৰ কাব্য:

কি আচৰিত দয়া প্ৰভুৰ!
অধমে পাওঁ মুক্তি।
হেৰাইছিলোঁ, তেওঁ পালে মোক,
অন্ধই পালোঁ দৃষ্টি।

(এইটো এক ৰহস্য যে কিমান মানুহে এই গীতটি ভাল পায় আৰু আন কি গায়ো, তথাপি তেওঁলোকে বিশ্বাস কৰে তেওঁলোকৰ সুজীৱনৰ দ্বাৰাইহে তেওঁলোকে পৰিত্ৰাণ লাভ কৰিছে!)

আইজাক‘ ৱাট‘ছৰ কথাখিনিও একে ধৰণৰ:

হায়, হায়, মোৰ প্ৰভু ত্ৰাণকৰ্ত্তাই
ভোগ কৰি ঘোৰ মৰণ
দিলে আপোন অমূল্য তেজ,
মই অধমৰ কাৰণ।

চাৰ্ল'ছ' গেব্ৰিয়েলে বুজি পাইছিল যে তেওঁৰ পৰিত্ৰাণ সম্পূৰ্ণ দয়াৰ ফল:

যীচুৱে মোলৈ যি প্ৰেম যাচিলে তাত মই হৈ ৰওঁ আশ্চৰ্য,
মোলৈ তেওঁ ইমান মুকলিকৈ আগবঢ়োৱা অনুগ্ৰহত
মই হওঁ বিভ্ৰান্ত;
মোৰ বাবে তেওঁ ক্ৰুচবিদ্ধ হল জানি মই হওঁ কম্পমান –
যে মই হেন পাপীৰ বাবে ভুগিলে যাতনা, বোৱালে তেজ আৰু
মৰিল তেওঁ।

যেতিয়া চাৰ্ল'ছ' চিমিয়োনে প্ৰথমে জ'ন ৱেছ'লিক লগ পাইছিল, তেতিয়া তেওঁলোকৰ মাজত হোৱা প্ৰকৃত কথোপকথন ইয়াতে দিয়া হল:[৭৯]

*চিমিয়োন*: মই শুনিছোঁ যে আপোনাক আৰ্মেনিয়ান বুলি কোৱা হয়;[৮০] আৰু মোক কেতিয়াবা কেতিয়াবা কাল'ভিনবাদী বুলি কোৱা হয়, গতিকে মোৰ বোধেৰে আমি ইজনে সিজনক মাৰিবলৈ তৰোৱাল ডাঙি লোৱা উচিত। কিন্তু যুদ্ধ আৰম্ভ কৰিবলৈ সন্মত হোৱাৰ আগতে, মই আপোনাক কেইটামান প্ৰশ্ন সুধিম। আপুনি নিজকে ভ্ৰষ্ট প্ৰাণী বুলি অনুভৱ কৰে নে, ইমানেই ভ্ৰষ্ট যে ঈশ্বৰে আপোনাৰ অন্তৰত তেওঁলৈ উভতি অহাৰ চিন্তা প্ৰথমে ভৰাই নিদিয়া হলে আপুনি সেই কথা কেতিয়াও নাভাবিলেহেতেন?

*ৱেছ'লি*: হয়, মই সঁচাকৈয়ে তেনে অনুভৱ কৰোঁ।

*চিমিয়োন*: আৰু আপুনি কৰিব পৰা যি কোনো কৰ্মৰ দ্বাৰা নিজকে ঈশ্বৰক গতাই দিয়াৰ আশা আপুনি সম্পূৰ্ণৰূপে এৰি দিয়ে নে; আৰু একমাত্ৰ খ্ৰীষ্টৰ তেজ আৰু ধাৰ্মিকতাৰ যোগেদি পৰিত্ৰাণলৈ দৃষ্টি কৰে?

*ৱেছ'লি*: হয়, একমাত্ৰ খ্ৰীষ্টৰ যোগেদি।

*চিমিয়োন*: কিন্তু ধৰি লওক আপুনি প্ৰথমে খ্ৰীষ্টৰ দ্বাৰা

উদ্ধাৰ হৈছিল, তাৰপাছত কিবা নহয় কিবা প্ৰকাৰে আপুনি নিজৰ শক্তিৰ দ্বাৰা নিজকে বচাব নোৱাৰে নে ?

*ৰেছ'লি*: নহয়, প্ৰথমৰ পৰা শেষলৈকে মই খ্ৰীষ্টৰ দ্বাৰা উদ্ধাৰ হব লাগিব।

*চিমিয়োন*: তেনেহলে ধৰি লওক যে আপুনি প্ৰথমে ঈশ্বৰৰ দয়াৰ দ্বাৰা ঘূৰি আহিছিল, আপুনি কিবা নহয় কিবা উপায়েৰে আপোনাৰ নিজৰ শক্তিৰ দ্বাৰা নিজকে ধৰি ৰাখিব নোৱাৰে নে ?

*ৰেছ'লি*: নোৱাৰোঁ।

*চিমিয়োন*: তেন্তে মাকৰ বাহুৰে যেনেকৈ শিশু এটিক ধৰি ৰাখে, তেনেকৈ প্ৰতিটো মুহূৰ্ত্ত, প্ৰতিটো ঘন্টাত আপোনাকো ঈশ্বৰে ধৰি ৰাখিব লাগিব নে কি ?

*ৰেছ'লি*: হয়, সম্পূৰ্ণভাৱে।

*চিমিয়োন*: আৰু আপোনাক তেওঁৰ স্বৰ্গৰাজ্যলৈ সংৰক্ষণ কৰি ৰাখিবলৈ ঈশ্বৰৰ অনুগ্ৰহ আৰু দয়াৰ ওপৰতে আপোনাৰ সকলো আশা আছে নে ?

*ৰেছ'লি*: হয়, তেওঁৰ বাহিৰে মোৰ অন্য কোনো আশা নাই।

চিমিয়োন সন্তুষ্ট হল। যুদ্ধ কৰাৰ কোনো কাৰণ তেওঁ বিচাৰি নাপালে। তেওঁ তেওঁৰ ৰূপকযুক্ত তৰোৱাল পুনৰ খাপত ভৰাই থলে।

এই দুয়োজন লোকে দয়াৰ মঞ্চত দৃঢ়ভাৱে থিয় হৈ আছিল।

# ৮

# আপোনৰ কথাই আপোনাৰ চৰিত্ৰ প্ৰকাশ কৰে

কৰ্মৰ মঞ্চত থকাবিলাকে তলত দিয়া ধৰণৰ কথা কৈ তেওঁলোকৰ অৱস্থান প্ৰকাশ কৰে:

"মই মোৰ সৰ্বোত্তম কৰিছোঁ।"

ইয়াত সমস্যাটো হল যে আপোনাৰ সৰ্বোত্তম যথেষ্ট উত্তম নহয়! আপোনাৰ যাচিবলৈ থকা সমস্ত "সৰ্বোত্তম" ঈশ্বৰৰ দৃষ্টিত কেৱল লেতেৰা ফটাকানি।

"আন বহুতো লোকৰ নিচিনাকৈ মই ইমান বেয়া নহওঁ।"

সেয়া সত্য হব পাৰে কিন্তু ঈশ্বৰৰ সিদ্ধতাৰ মানদণ্ডত আপুনি কম পৰিছে আৰু আপুনি উদ্ধাৰ পোৱাৰ আৱশ্যক।

"মই এজন খ্ৰীষ্টিয়ান হবলৈ চেষ্টা কৰিছোঁ। মই মোৰ চুবুৰীয়াৰ প্ৰতি দয়ালু আৰু মই সুজীৱন যাপন কৰোঁ।"

চেষ্টা কৰাৰ দ্বাৰাই আপুনি খ্ৰীষ্টিয়ান হব নোৱাৰে। প্ৰভু যীচুত বিশ্বাস কৰাৰ দ্বাৰাইহে হব পাৰে। এটি পুৰণি ধৰ্মগীতে কৈছে:

বিবেকে তোমাক পলম নকৰাওক,
সুস্বপ্নও যেন নেদেখা যোগ্যতাৰ;
তেওঁ বিচাৰে যি যোগ্যতা
সেয়া অনুভৱ কৰিবলৈ তোমাৰ আছে তেওঁৰ প্ৰয়োজনীয়তা।

– এইচ'. স্মাৰ্ট

"মই যে অকপট সেয়াই যথেষ্ট নহয় নে?"

এজন ব্যক্তি অকপট হৈয়ো অকৃত্ৰিমভাৱে ভুল হব পাৰে। এজন পিতৃয়ে মাজনিশা ডকাইতৰ শব্দ শুনিছে বুলি ভাবি তলৰ মহলালৈ নামি অহাৰ কাহিনীটো পঢ়িছে নে? তেওঁ বহা কোঠাটোত অলপ লৰচৰ হোৱা দেখি তেওঁৰ বন্দুকেৰে গুলীয়ালে আৰু তেওঁৰ মৰমলগা, কণমানি জীয়েকজনীক মাৰি পেলালে। তেওঁ অকপট আছিল, কিন্তু তেওঁৰ ভয়ানক ভুল হৈছিল।

"মই সদায় বৰ ধাৰ্মিক।"

কেতিয়াবা এজন ব্যক্তিৰ বিষয়ে আটাইতকৈ হীন বস্তুটো হৈছে তেওঁৰ ধৰ্ম। এয়ে তেওঁৰ পৰা তেওঁৰ খ্ৰীষ্টৰ প্ৰয়োজনীয়তাক লুকুৱায়। ৱাৰেন উৱাইৰছ বিয়ে কৈছে, "আজিৰ যুগৰ সৰহভাগ 'ধাৰ্মিক' লোকৰ দৰেই, পৌলক বিপদৰ পৰা আঁতৰত ৰাখিবলৈ তেওঁৰ যথেষ্ট নৈতিকতা আছিল, কিন্তু তেওঁক স্বৰ্গলৈ নিব পৰাকৈ যথেষ্ট ধাৰ্মিকতা নাছিল! পৌলক বেয়া বস্তুবোৰে যীচুৰ পৰা আঁতৰত ৰখা নাছিল – ভাল বস্তুবোৰেহে ৰাখিছিল! পৰিত্ৰাণ পাবলৈ তেওঁ তেওঁৰ 'ধৰ্ম' হেৰুৱাব লগা হৈছিল।"[৮১]

"মই আশা কৰোঁ মই স্বৰ্গলৈ যাম।"

আশা কৰাই যথেষ্ট নহয়; আপুনি জানিবই লাগিব। আপুনি নিশ্চিত হব লাগিব। হয়তো আপোনাৰ আশা ভুল।

"মোৰ ককাদেউতা পালক আছিল।"

এয়ে সম্পূৰ্ণৰূপে এই কথা আওকাণ কৰে যে পৰিত্ৰাণ অত্যন্ত ব্যক্তিগত বিষয়। আপোনাৰ ককাদেউতাৰ পদমৰ্যদাই আপোনাক উদ্ধাৰ নকৰে। দয়া জীৱকোষত প্ৰবাহ নকৰে। পৰিত্ৰাণ ভাল সঁচৰ বিষয়বস্তু নহয়।

"ঈশ্বৰে তেওঁৰ তুলাচনী ওলিয়াই ননালৈকে আপুনি জানিব নোৱাৰে।"

আপুনি যদি আপোনাৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিছে তেন্তে অতি পলম হৈ যাব। আপুনি যদি ঈশ্বৰৰ উপহাৰ, অৰ্থাৎ প্ৰভু যীচু খ্ৰীষ্টৰ যোগেদি অনন্ত জীৱন, গ্ৰহণ কৰে আপুনি এতিয়াই জানিব পাৰে।

"মই ভাবোঁ মোৰ এটা ভাল সম্ভাৱনা আছে।"

যেতিয়ালৈকে আপুনি নিজৰ ওপৰত নিৰ্ভৰ কৰে,

ত্ৰাণকৰ্ত্তাৰ ওপৰত নহয়, তেতিয়ালৈকে আপোনাৰ কোনো সম্ভাৱনা নাই।

"মই পৰিত্ৰাণ পালোঁ বুলি কোৱাটো মোৰ বাবে ধৃষ্টতা হব।"

এইটো সত্য হব যদি পৰিত্ৰাণ কৰ্মৰ দ্বাৰা হয়। কিন্তু সেয়া যেতিয়া সাধাৰণ বিশ্বাসত আধাৰিত বিনামূলীয়া উপহাৰ হয়, তাত কোনো ধৃষ্টতা নাথাকে। ঈশ্বৰে কৈছে যে যিবিলাকে মন পালটন কৰি বিশ্বাস কৰে তেওঁলোকে পৰিত্ৰাণ পায়। এই কথা বিশ্বাস কৰাটো ধৃষ্টতা নে? নহয়, তেওঁৰ বাক্যক সন্দেহ কৰাটোহে ধৃষ্টতা। তাতহে প্ৰকৃত ধৃষ্টতা নিহিত থাকে।

"মই জানোঁ প্ৰথমতে মোৰ জীৱন পৰিষ্কাৰ কৰিব নালাগিব?"

নাই, নালাগে। আপোনাৰ সকলো পাপৰ সৈতে আপুনি যেনেকৈ আছে তেনেকৈয়ে আহিবলৈ ঈশ্বৰে আপোনাক আমন্ত্ৰণ কৰিছে। আপুনি যদি আৰু ভাল হোৱালৈকে বাট চায়, আপুনি কেতিয়াও নাহিব। ঈশ্বৰে ভাল মানুহ বা নিজকে পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰা মানুহক বিচাৰি ফুৰা নাই। তেওঁ অধাৰ্মিক পাপীবোৰক বিচাৰিছে যাক তেওঁ উদ্ধাৰ কৰিব, দোষমুক্ত কৰিব আৰু মহিমান্বিত কৰিব পাৰে।

"মোৰ ভয় মই কিজানি টিকি থাকিব নোৱাৰিম।"

আপুনি যদি এবাৰ বুজি পায় যে পৰিত্ৰাণ সম্পূৰ্ণৰূপে দয়াৰ ফল আপোনাৰ এই ভয় নাথাকিব। আপুনি যেনেকৈ প্ৰথমাৱস্থাত নিজক উদ্ধাৰেই কৰিব নোৱাৰে, ঠিক তেনেকৈ আপুনি "টিকি থাকিব"ও নোৱাৰে। কিন্তু যি জনা ত্ৰাণকৰ্ত্তাই আপোনাক পৰিত্ৰাণ বিনামূলীয়া উপহাৰ হিচাপে দিয়ে, তেৱেঁই "আপোনাক নপৰাকৈ ৰক্ষা কৰিবলৈ, আৰু তেওঁৰ প্ৰতাপৰ সাক্ষাতে নিষ্কলংকৰূপে অতি আনন্দেৰে সৈতে উপস্থিত কৰিবলৈ সমৰ্থ।"[৮২]

ওপৰত উল্লেখিত সকলো উদ্ধৃতিত ব্যক্তিগত চৰিত্ৰৰ ওপৰত দিয়া গুৰুত্বক মন কৰক। ত্ৰাণকৰ্ত্তাৰ বিষয়ে এটা শব্দৰো উল্লেখ নাই। ব্যক্তিজনে ভাবে যে সকলো তেওঁ নিজে যি হয় বা নিজে যি কৰে তাৰ ওপৰতে নিৰ্ভৰ কৰে।

# ৯

# কৰ্মৰ লগত নো ভুল কি ?

আমি ওপৰত যি কৈ আহিছোঁ তাৰ পৰা এনে ধাৰণা হব পাৰে যে আমি কৰ্মত বিশ্বাস নকৰোঁ। সেইটো এটা ভুল ধাৰণা।

আমি যেতিয়া কওঁ আমি কৰ্মৰ দ্বাৰা পৰিত্ৰাণ নাপাওঁ, আমি বুজাইছো *যোগ্যৱান* কৰ্ম, আন কথাত, যি কৰ্মই আমাক উদ্ধাৰ কৰিবলৈ ঈশ্বৰক বাধ্য কৰে সেই কৰ্ম। আমি বুজাইছোঁ যি কৰ্মৰ দ্বাৰা আমি স্বৰ্গত এটি স্থান অৰ্জন কৰিবলৈ বা তাৰ যোগ্য হবলৈ বিচাৰোঁ সেই কৰ্ম।

প্ৰকৃততে এক অৰ্থত আন কি মন পালটন আৰু বিশ্বাসো কৰ্মই হয়, কিন্তু সেইবোৰ *যোগ্যৱান* নহয়। মন পালটন হৈছে উভতি ঘূৰা যাতে আপোনাৰ মুখ ঈশ্বৰৰ ফালে আৰু আপোনাৰ পিঠি পাপৰ ফালে হয়। বিশ্বাস হৈছে মিছা কব নোৱাৰা ঈশ্বৰৰ বাক্যত সহজভাৱে বিশ্বাস কৰা। মন পালটন অথবা বিশ্বাস আপুনি গৌৰৱ কৰা বস্তু নহয়। সহজভাৱে সেইবোৰ প্ৰত্যেকে লব লগীয়া ন্যায্য কাৰ্যপন্থা।

এজন পাপীয়ে কৰিব পৰা প্ৰথম সুকৰ্মটো হৈছে খ্ৰীষ্টত বিশ্বাস কৰা। যিহূদীবিলাকে যেতিয়া যীচুক সুধিছিল, "ঈশ্বৰৰ মনোনীত কৰ্ম কৰিবলৈ আমি কি কৰিব লাগে ?" যীচুৱে উত্তৰ দিছিল, "ঈশ্বৰে যি জনক পঠালে, তেওঁত বিশ্বাস কৰাই ঈশ্বৰৰ মনোনীত কৰ্ম।"[৮৩]

তাকে নকৰালৈকে, তেওঁৰ সুকৰ্মবোৰ ঈশ্বৰৰ দৃষ্টিত কুকৰ্ম। যাচিবলৈ তেওঁৰ যি সৰ্বোত্তম আছে সেয়া প্ৰভুৰ মানত কেৱল লেতেৰা ফটাকানি।[৮৪] কিন্তু মানুহ এজনৰ পুনৰ্জন্ম হোৱাৰ লগে লগে সেই সকলো সলনি হয়। তেতিয়াৰে পৰা, প্ৰভুৰ বাক্যলৈ আনুগত্যৰে তেওঁ যি কৰে সেয়া সুকৰ্ম। তেওঁ যিহকে কৰে সেয়া প্ৰভুৰে যোগ্য বুলি বিবেচনা কৰে। অতিকৈ সাধাৰণ আৰু নীহ কামো সুকৰ্ম হৈ পৰে যেতিয়া সেইবোৰ তেওঁক সন্তুষ্ট কৰাৰ উদ্দেশ্যে কৰা হয়। আমি কেতিয়াবা ভাল কৰ্মবোৰ দয়া আৰু দানৰ কৰ্ম, আৰু নানা ধৰণৰ খ্ৰীষ্টিয়ান সেৱাৰ মাজতে সীমাবদ্ধ কৰি ৰাখোঁ। কিন্তু কৰ্মস্থল আৰু ঘৰত আমাৰ দৈনিক কৰ্ত্তব্যবোৰৰ ঈশ্বৰৰ ওচৰত মূল্য আছে আৰু খ্ৰীষ্টৰ সোধবিচাৰৰ আসনত পুৰস্কাৰ পাব।

সুকৰ্ম পৰিত্ৰাণৰ *ফল*, *গুৰি* নহয়: পৰিণাম, কাৰণ নহয়। বাইবেল এই শিক্ষাৰে পৰিপূৰ্ণ যে বিশ্বাসীবিলাকে সুকৰ্ম কৰা উচিত,[৮৫] পৰিত্ৰাণ পোৱাৰ *উদ্দেশ্যে নহয়* কিন্তু তেওঁলোকে পৰিত্ৰাণ পোৱাৰ *কাৰণে*। সুকৰ্মৰ *দ্বাৰা* আমি পৰিত্ৰাণ নাপাওঁ, কিন্তু সুকৰ্ম*লৈ* আমাক পৰিত্ৰাণ কৰা হয়। সেইবোৰ পৰিত্ৰাণৰ পৰিণতি আৰু নিশ্চয়যুক্ত প্ৰমাণ।

ঈশ্বৰে যি একেলগে সংযোগ কৰিছিল তাক পৃথক কৰাটো আমাৰ অনুচিত। তেওঁ বিশ্বাস আৰু পৰিত্ৰাণ, কৰ্ম আৰু পুৰস্কাৰক সংযোগ কৰিছিল। কেৱল এই দুটা বিবাহক মনত ৰাখিব আৰু তেতিয়া সকলো ভালে থাকিব।

# ১০

# মোক এই প্ৰশ্নৰ উত্তৰ দিয়ক

## আপুনি যদি পাপ কৰে, আপুনি আপোনাৰ পৰিত্ৰাণ হেৰুৱায়, নহয় জানো ?

এই প্ৰশ্নটোৰ সততে উত্থাপন হয়, "এজন বিশ্বাসীয়ে যেতিয়া পাপ কৰে, তেওঁ তেওঁৰ পৰিত্ৰাণ নেহেৰুৱায় নে ?" কেতিয়াও নেহেৰুৱায়। তলত দিয়া কথাবোৰ বিবেচনা কৰক:

যীচুৱে কৈছিল যে তেওঁৰ মেৰৰ ভিতৰত এটাও নষ্ট নহব।[৮৬] বিষয়টোৰ সমাধান কৰিবলৈ সেয়ে যথেষ্ট হোৱা উচিত।

পৰিত্ৰাণ দয়াৰ উপহাৰ। ঈশ্বৰে যেতিয়া এটি উপহাৰ দিয়ে, তেওঁ তাক কেতিয়াও ঘূৰাই নলয়।[৮৭]

যি দয়াই উদ্ধাৰ কৰে, সেই একে দয়াই ৰক্ষাও কৰে।[৮৮]

ঈশ্বৰৰ উপহাৰ অনন্ত জীৱন।[৮৯] "অনন্ত"ৰ অৰ্থ "*চিৰকাল*"।

এজন মানুহে যেতিয়া পৰিত্ৰাণ পায়, তেওঁ নতুন জন্মৰ দ্বাৰা ঈশ্বৰৰ সন্তান হৈ পৰে।[৯০] যেতিয়া জন্ম সংঘটিত হয়, তাক কেতিয়াও সলনি বা নোহোৱা কৰিব নোৱাৰি। ই চিৰকালৰ বাবে। সম্বন্ধ এক চিঙিব নোৱাৰা শিকলি।

কোনোজন ব্যক্তি দোষমুক্ত হোৱাটো যেনেকৈ নিশ্চিত, তেনেকৈয়ে নিশ্চিত যে সেই ব্যক্তিজন এদিন গৌৰৱান্বিত হব।[৯১]

পবিত্ৰ আত্মাই বিশ্বাসীজনত চিৰকাল বসতি কৰে,[৯২] তেওঁ কেৱল পাপ নকৰালৈকে নহয়।

বিশ্বাসীজনক স্বৰ্গৰ অংগীকাৰ বা বইনা স্বৰূপে পবিত্ৰ আত্মা দিয়া হয়।[৯৩] সৰ্বশেষৰ গৌৰৱৰ তেওঁ প্ৰত্যাভূতি।

পবিত্ৰ আত্মা খ্ৰীষ্টিয়ানৰ ওপৰত এটি মোহৰ, স্বৰ্গত তেওঁ গৌৰৱময় শৰীৰ লাভ নকৰালৈকে প্ৰভুৰ দ্বাৰা তেওঁৰ স্বামিত্ব, আৰু তেওঁৰ সুৰক্ষাৰ প্ৰমাণ।[৯৪]

আমি যেতিয়া শত্ৰু আছিলোঁ প্ৰভু যীচুৱে আমাক ঈশ্বৰৰ লগত পুনৰ্মিলন কৰাইছিল। কিমান অধিককৈ আমাৰ বাবে তেওঁৰ বৰ্ত্তমানৰ পৰিচৰ্যাৰ দ্বাৰা তেওঁ আমাক স্বৰ্গত ৰাখিব![৯৫] আমাক কেতিয়াবা যাবলৈ এৰি দিবলৈকো তেওঁ অতি বেছি মূল্য দিব লগা হৈছিল।

বিশ্বাসীক কেতিয়াও শাস্তি দিয়া নহব।[৯৬] ঈশ্বৰ এতিয়া তেওঁৰ পিতৃ, তেওঁৰ বিচাৰক আৰু নহয়।

খ্ৰীষ্টিয়ানৰ পাপৰ শাস্তি খ্ৰীষ্টই বহন কৰিলে।[৯৭] ইয়াৰ অৰ্থ হৈছে যে বিশ্বাসীজনে কেতিয়াও তাৰ মূল্য দিব নালাগিব। এটা পৰিশোধেই চিৰকাললৈ তাক মীমাংসা কৰিলে।

প্ৰভু যীচুৱে কাৰ্য সমাপ্ত কৰিলে।[৯৮] সমাপ্ত হোৱা কাৰ্যত আপুনি যোগ দিব নোৱাৰে। আৰু আপুনি যোগ দিয়াৰো আৱশ্যক নাই।

বিশ্বব্ৰহ্মাণ্ডৰ একোৱেই এজন বিশ্বাসীক ঈশ্বৰৰ প্ৰেমৰ পৰা পৃথক কৰিব নোৱাৰে।[৯৯]

এইটো সত্য যে বাইবেলত কিছুমান পদ আছে যিবোৰে কোৱা যেন অনুমান হয় যে এজন ব্যক্তিয়ে পৰিত্ৰাণ পাব পাৰে, তাৰপাছত তেওঁৰ পাপৰ পৰিণতি স্বৰূপে পুনৰ হেৰাব পাৰে। ইয়াৰে অনেক পদে পুনৰ জন্ম পোৱা বিশ্বাসীৰ পৰিবৰ্ত্তে নামমাত্ৰ খ্ৰীষ্টিয়ানৰ বিষয়েহে কৈছে। অন্যান্য শাস্ত্ৰাংশই পৰিত্ৰাণৰ পৰিবৰ্ত্তে পৰিচৰ্যাৰ বিষয়েহে বুজাইছে। আৰু কিছুমান পদে স্বধৰ্ম ত্যাগীবিলাকক বৰ্ণনা কৰিছে – যিসকলে এসময়ত খ্ৰীষ্টত বিশ্বাস সাব্যস্ত কৰিছিল কিন্তু তাৰপাছত খ্ৰীষ্টক ত্যাগ কৰি সূচাইছিল যে তেওঁলোকে কেতিয়াও প্ৰকৃততে ধৰ্মান্তৰিত হোৱা নাছিল।

## বাৰু ঠিক আছে, কিন্তু ধৰক এজন বিশ্বাসীয়ে যদি পাপ কৰে?

তেনেহলে এজন বিশ্বাসীয়ে পাপ কৰিলে কি ঘটে?

ঈশ্বৰৰ লগত তেওঁৰ সহভাগিতা ছিগি যায়।[১০০] ঈশ্বৰ তেতিয়াও তেওঁৰ পিতৃ[১০১] কিন্তু তেওঁৰ লগত *সহভাগিতাত* ব্যাঘাত জন্মে।

সহ বিশ্বাসীৰ লগত তেওঁৰ সহভাগিতা ভংগ হয়।[১০২]

তেওঁ তেওঁৰ পৰিত্ৰাণৰ আনন্দ হেৰুৱায়।[১০৩]

তেওঁ তেওঁৰ শক্তি হেৰুৱায়।[১০৪]

তেওঁ যি কোনো সাৰ্থক সাক্ষ্য হেৰুৱায়,[১০৫] তেওঁৰ মুখ বন্ধ হয়। খ্ৰীষ্টৰ উৎকৰ্ষৰ যোগেদি তেওঁ তেতিয়াও স্বৰ্গৰ বাবে উপযুক্ত, কিন্তু জগতত পৰিচৰ্যাৰ নিমিত্তে তেওঁ অযোগ্য।

তেওঁৰ পাপ যদি ৰাজহুৱা প্ৰকৃতিৰ হয়, তেওঁ প্ৰভু যীচুৰ নামলৈ লজ্জা আনে, আৰু ত্ৰাণকৰ্ত্তাৰ শত্ৰুবোৰক ঈশ্বৰ নিন্দা কৰিবলৈ সুবিধা দিয়ে।[১০৬]

তেওঁ এক অসত্যত জীয়াই থাকে। তেওঁৰ কাৰ্যই তেওঁৰ ধৰ্মান্তৰৰ সত্যতাৰ ওপৰত সন্দেহ নিক্ষেপ কৰে।[১০৭] ই উচ্চ কথা, হীন চলনৰ উদাহৰণ। তেওঁ গাখীৰৰ ক্ৰীমৰ কথা কয় কিন্তু স্কিম' গাখীৰত জীয়াই থাকে।

তেওঁ প্ৰাৰ্থনাত ঈশ্বৰলৈ তেওঁৰ প্ৰৱেশাধিকাৰ হেৰুৱায়।[১০৮]

স্বয়ং তেওঁ নিজে নহয়, কিন্তু তেওঁৰ কৰ্ম পোৰা যাব।[১০৯]

তেওঁ তেওঁৰ স্বাস্থ্য হেৰুৱাব পাৰে।[১১০]

তেওঁ তেওঁৰ জীৱনক ধ্বংস কৰাৰ বিপদত থাকে।[১১১] প্ৰভুৰ প্ৰতি পৰিচৰ্যাৰ ক্ষেত্ৰত, এজন পতনশীল লোকৰ এটা মাত্ৰ সিদ্ধান্তই তেওঁৰ গোটেই বাকী ৰোৱা জীৱনত তেওঁক স্থগিত কৰি ৰাখিব পাৰে।

তেওঁ এই পৃথিৱীত তেওঁৰ *কায়িক* জীৱন হেৰুৱাব পাৰে।[১১২]

খ্ৰীষ্টৰ বিচাৰৰ আসনত তেওঁ পুৰস্কাৰ হেৰুৱাব পাৰে।[১১৩]

অৱশ্যে পৰিস্থিতি আশাহীন নহয়। ঈশ্বৰলৈ উভতি অহাৰ এক পথ আছে। তেওঁ তেওঁৰ পাপ স্বীকাৰ কৰা আৰু ত্যাগ কৰাৰ লগে লগে,[১১৪] তেওঁ পিতৃ ঈশ্বৰৰ পৰা ক্ষমা লাভ কৰে। এই বিষয়টোত ১ যোহন ১:৯ পদ দৃঢ়। ইয়াত কোৱা হৈছে, "আমি নিজ নিজ পাপবোৰ স্বীকাৰ কৰিলে, বিশ্বাসী আৰু ধাৰ্মিক যি তেওঁ,

তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰে আৰু সকলো অধৰ্মৰ পৰা আমাক শুচি কৰে।” পাপ কৰা সাধুজনৰ দায়িত্ব হৈছে পাপ স্বীকাৰ কৰা, অৰ্থাৎ তেওঁৰ পাপক স্বীকৃতি দি, ঈশ্বৰৰ উপস্থিতিত পাপক পাপ বুলি কোৱা। ক্ষমা কৰিবলৈ তেওঁ প্ৰভুক মিনতি কৰিব নালাগে। সেইবোৰক লৈ তেওঁ দুখত বিনাব নালাগে, যদিও তেনে কৰাটো হয়তো উচিত কথাই হব। তেওঁ কেৱল অন্তৰৰ পৰা সেইবোৰ স্বীকাৰ কৰে।

ক্ষমা কৰিবলৈ ঈশ্বৰ বিশ্বাসী, কাৰণ ক্ষমা কৰিব বুলি তেওঁ প্ৰতিজ্ঞা কৰিছিল। ক্ষমা কৰিবলৈ তেওঁ ন্যায়পূৰ্ণ, কাৰণ খ্ৰীষ্টৰ প্ৰতিস্থাপক কৰ্মই ক্ষমা কৰিবলৈ তেওঁৰ বাবে এটি নৈতিকতাপূৰ্ণ পথ যোগাইছে।

তেওঁ কেৱল ক্ষমাই নকৰে, কিন্তু সকলো অধাৰ্মিকতাৰ পৰা শুচি কৰে। ৰেকৰ্ড পৰিস্কাৰ। দোষ আঁতৰিল। দোষাৰোপ কৰা বিবেকৰ মাত নীৰৱ হল।

পৰিত্ৰাণ নোপোৱা ব্যক্তিয়ে যেতিয়া অনুতাপ কৰে আৰু প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰে, তেওঁ পাপৰ ন্যায়িক ক্ষমা লাভ কৰে। খ্ৰীষ্টিয়ানে পাপ স্বীকাৰ কৰিলে পিতৃসুলভ ক্ষমা লাভ কৰে।

ইয়াতে এটি সকীয়নিৰ স্বৰ যোগ দিব লাগিব। এজন বিশ্বাসীয়ে তেওঁৰ পাপ স্বীকাৰ কৰাৰ লগে লগে যদিও সেইবোৰ ক্ষমা কৰা হয়, পাপৰ পৰিণতি প্ৰায়ে থাকি যায়। সেই অৰ্থত, তেওঁ পাপ কৰি তাৰ পৰা পলাই সাৰিব নোৱাৰে।

## মই এজন মানুহক জানোঁ যি জনে পৰিত্ৰাণ পাইছিল, কিন্তু তাৰপাছত হেৰাইছিল। এই কথাটো কেনে হব?

এই মুহূৰ্ত্তত, মই যেন কোনোবাই কোৱা শুনিবলৈ পাইছোঁ “মই এজন মানুহক জানোঁ যি জন খ্ৰীষ্টিয়ান আছিল, কিন্তু তেওঁ পাপত পৰিল আৰু তেওঁ আৰু এতিয়া পৰিত্ৰাণ পোৱা নহয়। এই বিষয়ে আপুনি কি কব?”

কেইবাটাও কথা মন কৰিব লাগিব। প্ৰথমতে, যিবিলাকে

খ্ৰীষ্টিয়ান বুলি মুকলিকৈ সাব্যস্ত কৰে আৰু যিবিলাকৰ প্ৰকৃততে পুনৰ্জন্ম হৈছে, তেওঁলোকৰ মাজত পাৰ্থক্য আছে। নামমাত্ৰ বিশ্বাসী আৰু প্ৰকৃত বিশ্বাসী আছে। যদি এজন ব্যক্তিয়ে পৰিত্ৰাণ পাইছে বুলি কয়, তথাপি সঘনে পাপৰ জীৱনত চলি থাকে, তেওঁৰ ঘোষণাক সন্দেহ কৰাৰ ভাল কাৰণ আছে। যেতিয়া খ্ৰীষ্ট' সোমাই আহে, তেওঁ জীৱনত পাৰ্থক্য আনে।

তাৰপাছত কিছুমান পতনশীল লোক আছে। তেওঁলোকে সঁচাকৈয়ে ধৰ্মান্তৰিত হৈছিল কিন্তু প্ৰভুৰ পৰা আঁতৰি গৈছে। পিতৰ এটি উদাহৰণ। তেওঁ প্ৰভুক সঁচাকৈয়ে প্ৰেম কৰিছিল কিন্তু পাপত পৰিছিল। পতনশীল লোকবিলাকক ঈশ্বৰৰ অনুশাসনৰ যোগেদি এই জীৱনত পুনৰোদ্ধাৰ কৰা হয় নাইবা তেওঁলোকক স্বৰ্গলৈ আঁতৰাই নিয়া হয়।

অন্য এটি শ্ৰেণী আছে যিবিলাকক স্বধৰ্মত্যাগী বুলি জনা যায়, যিহূদা ইয়াৰে এটি উদাহৰণ। এই লোকবিলাকে কেতিয়াও নতুন জন্ম পোৱা নাছিল, কিন্তু তেওঁবিলাকে বিশ্বাসী বুলি ভাও জুৰিছিল। কেইবাজনকো আচলতে বাপ্তিস্ম দিয়া হৈছিল আৰু সদস্য হিচাপে স্থানীয় মণ্ডলীত গ্ৰহণ কৰা হৈছিল। কিন্তু তাৰপাছত তেওঁলোকে খ্ৰীষ্টক ঈৰ্ষাপূৰ্বক অগ্ৰাহ্য কৰে আৰু খ্ৰীষ্টিয়ান সত্যক অস্বীকাৰ কৰে। এই স্বধৰ্মত্যাগীবিলাকক ধৰ্মান্তৰিত কৰাটো অসম্ভৱ।

এই সমস্ত বিষয়ত, আমি আমাৰ মতবাদ অভিজ্ঞতা বা আৱেগৰ ওপৰত ভিত্তি কৰা অনুচিত। পৰীক্ষা হৈছে, "বাইবেলে কি কয়?" বাইবেলে কয় যে এজন সত্য বিশ্বাসীয়ে চিৰকালৰ বাবে পৰিত্ৰাণ পায়।

## কথাটো বৰ বেছি সহজ। পৰিত্ৰাণ বিনামূলীয়া উপহাৰ বুলি ভবাটো যুক্তিযুক্ত নহয়। আপোনাৰ শুভবাৰ্ত্তা অতিকৈ কম মূল্যৰ বুলি আপুনি নাভাবে নে?

বাইবেলভিত্তিক উত্তৰটো হল যে আমাৰ বাবে ই কম

মূল্যৰ হলেও, ত্ৰাণকৰ্ত্তাৰ বাবে ই কম মূল্যৰ নাছিল। তেওঁ সৰ্বস্ব দিব লগা হৈছিল। উপহাৰৰ সম্পূৰ্ণ প্ৰকৃতিয়ে হৈছে এই যে দাতাজনে মূল্য দিব লাগে কিন্তু পাওঁতাজনে দিব নালাগে। কিন্তু মানুহে জন্মদিনৰ উপহাৰ, বিয়াৰ উপহাৰ বা বৰদিনৰ উপহাৰ প্ৰত্যাখান নকৰে। সকলোতকৈ সৰ্বশ্ৰেষ্ঠ উপহাৰ কিয় প্ৰত্যাখান কৰিব ?

"অতিকৈ কম মূল্যৰ" আপত্তিৰ পাছত মানৱ অহংকাৰ সোমাই আছে। মানুহ সংশোধন হব নোৱাৰাকৈ এই ধাৰণালৈ অতিকৈ আসক্ত যে স্বৰ্গলৈ যোৱাৰ নিজৰ টিকেট কিনিবলৈ তেওঁলোকে যোগ্যৱান কিবা বৰঙনি আগবঢ়াব পাৰে। যিহেতু দয়াই সেই সম্ভাৱনা নুই কৰে, তেওঁলোকে কথাটো ভাল নাপায়। তেওঁলোকে তাক প্ৰত্যাখান কৰে।

# ১১

# দয়াৰ অপব্যৱহাৰ আৰু দুৰ্ব্যৱহাৰ

অন্য সকলো উত্তম বস্তুৰ নিচিনাকৈ, দয়াক দুৰ্ব্যৱহাৰ কৰিব পাৰি। জুই আৰু পানী মহান আশীৰ্বাদ হব পাৰে কিন্তু কেতিয়াবা তাৰ ভুল ব্যৱহাৰো হব পাৰে। মানুহে অদৃষ্টবাদ শিকাবলৈ ঈশ্বৰৰ সাৰ্বভৌমত্বক বিকৃত কৰিব পাৰে: যি হব লগা আছে হবই আৰু এই বিষয়ে আপুনি একো কৰিব নোৱাৰে। নিৰ্বাচনৰ মতবাদক কেতিয়াবা বিপথগামী কৰা হয় এই ধাৰণাৰ সৃষ্টি কৰিবলৈ যে ধৰ্মপ্ৰচাৰ কৰা সময় আৰু চেষ্টাৰ অপচয়।

কবলৈ দুখ লাগে যে, ঈশ্বৰৰ দয়াক অসাৱধান জীৱন যাপনৰ বাবে মাৰ্জনাৰ হেতু হিচাপে ব্যৱহাৰ কৰাটো সম্ভৱ। এজন বিশ্বাসীৰ বাবে তেওঁৰ স্বাধীনতাক সকলো ধৰণৰ বাসনা পৰিতৃপ্তিৰ সূচনা কৰাৰ অজুহাত হিচাপে ব্যৱহাৰ কৰাটো সম্ভৱ। ইয়াৰ অৰ্থ এই নহয় যে মত*বাদটি* ত্ৰুটিপূৰ্ণ। ই কেৱল বুজায় যে কিছুমান মানুহ অধাৰ্মিক আচৰণক শুদ্ধ প্ৰমাণিত কৰিবলৈ ব্যগ্ৰ, আৰু শাস্ত্ৰ ব্যৱহাৰ কৰাৰ দ্বাৰাই যদি তেওঁলোকে সেই কাম কৰিব পাৰে, তেন্তে বৰ ভাল হয়, বা তেওঁলোকে তেনেদৰে ভাবে।

এই কথা সত্য যে বিশ্বাসীবিলাক বিধিৰ অধীন নহয়

কিন্তু দয়াৰ অধীন।[১১৫] কিন্তু তাৰ অৰ্থ এই *নহয়* যে বেআইনী হবলৈ তেওঁলোকৰ অধিকাৰ আছে। তেওঁলোক সকলো শাস্তি আৰু দণ্ড অন্তৰ্ভুক্ত হৈ থকা বিধিৰ অধীন নহয়। কিন্তু তেওঁলোক খ্ৰীষ্টলৈ বিধানৰ অধীন,[১১৬] অৰ্থাৎ প্ৰেমৰ জৰীৰে তেওঁলোক খ্ৰীষ্টলৈ বন্ধা আৰু তেওঁৰ দৃষ্টিত সন্তোষজনক কাম কৰিবলৈ বাধ্য। এই সম্বন্ধ এই কবিতাটিত সুন্দৰভাৱে প্ৰকাশ পাইছে:

> তোমালৈ মোক বন্দী কৰিবলৈ
> প্ৰয়োজন আছে নে মোৰ কোনো বিধিৰ ?
> বন্দী মোৰ উল্লসিত হৃদয়,
> কেতিয়াও নহবলৈ মুক্ত।

ই সত্য যে যেতিয়া প্ৰভুৱে এজন ব্যক্তিক মুক্ত কৰে, সেই ব্যক্তিজন সঁচাকৈয়ে মুক্ত।[১১৭] কিন্তু তাৰ অৰ্থ পাপ কৰিবলৈ স্বাধীন *নহয়*। স্বাধীনতা অনুজ্ঞাপত্ৰ নহয়। এজন বিমান পাইলট' আকাশ অন্বেষণ কৰিবলৈ মুক্ত কিন্তু তেওঁ যদি নিৰাপদে তেওঁৰ গন্তব্যস্থল পাবগৈ বিচাৰে নিৰ্ধাৰিত উৰণ পথত চলাই তেওঁৰ বাবে সৰ্বোত্তম। পৌলে গালাতীয়াবিলাকক (আৰু সকলো বিশ্বাসীক) শিকাইছিল, "কিয়নো, হে ভাইবিলাক, তোমালোক স্বাধীনতাৰ নিমিত্তেহে আমন্ত্ৰিত হলা; কেৱল সেই স্বাধীনতাই তোমালোকৰ মাংসৰ অভিলাষ পূৰ কৰিবৰ উপায় নহওক…।"[১১৮]

জ'ন মেক'আৰ্থাৰে এই কথা সুন্দৰকৈ ব্যক্ত কৰিছে:

আইনৰ পৰা স্বাধীনতাই পাপৰ দাসত্বৰ পৰা আৰু আইনৰ শাস্তিৰ পৰা স্বাধীনতা বুজায় – নৈতিক নিয়ন্ত্ৰণৰ পৰা স্বাধীনতা নুবুজায়। দয়াই নুবুজায় যে আমাৰ যি মন যায় কৰিবলৈ আমাৰ অনুমতি আছে; ইয়াৰ অৰ্থ হৈছে যিহে ঈশ্বৰক সন্তুষ্ট কৰে তাক কৰিবলৈ আমাৰ ক্ষমতা আছে। ঈশ্বৰৰ দয়াই পাপ কৰিবলৈ আমাক অনুমতি দিয়ে এই প্ৰস্তাবটোৱেই স্ববিৰোধী, কাৰণ দয়াৰ স্বয়ং উদ্দেশ্যই হৈছে

আমাক পাপৰ পৰা মুক্ত কৰা…। আমি, যিসকল দয়ালাভ কৰোঁতা, আমি কেনেকৈ পাপত চলি থাকিম ? [১১৯]

অসাৱধান জীৱন যাপনৰ বাবে মানুহে কিয় দয়া অজুহাত হিচাপে লয় ? হব পাৰে যে তেওঁলোকে প্ৰকৃততে পৰিত্ৰাণ পোৱা নাই। 'মাৰ্দি গ্ৰা' ('লেন্ট' পিৰিয়ড আৰম্ভ হোৱাৰ আগতে পালন কৰা উৎসৱ) উদ্‌যাপন কৰা মানুহবিলাকৰ কথাকে ভাবক। তেওঁলোকে মংগলবাৰৰ ৰাতিলৈকে মাতলামি আৰু লম্পট আচৰণত লিপ্ত হৈ, 'এশ্ব্' বুধবাৰে ('লেন্ট'ৰ প্ৰথম দিন) ক্ষমা প্ৰাৰ্থনা কৰিবলৈ আৰু আশানুৰূপভাৱে 'লেন্ট'ৰ সময়ছোৱাত সেই পাপবোৰৰ পৰা বিৰত থাকিবলৈ পৰিকল্পনা কৰে।

অন্য কিছুমান লোক, যদিও বিশ্বাসী, তেওঁলোক দয়াৰ সত্য ধৰ্মতত্ত্বৰ বিষয়ে অজ্ঞ। হয়তো তেওঁলোকে ঈশ্বৰৰ পবিত্ৰতাৰ সত্যতা বুজি নাপায়। অথবা তেওঁলোকৰ পাপৰ ধাৰণা হয়তো অতি উপৰুৱা। এজন ব্যক্তিয়ে পৰিত্ৰাণ পায়ো নগণ্যভাৱে শিক্ষা পোৱা হব পাৰে। কিছুমানৰ ক্ষেত্ৰত সেয়া ইচ্ছাকৃত অজ্ঞতা হব পাৰে। তেওঁলোকৰ পৰা কি বিচৰা হয় তেওঁলোকে জানে কিন্তু তেওঁলোক প্ৰভুৰ সৈতে সহভাগিতাৰ পৰা বাহিৰত। তেওঁলোক পাছলৈ পিচলি পৰাৰ অৱস্থাত আৰু আত্মবিশ্বাসী যে ঈশ্বৰে তেওঁলোকৰ "সৰু সৰু" পাপবোৰ, তেওঁলোকৰ তথাকথিত "অসদাচৰণবোৰ" আওকাণ কৰিব।

অথবা, তেওঁলোক স্বধৰ্মত্যাগীও হব পাৰে। যিহূদাই এই অবিশ্বাসীবিলাকৰ বিষয়ে এইদৰে কৈছে, "তেওঁবিলাক ভক্তিহীন লোক; তেওঁবিলাকে আমাৰ ঈশ্বৰৰ অনুগ্ৰহক লম্পট আচৰণত পৰিণত কৰে, আৰু আমাৰ একমাত্ৰ অধিপতি আৰু প্ৰভুক, অৰ্থাৎ যীচু খ্ৰীষ্টক অস্বীকাৰ কৰে।"[১২০]

# ১২

# ঈশ্বৰে কেনেকৈ পবিত্ৰতা উৎপন্ন কৰে

আমি দেখিছোঁ যে পৰিত্ৰাণ বিশ্বাসৰ যোগেদি আৰু কৰ্মৰ পৰা পৃথকে দয়াৰ দ্বাৰা হয়, কিন্তু প্ৰশ্ন থাকি যায়, "পৰিত্ৰাণ পোৱাবিলাকৰ জীৱনত কেনেকৈ পবিত্ৰতা লাভ হয়?" এজন ব্যক্তি যেতিয়া খ্ৰীষ্টিয়ান হয়, তেওঁৰ জীৱনত পৰিবৰ্ত্তন হব লাগিব। প্ৰশ্নটো হল, "এই পৰিবৰ্ত্তন সাধন কৰা প্ৰক্ৰিয়াটো কি?"

প্ৰকৃততে দুটা মাথোন বোধগম্য পথ আছে। ই বিধিৰ দ্বাৰা বা দয়াৰ দ্বাৰা হব লাগিব। মানুহে যেনেকৈ স্বৰ্গ পাবলৈ আশা কৰা এই দুটা মাথোন পথ, ঠিক তেনেকৈ এই দুটাই একমাত্ৰ পথ য'ত তেওঁলোকে জীৱনত পবিত্ৰতা উৎপন্ন কৰিবলৈ আশা কৰে।

আটাইতকৈ স্বাভাৱিক আৰু মানৱতাবাদী পথ হৈছে মানুহক বিধিৰ অধীনত ৰখা। তেওঁলোকক এলানি নিয়ম-কানুন, কৰিব আৰু নকৰিব, দিয়ক। তেওঁলোকক কওক যে তেওঁলোকে নিজৰ শক্তিৰ দ্বাৰা এই নিয়মবোৰ পালন কৰিব লাগিব। আৰু যিহেতু বিধিৰ কৰ্তৃত্ব থাকিব লাগিব, তেওঁলোকক কওক যে তেওঁলোকে পালন নকৰিলে তেওঁলোকে তেওঁলোকৰ পৰিত্ৰাণ হেৰুৱাব। শুচি জীৱন প্ৰাপ্ত কৰাৰ এয়ে নিশ্চয় ন্যায্য আৰু যুক্তিপূৰ্ণ উপায় যেন লাগে। অন্যথায় মানুহে ওলাই গৈ নানা ধৰণৰ পাপময় আচৰণত লিপ্ত হব। অন্ততঃ সেইটোৱেই হৈছে যুক্তি।

বিধিক পবিত্ৰতালৈ ৰাজপথ হিচাপে লোৱাৰ সমস্যাটো হল যে ই কাম নিদিয়ে। আৰম্ভণিতেই মানুহে যেনেকৈ নিজকে উদ্ধাৰ কৰিব নোৱাৰে, তেনেকৈ নিজৰ শক্তিৰ দ্বাৰা তেওঁলোকে পবিত্ৰ জীৱন যাপনো কৰিব নোৱাৰে। পৌলে ইয়াকে অৰ্থ কৰিছিল যেতিয়া তেওঁ গালাতীয়াবিলাকক সুধিছিল, "আত্মাৰে আৰম্ভ কৰি, এতিয়া মাংসেৰে সমাপ্ত হৈ গৈছা নে?"[১২১] বিধিয়ে মানুহক কি কৰিব লাগে কয় কিন্তু তাকে কৰিবলৈ ই মানুহক ক্ষমতা নিদিয়ে, আৰু উলংঘন কৰাবিলাকক ই দোষী কৰে। পবিত্ৰতালৈ চলাই নিয়াৰ পৰিবৰ্ত্তে, বিধিৰ বিপৰীত পৰিণাম আছে। যেনেকৈ নিষিদ্ধ ফল মিঠা, ঠিক তেনেকৈ আপুনি যেতিয়া এজন মানুহক কিবা এটা কাম নকৰিবলৈ কয়, তাকে কৰিবলৈ সেয়ে তেওঁৰ পতীত স্বভাৱত কামনা জগায়। বিধিয়ে কেতিয়াও পবিত্ৰতা উৎপন্ন নকৰে। ই কেৱল পাপ প্ৰকাশ কৰিব আৰু পাপীক শাস্তি দিব পাৰে।

ঈশ্বৰৰ পদ্ধতি হৈছে দয়াৰ যোগেদি পবিত্ৰতা উৎপন্ন কৰা। মই বুজাই দিছোঁ। প্ৰকৃততে ঈশ্বৰে কয়, "চোৱা, মই তোমাক মোৰ দয়াৰ দ্বাৰা উদ্ধাৰ কৰিলোঁ। এতিয়া, ত্ৰাণকৰ্ত্তালৈ প্ৰেমৰ দ্বাৰা প্ৰণোদিত হৈ ওলাই যোৱা আৰু তোমাৰ বৃত্তিৰ লগত সমঞ্জস থকা এটি জীৱন নিৰ্বাহ কৰা।" মন কৰক যে দয়াৰ অধীনত, পবিত্ৰ জীৱন যাপনৰ বাবে প্ৰেম এক অভিপ্ৰায়। আৰু প্ৰেম ভয়তকৈ অধিক শক্তিশালী অভিপ্ৰায়। মানুহে শাস্তিৰ ভয়ৰ যোগেদি যি কেতিয়াও নকৰিব, তাক তেওঁলোকে প্ৰেমৰ পৰা কৰিব। প্ৰভুৰ প্ৰতি প্ৰেমে সন্তুতুল্য জীৱন যাপন উৎপন্ন কৰে, ভয়ে কেতিয়াও নকৰে।

খ্ৰীষ্টৰ কৰ্মৰ ভিত্তিত দয়াই বিশ্বাসীজনক ঈশ্বৰৰ আগত এক সিদ্ধ স্থিতি দিয়ে। তাৰপাছত দয়াই বিশ্বাসীজনক সেই স্থিতিৰ যোগ্য হৈ চলিবলৈ কয়। আন কথাত, তেওঁৰ অৱস্থা বৰ্দ্ধিত ক্ৰমত তেওঁৰ স্থিতিৰ লগত খাপ খোৱা উচিত। তেওঁৰ অনুশীলন ক্ৰমবৰ্ধমানে তেওঁৰ স্থিতিৰ নিচিনা হোৱা উচিত। ঈশ্বৰৰ পুত্ৰ হবলৈ তেওঁক আমন্ত্ৰণ কৰা হয় আৰু তেওঁ ৰাজ পৰিবাৰৰ সদস্যৰ নিচিনাকৈ চলা উচিত। জে· এফ'· ষ্টম'বেকে কৈছে,

"ঈশ্বৰে প্ৰথমে অনুগ্ৰহত তেওঁ কি কৰিলে তাক সোঁৱৰাই দিয়ে; তাৰপাছত তাৰ ভিত্তিত, তেওঁ যি কৰিলে তাৰ লগত সংহতিৰ জীৱনৰ বাবে তেওঁ গোহাৰি জনায়।"[১২২]

ঈশ্বৰৰ সন্তানৰ স্থিতি, খ্ৰীষ্টত তেওঁ যি সেয়ে হয়। "খ্ৰীষ্টত" শব্দটোৱেই ঈশ্বৰৰ আগত তেওঁৰ স্থিতিক বুজি পোৱাৰ মূল সূত্ৰ। ঈশ্বৰে তেওঁক এইদৰেই দেখি পায় কাৰণ প্ৰভু যীচুক তেওঁৰ ত্ৰাণকৰ্ত্তা হিচাপে তেওঁ গ্ৰহণ কৰিছে। দৈনন্দিন জীৱনত তেওঁ যেনেকুৱা, সেয়ে তেওঁৰ অভ্যাস।

দুৰ্ভাগ্যবশতঃ, এজন খ্ৰীষ্টিয়ানৰ অৱস্থা এই জীৱনত তেওঁৰ স্থিতিৰ লগত কেতিয়াও *সম্পূৰ্ণৰূপে* খাপ নাখাব। কিন্তু সি ক্ৰমবৰ্ধমানে সেই দিশে গতি কৰা উচিত। যেতিয়া তেওঁক খ্ৰীষ্টৰ সৈতে স্বৰ্গত গৌৰৱান্বিত কৰা হব, তেওঁৰ অনুশীলন সিদ্ধ হব, কিন্তু ইয়াতে বৃহৎ প্ৰগতি হলে ই ঈশ্বৰলৈ অধিক গৌৰৱযুক্ত হয়।

স্থিতিক বৰ্ণনা কৰা কিছুমান বিশেষণ হৈছে *পুনৰ উজ্জীৱিত, ক্ষমাপ্ৰাপ্ত, পুনৰ্মিলিত, উদ্ধাৰপ্ৰাপ্ত, গৃহিত, সম্পূৰ্ণ, সিদ্ধকৃত, দোষমুক্ত, পবিত্ৰীকৃত আৰু গৌৰৱান্বিত।*

অভ্যাস বৰ্ণনা কৰা কিছুমান ক্ৰিয়াপদ হৈছে *থাকা, কৰা, চলা, আগবঢ়োৱা, যাচা, দিয়া, বিবেচনা কৰা, থিয় হোৱা, হবলৈ দিয়া, আঁতৰাই থোৱা, ধাৰণ কৰা, উচিত হোৱা, সমীচীন হোৱা আৰু মানি লোৱা।*

তেনেহলে ঈশ্বৰৰ পদ্ধতি হৈছে বিশ্বাসীজনক তেওঁৰ আগত এক সিদ্ধ অৱস্থান দিয়া, তাৰপাছত তাৰ লগত সংগতি ৰাখি চলিবলৈ তেওঁক শিকোৱা। এয়ে বিধিৰ সম্পূৰ্ণ বিপৰীত। বিধিয়ে কয়, "তুমি যদি এটি নিৰ্দিষ্ট অৱস্থাত উপণীত হোৱা, তুমি তোমাৰ স্থিতি অৰ্জন কৰিবা।" নিঃসন্দেহে অসম্ভৱ। এনেকৈ কৰিব পৰা নাযায়। দয়াই কয়, "মই তোমাক অৱস্থাটি বিনামূলীয়া উপহাৰ হিচাপে দিছোঁ, তুমি এতিয়া তাৰ যোগ্য হৈ চলা।" অভ্যন্তৰত অৱস্থিত পবিত্ৰ আত্মাৰ শক্তিৰ দ্বাৰা তাক কৰিব পাৰি।

আপুনি হয়তো এজন স্ত্ৰীহীন লোকে তেওঁৰ সন্তানকেইটাৰ আৰু তেওঁৰ ঘৰৰ যতন লবলৈ প্ৰধান গৃহ লিগিৰীক নিযুক্তি দিয়া

কাহিনীটো শুনিছে। তেওঁ ৰিফ্রিজেৰেটৰৰ দুৱাৰত কিছুমান নিয়ম আঁৰি দিছিল, আৰু তাইক বেছ স্পষ্টভাৱে জানিবলৈ দিছিল যে সেইবোৰ তাইৰ দায়িত্ব।

তাৰপাছত ঘটনাটো গভীৰ হৈছিল। তেওঁ মনোমোহা নাৰীজনীৰ প্ৰেমত পৰিল, আৰু তেওঁলোকৰ বিয়া হোৱাৰ লগে লগে তেওঁ ফ্রিজৰ পৰা নিয়মবোৰ গুচাই দিলে। তাই কামবোৰ আৰু বেছিকৈ আৰু ভালদৰে কৰি থাকিল, কিন্তু তাই এতিয়া কামবোৰ চাকৰি হেৰুওৱাৰ ভয়ত নহয়, প্ৰেমৰ পৰাহে কৰিছিল।

যেতিয়া দয়াক সম্পূৰ্ণৰূপে বুজি পোৱা যায়, তেতিয়া দয়া পবিত্ৰ জীৱন যাপনৰ বাবে আটাইতকৈ সম্ভৱপৰ কাৰণ হয়। বিষয়টো এই ধৰণে ভাবক!

বিশ্বাসীবিলাকৰ পাপবোৰ আঁতৰাবলৈ প্ৰভু যীচুৱে নিজৰ বলিদানৰ দ্বাৰা মৃত্যু বৰণ কৰিছিল। যিহে তেওঁৰ মৃত্যু ঘটাইছিল, তেওঁলোকে এতিয়া তাত চলি থাকিব বিচাৰে নে?

তেওঁৰ লোকবিলাকৰ আটাইতকৈ প্ৰিয় বন্ধু বুলি তেওঁ নিজকে প্ৰমাণিত কৰিলে। তেওঁলোকৰ সকলো কাম আৰু কথাত তেওঁলৈ অতিকৈ সন্তোষদায়ক হবলৈ তেওঁলোকে লক্ষ্য লোৱা উচিত নহয় নে?

তেওঁৰ যেতিয়া মৃত্যু হৈছিল, তেওঁ তেওঁলোকৰ প্ৰতিনিধি হিচাপে মৰিছিল। তেওঁ যেতিয়া মৰিছিল, তেওঁলোকো মৰিছিল। স্থিতি অনুসাৰে তেওঁলোক পাপলৈ মৃত। প্ৰয়োগত তেওঁলোকে নিজকে পাপলৈ মৃত বুলি ধৰি লোৱা উচিত। ৰোমীয়া ৬ অধ্যায়ত পৌলে বিষয়টোৰ যুক্তি দিছে। তেওঁ সুধিছে, "অনুগ্ৰহ অধিক হবলৈ পাপ কৰি থাকিম নে?"[১২৩] তাৰপাছত তেওঁ প্ৰতিবাদ কৰি উত্তৰ দিছে, "এনে নহওক! পাপৰ সম্বন্ধে মৰা যি আমি, আমি তাত আৰু কেনেকৈ জীয়াই থাকিম?"[১২৪]

এজন ব্যক্তিয়ে দয়াৰ দ্বাৰা পৰিত্ৰাণ পোৱাৰ আগতে পাপৰ দাস হৈ থাকে। এতিয়া তেওঁ ধাৰ্মিকতাৰ দাস। তেওঁ এই পবিত্ৰ দাসত্বলৈ নিজকে সমৰ্পণ কৰা উচিত।

এজনে কথাটো এই ধৰণে ৰাখিছিল: বলিদানৰ মহত্ত্বৰ

পৰা পাপৰ বিশালতালৈকে উভতি যুক্তি দৰ্শাই যাওক; তাৰপাছত চিৰকাললৈ পাপৰ লগত সম্পৰ্ক এৰিবলৈ সংকল্প লওক।

জ'ন বুনয়ানে কথাটো আৰু অধিক দৃঢ়তাৰে ব্যক্ত কৰিছে: "পাপ হৈছে ঈশ্বৰৰ ন্যায়ৰ প্ৰত্যাহ্বান, তেওঁৰ দয়াৰ বলাৎকাৰ, তেওঁৰ ধৈৰ্যৰ ইতিকিং, তেওঁৰ ক্ষমতাৰ অপমান আৰু তেওঁৰ প্ৰেমৰ অৱমাননা।"

পাপৰ পৰা ঈশ্বৰৰ লোকক পৃথক কৰা সেতুখন ইমান অধিক মূল্যত কিনা হৈছিল যে তেওঁলোকে পুনৰায় আৰু তাৰ ওপৰেদি উভতি যাব নোৱাৰে।

## যোগ্য খোজ কি ?

এতিয়া প্ৰশ্নটো হৈছে, "কোনটো যোগ্য খোজ মই কেনেকৈ জানিম ?" ইয়াৰ উত্তৰ ঈশ্বৰৰ বাক্যত উপলব্ধ ব্যৱহাৰযোগ্য নিৰ্দেশনাত পোৱা যায়। নতুন নিয়মত তেনে শ শ আজ্ঞা আছে, কিন্তু ইয়াতে আমি ততালিকে এষাৰ ব্যাখ্যা যোগ দিব লাগিব। তাত উপলব্ধ আজ্ঞাবোৰ *শাস্তিৰে সংলগ্ন বিধি হিচাপে দিয়া হোৱা নাই*। বৰঞ্চ সেইবোৰ "দয়াৰ দ্বাৰা পৰিত্ৰাণ লাভ কৰা এজন ব্যক্তিৰ বাবে কি ধৰণৰ আচৰণ উপযোগী ?" এই প্ৰশ্নটোৰ উত্তৰ দিয়া ধাৰ্মিকতাৰ ওপৰত আদেশ। শাস্ত্ৰৰ এটি মাত্ৰ খণ্ডত পোৱা কেইটিমান উদাহৰণ:[১২৫]

"...মিছা এৰি, প্ৰতিজনে নিজ নিজ ওচৰ চুবুৰীয়াই সৈতে সত্য আলাপ কৰা..."

"তোমালোকে ক্ৰুদ্ধ হৈ পাপ নকৰিবা।"

"যি জনে চুৰ কৰে, সি আৰু চুৰ নকৰক; কিন্তু অভাৱত পৰা লোকক দান কৰিবলৈ সমৰ্থ হবৰ কাৰণে, নিজ হাতেৰে সদ্ব্যৱসায়ত পৰিশ্ৰম কৰক।"

"তোমালোকৰ মুখৰ পৰা কোনো বেয়া কথা নোলাওক।"

"ঈশ্বৰৰ পবিত্ৰ আত্মাক অসন্তুষ্ট নকৰিবা।"

"সকলো কটু বাক্য, খং, ক্ৰোধ, দ্বন্দ, নিন্দা এই সকলো, আটাই হিংসাই সৈতে তোমালোকৰ পৰা দূৰ হওক।"

"আৰু তোমালোক পৰস্পৰে হিতকাৰী আৰু কোমল চিত্তৰ লোক হৈ, ঈশ্বৰে তোমালোকক যেনেকৈ খ্ৰীষ্টত ক্ষমা কৰিলে, তেনেকৈ তোমালোকেও পৰস্পৰে ক্ষমা কৰা।"

গতিকে আমি দেখিছোঁ যে পৰিত্ৰাণ অনা সেই একে দয়াই ইয়াকো শিকায় যে, "আমি ভক্তি-লংঘন আৰু সাংসাৰিক অভিলাষ অস্বীকাৰ কৰি, গম্ভীৰ, ধাৰ্মিক আৰু ভক্তভাৱে এই বৰ্ত্তমান সংসাৰত যেন জীৱন যাপন কৰোঁ।"[১২৬]

ষ্ট'মবেকে আঙুলিয়াই দিছে যে "বৰ্ত্তমানৰ হীন খাপৰ খ্ৰীষ্টিয়ান আচাৰ-ব্যৱহাৰৰ মূল কাৰণ হৈছে দয়াৰ অসম্পূৰ্ণ শিক্ষা। বহুতৰে ক্ষেত্ৰত, সকলো ভুল ধাৰণা যে দয়াৰ ওপৰত অত্যাধিক গুৰুত্ব হৈছে পাপ কৰিবলৈ অনুমতি, সেইবোৰ অতি সোনকালে দূৰ হব যদি দয়াক তাৰ সম্পূৰ্ণতাত প্ৰচাৰ কৰা আৰু বুজা হয়।"[১২৭]

# ১৩

# আৰম্ভনিৰ পৰা শেষলৈকে দয়া

খ্ৰীষ্টিয়ান জীৱন আৰম্ভনিৰ পৰা শেষলৈকে দয়া। সকলো দয়াৰ ঈশ্বৰে তেওঁক প্ৰেম কৰাবিলাকৰ ওপৰত তেওঁৰ কৃপা বৰষাবলৈ কেতিয়াও নেৰে। কোনো কোনো সময়ত তেওঁৰ দয়া হয়তো দৃষ্টিৰ পৰা আঁৰ হৈ থাকে, কিন্তু উভতি চালে ই স্পষ্ট যে তেওঁ দয়ালু হবলৈ কেতিয়াও পাহৰা নাছিল।

বিশ্বাসীবিলাকে তেওঁলোকৰ সংৰক্ষণৰ অলৌকিক কাৰ্যত ঐশ্বৰিক দয়া দেখা পায়। সঞ্চৰণ হৈ থকা সকলো বীজাণু আৰু ভাইৰাছ, আৰু দুৰ্ঘটনাৰ অসংখ্য সম্ভাৱনা, আৰু যাত্ৰা কৰাৰ বিপদ, আৰু হিংসাত্মক মানুহৰ সংকট - এই সকলোবোৰ বিবেচনা কৰি চালে, জীৱনটো যে চলি থাকে সেয়ে বিস্ময়কৰ কথাতকৈ কোনো গুণে কম নহয়।

পথ-প্ৰদৰ্শনত প্ৰভুৰ অনুগ্ৰহৰ কথা চিন্তা কৰক। বাট দেখুৱাবলৈ ইমান মানুহ, তথাপি তেওঁ এই কাম সীমাহীন যত্ন আৰু নিখুঁত দক্ষতাৰে কৰে, যাতে প্ৰত্যেকে কব পাৰে:

মোৰ সময়ৰ জাল তেওঁ বইছিল
দয়া আৰু সুবিচাৰেৰে।
আৰু প্ৰত্যেকে গাব পাৰে:
সকলো উত্তমৰূপে কৰিলে মোৰ যীচুৱে।

কোনো কোনো সময়ত বাটটি পথহীন মৰুভূমিৰ মাজেদি, আন কোনো সময়ত ই মাইন' পুতি থোৱা পথাৰৰ দৰে। তথাপি জীৱনৰ সকলো অধ্যায়ত "যি মেৰ জাকৰ বাবে তেওঁ তেজ বোৱাই দিছিল, সেই জাকক মিঠা, ভাগৰহীন যতেৰে" তেওঁ চলাই নিয়ে।

তাৰপাছত যোগান ধৰাত তেওঁৰ দয়া। উদাৰ ঈশ্বৰে যীচু খ্ৰীষ্টৰ দ্বাৰা গৌৰৱত তেওঁৰ আধ্যা পেলাব নোৱাৰা ঐশ্বৰ্য অনুসৰি তেওঁৰ প্ৰিয় জনবিলাকৰ প্ৰত্যেকটো অভাৱ পূৰণ কৰে। তেওঁ তেওঁলোকক উত্তম ঘেঁহু আৰু শিলৰ পৰা মৌ খুৱায়,[১২৮] আৰু নিৰূপিত বতৰত তেওঁলোকক খাদ্য দিয়ে।

পৰিস্থিতিৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত আৰু ঘটনাবোৰৰ সময় আৰু অনুক্ৰমতো তেওঁৰ দূৰদৃষ্টিয়ে নিজকে প্ৰকাশ কৰে। তেওঁৰ দয়াত, তেওঁ নিশ্চয়তা দিয়ে যে কোনো কথাই দৈৱক্ৰমে নঘটে। বৰঞ্চ, যিবিলাকে তেওঁক প্ৰেম কৰে তেওঁলোকৰ মংগলৰ অৰ্থে তেওঁ সকলো একেলগে কাৰ্য কৰে। কাৰণ তেওঁৰ সন্তানবিলাক তেওঁৰ চকুৰ মণি, তেওঁ প্ৰতিশ্ৰুতি দিছে যে তেওঁলোকৰ বিৰুদ্ধে গঢ়া কোনো অস্ত্ৰ সাৰ্থক নহব, আৰু তেওঁলোকৰ বিৰুদ্ধে উঠা প্ৰত্যেক জিবাক তেওঁ দোষী কৰিব।[১২৯] তেওঁৰ নিজৰ গৌৰৱ আৰু তেওঁৰ লোকবিলাকৰ লাভৰ বাবে অধাৰ্মিকবিলাকৰ দুষ্টতা তেওঁ অগ্ৰাহ্য কৰে।

প্ৰভুৰ দয়া তেওঁৰ ক্ষমাশীলতাতকৈ অন্য ক'তোৱেই ইমান অধিক দীপ্তিৰে প্ৰজ্বলিত নহয়। কোনেও তাৰ মাত্ৰা জুখিব নোৱাৰে। দায়ূদ নামৰ ৰজাজনৰ কথা ভাবি চাওক। প্ৰথমতে বৎচেবাৰ স্বামী উৰিয়া যুদ্ধক্ষেত্ৰত থাকোঁতে তেওঁ তাইৰ লগত ব্যভিচাৰ কৰিলে। দায়ূদে যেতিয়া এই বিশ্বাসী সেনাপতিজনক যুদ্ধক্ষেত্ৰৰ পৰা চমন দি মাতি আনিলে, ৰজাজনে পৰিস্থিতিবোৰ এনেদৰে সজাবলৈ চেষ্টা কৰিলে যাতে উৰিয়াক হব লগা সন্তানটিৰ পিতৃ যেন দেখা যায়।

ায়ূদে উৰিয়াক যুদ্ধক্ষেত্ৰৰ এনে স্থানলৈ পঠোৱাৰ নিকৃষ্টতম কৌশল ভাবি উলিয়ালে য'ত তেওঁ শত্ৰুৰ কাঁড়চালনালৈ াটাইতকৈ আগত থাকিব, আৰু য'ত তেওঁৰ মৃত্যু নিশ্চিত। জাজনৰ অনৈতিকতা আৰু বিশ্বাসঘাতকতা ৱমাননাযোগ্য আৰু তেনে এজন ৰজাৰ অযোগ্য আছিল। থাপি তেওঁ অনুতাপ কৰাৰ লগে লগে, তেওঁ এই দোষ াচন কৰা কথাখিনি শুনিবলৈ পালে, "যিহোৱাই তোমাৰ াপ দূৰ কৰিলে।" এই অতিপ্ৰাকৃত ধৰণৰ ক্ষমাই চেমূৱেল ভিচক লিখিবলৈ বাধ্য কৰিছিল:

হে আচৰিত কৰ্মৰ মহান ঈশ্বৰ! তোমাৰ সমস্ত পথে
প্ৰদৰ্শন কৰে তোমাৰ ঐশ্বৰিক গুণ;
কিন্তু তোমাৰ অনুগ্ৰহৰ উজ্জ্বল মহিমা
জিলিকে তোমাৰ আন সমস্ত আচৰিত কৰ্মৰ ওপৰ:
তোমাৰ নিচিনা ক্ষমাশীল ঈশ্বৰ আৰু কোন আছে?
ক্ষমা কৰিবলৈ ইমান গভীৰ পাপ!
বচাবলৈ এনে দোষী, নিৰ্ভীক অধমক!
এয়ে তোমাৰ সৰ্বাত্মক বিশেষাধিকাৰ
আৰু এই সন্মানৰ ভাগী হব নোৱাৰে কোনেও:
তোমাৰ নিচিনা ক্ষমাশীল ঈশ্বৰ আৰু কোন আছে?
কাৰ আছে অনুগ্ৰহ ইমান উৰ্বৰ আৰু মুক্ত?

আমাৰ ঈশ্বৰে প্ৰয়োজনৰ সকলো সময়ত তেওঁৰ াকবিলাকলৈ বৰ্তি ৰখা দয়া দান কৰে। অস্ত্ৰোপ্ৰচাৰৰ ন্মুখীন হৈ, খ্ৰীষ্টিয়ানবিলাকে এনে শান্তি উপলব্ধি কৰিব াৰে যি তেওঁলোকৰ নিজৰ ক্ষমতাৰ সম্পূৰ্ণ বাহিৰত। ৰাগীয়া অৱস্থাত তেওঁলোকে এনে বলৰ অভিজ্ঞতা পাব পাৰে তলত ধৰি ৰখা একমাত্ৰ চিৰস্থায়ী বাহুৰ পৰাহে আহিব াৰে। ছহিদসকলে বন্দুক আৰু গুলীচালনা সহিবলৈ অন্য-াগতিক সাহস লাভ কৰে। আৰু তেওঁৰ নিজৰ াকবিলাকৰ এই জগতত কাম শেষ হলে ঈশ্বৰে

তেওঁলোকক মৃত্যুৰ দয়া দান কৰে, কিন্তু তেওঁলোকে সেই দয়া তেতিয়ালৈকে নাপায়।

দয়াৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন তেতিয়া হৈছিল যেতিয়া যি জন গণনাতীত চহকী আছিল তেওঁ অপৰিসীম দৰিদ্ৰ হৈছিল যাতে অযোগ্য পাপী কল্পনাতীত চহকী হব পাৰে।

অনিৰ্বচনীয় দয়াই কালভেৰীৰ পৰা প্ৰাৰ্থনা কৰিছিল "হে পিতৃ, এওঁবিলাকক ক্ষমা কৰা; কিয়নো এওঁবিলাকে বি কৰিছে, তাক নাজানে।"১৩০

ঐশ্বৰিক দয়াই কিছু সময়ৰ আগতে তেওঁৰ অৱতাৰী পুত্ৰক হত্যা কৰা সেই একেখন নগৰলৈকে তেওঁৰ পবিত্ৰ আত্মাক পঠাবলৈ ঈশ্বৰক উত্তেজিত কৰিছিল।

যিহেতু ঈশ্বৰ তুলনাতীত দয়া বিতৰণকৰোঁতা গীতমালাৰ ৰচকে কালজয়ী সংযমেৰে কব পাৰিছিল যে তেওঁৰ প্ৰতি প্ৰভুৰ সংকল্পবোৰ সাগৰৰ বালিতকৈয়ো অসংখ্য,১৩১ আৰু তেওঁৰ বিশ্বস্ততা মেঘলৈকে প্ৰসাৰিত।১৩ বিশ্বাসীবিলাক কিমান আনন্দিত হব পাৰে যে তেওঁলোকৰ পাপ অনুসৰি তেওঁ তেওঁলোকলৈ ব্যৱহাৰ কৰা নাই, ব তেওঁলোকৰ অধৰ্ম অনুসৰি তেওঁলোকক শাস্তি দিয়া নাই।১৩ "তেওঁৰ নানা দয়া নুটুকায়। সেইবোৰ প্ৰত্যেক প্ৰভাতে নতুন হয়।"১৩৪

এয়ে হৈছে প্ৰাকৃতিক জীৱনৰ পৰা আধ্যাত্মিক জীৱনলৈ, আধ্যাত্মিক জীৱনৰ পৰা অনন্ত জীৱনলৈ দয়া আৰু এয়ে চিৰকালৰ বাবে প্ৰশংসাৰ বিষয়বস্তু হব।

# ১৪

# এতিয়া পৰ্যালোচনা কৰোঁ আহক

এতিয়া আমাৰ ঈশ্বৰৰ দয়াৰ মহত্ত্বৰ গুনা-গঁথাত শ্ৰেষ্ঠ অংশবোৰ পৰ্যালোচনা কৰো আহঁক।

আমি প্ৰথমে সম্বোধিত কৰা প্ৰশ্নটো হৈছে এই। পৰিত্ৰাণৰ বাবে এটি পৰিকল্পনা প্ৰস্তুত কৰোঁতে, পবিত্ৰ আৰু ন্যায্য যি ঈশ্বৰ, তেওঁ কেনেকৈ পাপীক ক্ষমা কৰিও ন্যায্য হৈ থাকিব পাৰে।

উত্তৰটো এটি মাত্ৰ শব্দ – *প্ৰতিস্থাপনত* পোৱা যায়। ঈশ্বৰে তেওঁৰ অদ্বিতীয় পুত্ৰ, প্ৰভু যীচু খ্ৰীষ্টক পাপীবিলাকৰ প্ৰতিস্থাপক হিচাপে কালভেৰীৰ ক্ৰুচত মৰিবলৈ পঠাইছিল। তেওঁ সম্পূৰ্ণভাৱে শাস্তি ভোগ কৰিলে আৰু এতিয়া তেওঁত বিশ্বাস কৰা সকলোলৈ বিনামূলীয়া উপহাৰ হিচাপে অনন্ত জীৱন দান কৰে।

এয়া অকৃত্ৰিম দয়া – সেইবিলাকলৈ ঈশ্বৰৰ যোগ্যহীন উপকাৰ যিবিলাকে তাৰ সম্পূৰ্ণ বিপৰীত পোৱাৰ যোগ্য। সেই দয়াৰ মৰ্ম উপলব্ধি কৰিবলৈ আমি জনা উচিত যীচু কোন; তেওঁ কি কৰিছিল; যিবিলাকৰ বাবে তেওঁ তাক কৰিছিল; আৰু বিশ্বাসৰ দ্বাৰা তেওঁক গ্ৰহণ কৰাবিলাকলৈ বৈ অহা আশীৰ্বাদবোৰ।

পৃথিৱীত অন্য আৰু এটি মাত্ৰ ধৰ্ম আছে। তাক অন্য এটি শুভবাৰ্ত্তা বুলি কোৱা হয়, কিন্তু সি অলপো শুভ বাতৰি নহয়। সেয়ে শিকায় যে মানুহে নিজৰ সজ গুণ বা সিদ্ধিৰ যোগেদি স্বৰ্গ লাভ কৰে। ই আটাইতকৈ জনপ্ৰিয় ধৰ্ম কাৰণ ই মানৱ অহংকাৰক ইন্ধন যোগায়। ইয়াৰ আড়ম্বৰপূৰ্ণ দাবী স্বত্ত্বেও, ই পৰিত্ৰাণৰ নিশ্চয়তা, বৰ্ত্তমানৰ নিৰাপত্তা অথবা অনন্ত জীৱন যচা নাই। অৱশেষত ই নৰকলৈ লৈ যায়।

দয়াৰ দ্বাৰা পৰিত্ৰাণ পোৱা লোকবিলাকে প্ৰভু যীচুলৈ সকলো সন্মান দিয়ে। কৰ্মৰ দ্বাৰা পৰিত্ৰাণত বিশ্বাস কৰাবিলাকে সেই গৌৰৱ, অথবা অন্ততঃ তাৰ কিছু অংশ, নিজৰ বাবে দাবী কৰে। এজন ব্যক্তিয়ে স্বৰ্গৰ বাবে তেওঁৰ আশা কিহৰ ওপৰত ভিত্তি কৰিছে তাৰ পৰাই আপুনি কব পাৰে।

পৰিত্ৰাণ সুকৰ্মৰ দ্বাৰা নহয় বুলি যেতিয়া আমি কওঁ, তাৰ অৰ্থ নহয় যে আমি সুকৰ্মৰ বিৰোধী। আমি বিৰোধী নহওঁ! আমি যিটোৰ ওপৰত গুৰুত্ব দিব বিচাৰিছোঁ সেইটো হৈছে যে কৰ্ম পৰিত্ৰাণৰ মূল নহয়; তাৰ ফলহে হয়। আমি সুকৰ্মৰ *দ্বাৰা* পৰিত্ৰাণ নাপাওঁ; আমাক সুকৰ্ম*লৈ* পৰিত্ৰাণ কৰা হয়। সুকৰ্মবোৰ যোগাৰ কৰা নিমিত্ত নহয়, কিন্তু পৰিণাম হয়, উৎস নহয় কিন্তু ফলাফল হয়।

স্বাভাৱিকতে প্ৰশ্ন উঠে, "যদি এজন ব্যক্তিয়ে পৰিত্ৰাণ পোৱাৰ পাছত পাপ কৰে, তেওঁ তেওঁৰ পৰিত্ৰাণ হেৰুৱায় নে কি ?" উত্তৰৰ বাবে শাস্ত্ৰৰ সংগতিপূৰ্ণ সাক্ষ্য আৰু দয়াৰ সত্য প্ৰকৃতিয়ে এটি দৃঢ় *নহয়* বিচাৰে। পাপে সহভাগিতা ছিগে কিন্তু সম্বন্ধক নহয়। সহভাগিতা এডাল আলসুৱা জৰী, আনহাতে সম্বন্ধ হৈছে ছিগিব নোৱাৰা শিকলি। এজন বিশ্বাসীয়ে তেওঁৰ পাপ স্বীকাৰ কৰাৰ লগে লগে, তেওঁক ক্ষমা কৰা হয় আৰু প্ৰভুৰ লগত সহভাগিতা পুনৰ্স্থাপিত হয়।

নিজকে খ্ৰীষ্টিয়ান বুলি *ঘোষণা কৰা* প্ৰত্যেকজনে

প্ৰকৃততে পৰিত্ৰাণ লাভ নকৰে। কোনোজনৰ জীৱনত যদি পাপ দমনীয় শক্তি, যদি তেওঁ পাপতে জীয়াই আছে, তেন্তে সেইজনৰ ধৰ্মান্তৰক সন্দেহ কৰাৰ সুকাৰণ আছে। তেওঁ ঘোষণা কৰোঁতা হব পাৰে কিন্তু অধিকাৰী নহয়। জীৱনলৈ যেতিয়া খ্ৰীষ্ট' আহে, তেওঁ এক পাৰ্থক্য আনে।

যিবিলাকে দয়াৰ শুভবাৰ্ত্তা বেছি সস্তীয়া বুলি আপত্তি কৰে, তেওঁলোকক সোঁৱৰাই দিবলৈ ইমানেই যথেষ্ট যে যিজনে এটি উপহাৰ আগবঢ়ায় তেৱেঁই তাৰ মূল্য দিয়ে, উপহাৰ লাভ কৰাজনে নহয়। উপহাৰৰ স্বপ্ৰকৃতিয়েই এনে যে তাৰ মূল্য দাতাজনে দিব লাগে, লাভ কৰোঁতা জনে নহয়। বিনামূলীয়া উপহাৰ হিচাপে অনন্ত জীৱন দিবলৈ দাতা হিচাপে ঈশ্বৰে এক বিপুল মূল্য দিলে।

সকলো উত্তম বস্তুৰ ক্ষেত্ৰত যেনে হয়, তেনেকৈ দয়াকো অপব্যৱহাৰ কৰিব পাৰি। মানুহে বাসনা চৰিতাৰ্থ আৰু কুকৰ্ম কৰাৰ বাবে ইয়াক হেতু হিচাপে ব্যৱহাৰ কৰিব পাৰে। কিন্তু তেনে সকলো ক্ষেত্ৰত, সমস্যাটো ব্যক্তিজনৰ লগতহে, দয়াৰ মতবাদৰ লগত নহয়।

পবিত্ৰ জীৱন যাপনৰ বাবে বিধি নহয়, দয়াহে আটাইতকৈ শক্তিশালী সম্ভৱপৰ উদ্দেশ্য। বিধিয়ে সম্পাদন দাবী কৰে আৰু ব্যৰ্থতাৰ বাবে শাস্তিৰ ভাবুকি দিয়ে। দয়াই খ্ৰীষ্টে কি কৰিলে তাক কয় আৰু তেওঁৰ লগত সমঞ্জস থকা পবিত্ৰতাৰ জীৱনক উদগনি দিয়ে। দয়াৰ ঈশ্বৰে বিশ্বাসীজনক তেওঁৰ আগত এক সিদ্ধ কৃপাৰ স্থিতিত ৰাখে, তাৰপাছত সেই স্থিতিৰ লগত মিল থকা জীৱনৰ বাবে আমন্ত্ৰণ কৰে। নতুন নিয়মৰ বিস্তৃত নিৰ্দেশনাসমূহে উপযোগী খোজ কি হয় তাক স্পষ্টকৈ বৰ্ণনা কৰিছে।

ঈশ্বৰৰ সন্তানৰ জীৱন আৰম্ভনিৰ পৰা শেষলৈকে ঐশ্বৰিক দয়াৰ প্ৰদৰ্শন। ই মানুহৰ ওচৰত কোনো ঋণ নথকা ঈশ্বৰৰ প্ৰকাশ, তেওঁ মানুহলৈ কল্পনাতীত আশীবাদ

বৰষায়। যিবিলাক তেওঁৰ বিচাৰৰ বাহিৰে অন্য একোৰে যোগ্য নহয়, সেইবিলাককৈ প্ৰভুৱে তেওঁৰ সৰ্বোত্তম দিয়াৰ ই কাহিনী।

ঈশ্বৰে তেওঁৰ আশ্চৰ্য দয়া দেখুৱাব পৰা পুৰুষ আৰু নাৰীক এতিয়াও বিচাৰি আছে। বহু শতাব্দী ধৰি মানৱ উদাসীনতা, অনাগ্ৰহ আৰু প্ৰত্যাখানৰ দ্বাৰা নিৰাশ নহৈ, সৰ্ব দয়াৰ ঈশ্বৰে এতিয়াও শুভ বাতৰি পঠিয়াই, হেৰুৱা মেৰবোৰক বিচাৰি আছে। তেওঁ সেইবিলাকক বিচাৰি আছে যিবিলাকে স্বীকাৰ কৰিব যে তেওঁলোক দোষী, যিবিলাকে নিজকে ৰক্ষা কৰিবলৈ চেষ্টা কৰিবলৈ এৰিব আৰু যিবিলাকে প্ৰভু আৰু ত্ৰাণকৰ্ত্তা হিচাপে যীচুত বিশ্বাস কৰিব। কথাটো তেনেই সহজ!

আৰু এই কথাটো মনত ৰাখিব! ঈশ্বৰে য'তেই প্ৰভু যীচুত *অকৃত্ৰিম বিশ্বাসৰ* ফিৰিঙতি বিচাৰি পায়, সেই ব্যক্তিজনক তেওঁ ধাৰ্মিক বুলি বিবেচনা কৰিব। এইচ'. এ. আইৰন'চাইডে কৈছিল, "ঈশ্বৰে তেওঁৰ পুত্ৰৰ ব্যক্তি আৰু কৰ্মক ইমান উচ্চ বুলি ভাবে যে তেওঁ সেই প্ৰত্যেককে স্বৰ্গলৈ আনিব যিজনে তেওঁক তালৈ নিয়াৰ কাৰণে তেওঁক আটাইতকৈ কম সম্ভৱপৰ হেতু দিব।"[১৩৫]

অন্তিম অধ্যায় এতিয়াও লিখা হোৱা নাই। সমস্ত অনন্তকালত খ্ৰীষ্ট' যীচুত আমাৰ প্ৰতি তেওঁৰ অনুগ্ৰহত ঈশ্বৰে তেওঁৰ দয়াৰ অত্যাধিক সম্পদবোৰ প্ৰকাশ কৰিব।[১৩৬] সেয়ে তেওঁৰ পৰিত্ৰাণৰ অপূৰ্ব পৰিকল্পনাৰ, হেৰুৱাবিলাকক বিচাৰি ওলিয়াই উদ্ধাৰ কৰিবলৈ এই পাপৰ অৰণ্যলৈ তেওঁৰ পুত্ৰক পঠাবলৈ এই সকলো কথাই তেওঁলৈ কি অৰ্থ বহন কৰিছিল, তাৰ চিৰন্তৰ উন্মোচন হব। আৰু – কালভেৰীত সেই অপূৰ্ব কাৰ্যৰ যোগেদি আমালৈ যি সকলো আশীৰ্বাদ আহিল তাৰো উন্মোচন হব!

এটি দয়াৰ অভিব্যক্তিৰে বাইবেল সমাপ্ত কৰা হৈছে, আৰু আমিও সমাপ্ত কৰিম: “প্ৰভু যীচুৰ অনুগ্ৰহ পবিত্ৰবিলাকৰ লগত থাকক। আমেন।”

## মোৰ গুপুত স্থান

হে অত্যুত্তম প্ৰেম, পতিত মানৱ উদ্ধাৰৰ যি ৰূপাংকন
তুমি আদিতে কৰিছিলা আৰম্ভ, তাৰবাবে তোমাক প্ৰণাম!
প্ৰণাম অদ্বিতীয়, মুক্ত, চিৰস্থায়ী অনুগ্ৰহ,
মোৰ প্ৰাণক দিলা গুপুত স্থান।
আকাশ মণ্ডল সৃষ্টি কৰা ঈশ্বৰৰ অহিতে
সংগ্ৰাম কৰিছিলোঁ মই প্ৰসাৰিত হস্তে –
কৰিছিলোঁ ঘৃণা তেওঁৰ অনুগ্ৰহৰ উল্লেখ,
অহংকাৰী আছিলোঁ বিচাৰিবলৈ এক গুপুত স্থান।
ঘন মিচৰীয়া নিশাৰে আৱৰা হৈ,
আৰু অন্ধকাৰক পোহৰতকৈ অধিক ভালপাই,
উন্মাদৰ দৰে দৌৰিছিলোঁ মই পাপময় দৌৰ,
ভাবিছিলোঁ নিৰাপদ – অবিহনে এক গুপুত স্থান।
কিন্তু চিৰন্তন উপদেশকে কলে এইদৰে:
হে সৰ্বশক্তিমান প্ৰেম, সেইজন মানৱক কৰা আটক!
অনুভৱ কৰিলোঁ মই যাতনাৰ শৰ,
আৰু দেখিলোঁ মোৰ নাই কোনো গুপুত স্থান।
কুপিত ন্যায়াধীশ থিয় হল আগত:
উৰা মাৰিলোঁ মই জ্বলন্ত চীনয় পৰ্বত;
কিন্তু ভ্ৰূকুঞ্চিত মুখমণ্ডলেৰে আটাহ পাৰিলে ন্যায়াধীশ,
এই পৰ্বত নহয় কোনো গুপুত স্থান!
শীঘ্ৰে শুনিলোঁ মই এটি স্বৰ্গীয় স্বৰ,
আৰু আবিৰ্ভাৱ হল কৃপাৰ দূত:
উজ্বলিত মুখেৰে তেওঁ মোক গ'ল লৈ,
গুপুত স্থান ৰূপে যীচুৰ গুৰিলৈ।

তেওঁৰ ওপৰত পৰিল সৰ্বশক্তিমান প্ৰতিফল,
জগত নিশ্চয়ে ডুব গৈছিল নৰকত!
এক পাপময় জাতিৰ বাবে তেওঁ তাক সহিলে,
আৰু এইদৰে হ'ল তেওঁলোকৰ গুপুত স্থান।
যদিও মেঘ গাজনিৰে সাতগুণ ধুমুহা বলে,
আৰু এটা মেৰুৰ পৰা ইটো মেৰুলৈ এই গোলকক জোকাৰে,
কোনো বজ্ৰ পাতে মোক নোৱাৰে খুৱাব ভয়,
কাৰণ *যীচু* মোৰ গুপুত স্থান।
অতি বেছি আৰু কেইটিমান অস্তমান সূৰ্য,
তাৰপাছত পামগৈ মই সুন্দৰ কনানৰ পাৰ,
য'ত মই গাম অনুগ্ৰহৰ গীত,
আৰু দেখিম মোৰ গৌৰৱান্বিত গুপুত স্থান।

১৭৮০ চনৰ ২৩ ছেপ্টেম্বৰত মেজৰ জ'ন আন্দ্ৰেক বন্দী কৰাৰ সময়ত তেওঁৰ লগত এই কবিতাটি পোৱা গৈছিল। এই কবিতাটি তেৱেঁই লিখিছিল নে কি জনা নাযায়।

# সামৰণি টোকা

# সামৰণি টোকা

২ অধ্যায়

১। ১ তীমথিয় ২:৫

২। যোহন ১:১

৩। ২ কৰিন্থীয়া ৫:২১; ১ পিতৰ ২:২২; ১ যোহন ৩:৫

৪। ১ যোহন ১:৭

৫। গীতমালা ৪০:৮; ইব্ৰী ১২:২

৬। যিচয়া ৫৩:৪-৬

৭। যোহন ১:২৯

৮। গালাতীয়া ২:২০

৯। ১ পিতৰ ২:২৪

১০। ১ যোহন ২:২

১১। যোহন ৩:১৬

১২। ১ যোহন ২:২

১৩। ৰোমীয়া ৩:২৩

১৪। মথি ১১:২৮

১৫। প্ৰকাশিত বাক্য ২২:১৭

১৬। চাক' স্মিথ, His Workmanship, Servants of the King, ব্ৰ'ম'লি, কেন্ট, ইংলেণ্ড: STL Books, ১৯৮৯, ১৩৯-৪০ পৃ:।

১৭। যোহন ৩:৩৬

১৮। গীতমালা ৮৫:১০

১৯। The Applause of Heaven, Dallas: Word Publishing, ১৯৯০, ১৭৫-৭৬ পৃ:

২০। জ'ন এফ· মেক'আৰ্থাৰ, জুনিয়ৰ, Faith Works, Dallas: Word Publishing, ১৯৯৩, ৯৯ পৃ:

২১। Baptist Biblical Heritage-ত উদ্ধৃত, এপ্ৰিল ১৯৯৪, ১ পৃ:

## ৩ অধ্যায়

২২। ইব্ৰী ৪:১০
২৩। যোহন ১:১২; ৩:১৫-১৬; ৩:৩৬; ৫:২৪; ৬:৪০,৪৭; ৭:৩৭-৩৮; ১১:২৫-২৬; ২০:৩১; পাঁচনিৰ কৰ্ম ১৬:৩১; ৰোমীয়া ১০:৯; গালাতীয়া ৩:২২-২৬; ইফিচীয়া ২:৮; ১ যোহন ৫:১০-১৩

## ৪ অধ্যায়

২৪। ইফিচীয়া ২:৮-৯
২৫। গীতমালা ৪০:১-৩
২৬। Surprised by Joy (নিউয়ৰ্ক: Harcourt Brace Jovanovich, প্ৰকাশক, ১৯৮৪), ২২৯ পৃ:
২৭। মথি ২০:১৬
২৮। ১ থিচলনীকীয়া ৪:১। "মই তোমালোকক এই বিনয় কৰোঁ" (ৰোমীয়া ১২:১) আৰু "কৰিববলৈ নিদিবা" (ৰোমীয়া ৬:১২) আদি অনুগ্ৰহৰ শব্দ-বিন্যাসবোৰো মন কৰিব।

## ৫ অধ্যায়

২৯। যিচয়া ৪০:১২
৩০। Baptist Biblical Heritage-ত উদ্ধৃত, এপ্ৰিল ১৯৯৪, ১ পৃ:
৩১। যিৰিমিয়া ১৭:৯
৩২। ৰোমীয়া ৩:২৩
৩৩। ইফিচীয়া ২:২-৩, ১২
৩৪। আমাৰ দৈনিক আহাৰ, ২০ এপ্ৰিল, ১৯৯৪
৩৫। The Power of the Story-ত উদ্ধৃত, লেইটন' ফ'ৰ্ড, কলৰেড' স্প্ৰিঙছ': Navpress, ১৯৯৪, ১১২ পৃ:
৩৬। The Heart of the Gospel, Wheaton, ইলিনয়: ক্ৰছ'ৱে, ১৯৯১, ১৬৫-৬৬ পৃ:
৩৭। ৰোমীয়া ৬:২৩
৩৮। যোহন ১০:১০
৩৯। কলচীয়া ১:২৭
৪০। ইফিচীয়া ১:৭
৪১। কলচীয়া ২:১৪
৪২। ১ পিতৰ ১:১৮
৪৩। ইফিচীয়া ২:৫

৪৪। ইফিচীয়া ১:৬
৪৫। কলচীয়া ২:১০
৪৬। যোহন ১৭:২৩
৪৭। ৰোমীয়া ৫:১
৪৮। ইব্ৰী ১০:১০
৪৯। ইব্ৰী ৪:১৪-১৬; ৰোমীয়া ৮:৩৪; ১ যোহন ২:১; যোহন ১৪:১৬
৫০। যোহন ১৪:১৬-১৭
৫১। ১ কৰিন্থীয়া ১২:১৩
৫২। ইফিচীয়া ১:১৩
৫৩। ইফিচীয়া ১:১৪
৫৪। ১ যোহন ২:২৭
৫৫। ইফিচীয়া ২:১৮
৫৬। ইব্ৰী ১০:১৯
৫৭। ফিলিপীয়া ৩:২০
৫৮। যোহন ১:১২
৫৯। গালাতীয়া ৪:৬
৬০। ৰোমীয়া ৮:১৭
৬১। ১ পিতৰ ২:৫,৯
৬২। ৰোমীয়া ৮:৩৭
৬৩। ১ যোহন ৩:২
৬৪। ইফিচীয়া ১:৩
৬৫। চি· এইচ‘· স্পাৰ্জ’ন, Sermons on the Book of Daniel, গ্ৰেণ্ড ৰেপিড‘ছ‘: Zondervan Publishing House, ১৯৬৬, ৫৪পৃ:
৬৬। Persuasion, London: McDonald and Jane’s, ১৯৭৪, ২৭৩ পৃ:
৬৭। ৰোমীয়া ৫:২০খ

## ৬ অধ্যায়

৬৮। হিতোপদেশ ১৪:১২
৬৯। ৰোমীয়া ১১:৬
৭০। লূক ১৮:১৮
৭১। ৰোমীয়া ৩:২০,২৮; ৪:৫; গালাতীয়া ২:১৬; ৩:১০-১১; ইফিচীয়া ২:৯; ২ তীমথিয় ১:৯; তীত ৩:৫
৭২। ৰোমীয়া ৩:২০,২৮, ৪:১-১২; গালাতীয়া ২:১৬-১৭; ৩:১০-১৪; ইফিচীয়া ২:৮-৯; ২ তীমথিয় ১:৯; তীত ৩:৫

৭৩। ৰোমীয়া ৪:১৬
৭৪। গালাতীয়া ৪:২৮-৩১

## ৭ অধ্যায়

৭৫। ৰূথ ২:১০
৭৬। ২ চমূৱেল ৭:১৮
৭৭। ২ চমূৱেল ৯:৮
৭৮। ইফিচীয়া ৩:৮-৯
৭৯। Victorious Christians You Should Know-ৰ পৰা, Warren W. Wiersbe (Grand Rapids: Baker Book House, ১৯৮৪), ৬৩-৬৪ পৃ:
৮০। আৰ্মেনিয়ানবিলাকে পৰিত্ৰাণত মানুহৰ স্বাধীন ইচ্ছাক গুৰুত্ব দিয়ে, আনহাতে কাল'ভিনবাদীসকলে ঈশ্বৰৰ সাৰ্বভৌমত্ব আৰু নিৰ্বাচনক গুৰুত্ব দিয়ে। কথোপকথনটিয়ে দেখুৱায় যে দুয়োটা দৃষ্টিভংগী অনিবাৰ্যভাৱে পৰস্পৰে অনন্য নহয়।

## ৮ অধ্যায়

৮১। The Bible Exposition Commentary, Vol.2, Wheaton, IL: Victor Books, ১৯৮৯, ৮৪ পৃ:
৮২। যিহূদা ২৪

## ৯ অধ্যায়

৮৩। যোহন ৬:২৯
৮৪। যিচয়া ৬৪:৬
৮৫। যোহন ১২:২৬; ১ কৰিন্থীয়া ৩:৮; ইফিচীয়া ২:১০; ৬:৮; তীত ৩:৮; ইব্ৰী ৬:১০; প্ৰকাশিত বাক্য ২২:১২

## ১০ অধ্যায়

৮৬। যোহন ১০:২৭-২৮
৮৭। ৰোমীয়া ১১:২৯
৮৮। ১ পিতৰ ১:৫; যিহূদা ১গ, ২৪
৮৯। ৰোমীয়া ৬:২৩
৯০। যোহন ১:১২

৯১। ৰোমীয়া ৮:৩০
৯২। যোহন ১৪:১৬
৯৩। ২ কৰিন্থীয়া ১:২২; ৫:৫; ইফিচীয়া ১:১৪
৯৪। ২ কৰিন্থীয়া ১:২২; ইফিচীয়া ১:১৩; ৪:৩০
৯৫। ৰোমীয়া ৫:১০
৯৬। যোহন ৫:২৪
৯৭। ১ কৰিন্থীয়া ১৫:৩
৯৮। যোহন ১৯:৩০
৯৯। ৰোমীয়া ৮:৩৮-৩৯
১০০। ১ যোহন ১:৬
১০১। ১ যোহন ২:১খ
১০২। ১ যোহন ১:৭
১০৩। গীতমালা ৫১:১২
১০৪। গীতমালা ৩২:৪
১০৫। আদিপুস্তক ১৯:১৪খ
১০৬। ২ চমূৱেল ১২:১৪
১০৭। ২ তীমথিয় ২:১৯খ
১০৮। গীতমালা ৬৬:১৮
১০৯। ১ কৰিন্থীয়া ৩:১৫
১১০। ১ কৰিন্থীয়া ১১:৩০ক
১১১। ১ কৰিন্থীয়া ৯:২৭
১১২। ১ কৰিন্থীয়া ১১:৩০খ
১১৩। ১ কৰিন্থীয়া ৩:১৫খ
১১৪। হিতোপদেশ ২৮:১৩

## ১১ অধ্যায়

১১৫। ৰোমীয়া ৬:১৪
১১৬। ১ কৰিন্থীয়া ৯:২১
১১৭। যোহন ৮:৩৬
১১৮। গালাতীয়া ৫:১৩
১১৯। জ'ন এফ· মেক'আৰ্থাৰ, জুনিয়ৰ, Faith Works, ডালাচ': Word Publishing, ১৯৯৩, ১২০ পৃ:
১২০। যিহূদা ৪

## ১২ অধ্যায়

১২১। গালাতীয়া ৩:৩
১২২। জে·এফ‘· ষ্ট’ম‘বেক‘, Disciplined by Grace, Grace and Truth, Moline, ইলিনয়: ১৯৪৬, ১০২ পৃ:
১২৩। ৰোমীয়া ৬:১
১২৪। ৰোমীয়া ৬:২
১২৫। ইফিচীয়া ৪:২৫-৩২
১২৬। তীত ২:১২
১২৭। জে·এফ‘· ষ্ট’ম‘বেক‘, Disciplined by Grace, ২০ পৃ:

## ১৩ অধ্যায়

১২৮। গীতমালা ৮১:১৬
১২৯। যিচয়া ৫৪:১৭
১৩০। লূক ২৩:৩৪
১৩১। গীতমালা ১৩৯:১৭-১৮
১৩২। গীতমালা ৩৬:৫
১৩৩। গীতমালা ১০৩:১০
১৩৪। বিলাপ ৩:২২-২৩

## ১৪ অধ্যায়

১৩৫। এইচ‘· এ· আইৰন‘চাইড‘, The Levitical Offerings, Neptune, NJ: Loizeaux Bros., ১৯৮২, ৬৪ পৃ:
১৩৬। ইফিচীয়া ২:৭